লোকনায়ক অমিয় কুমাৰ

STATE CENTRAL LIBRARY
920
Call No.----
ASSAM

শ্ৰীগম্ভীৰ কলিতা

Loka Nayak Omeo Kumar; a life Sketch of the great patriot and fighter for freedom of India by Sri Samin Kalita B A and published by "Tyagvir Hem Baruah trust" First Edition, 1978

প্ৰকাশক ঃ ত্যাগবীৰ হেম বৰুৱা ন্যাস সমিতি।

প্ৰথম প্ৰকাশ ঃ ১৯৭৮ চন ঃ ফেব্ৰুৱাৰী।

মূল্য—(ক) পকা বন্ধা— ৮ ০০ (আঠ) টকা মাত্ৰ।
(খ) কেচা বন্ধা— ৫ ০০ (পাঁচ টকা) টকা মাত্ৰ।

মুদ্ৰক ঃ শ্ৰীগুৰু প্ৰেছ, মালিগাঁও গুৱাহাটী-৭৮১০১১

অর্পণ

জাতিৰ আশা ভাৰসাৰ স্থল উঠি অহা চামৰ হাতত।

—সমীন

নিবেদন

অতীতলৈ আমি ঘূৰি যাব নোৱাৰোঁ কিন্তু সেই অতীতে আমাৰ বৰ্তমান গঢ়াৰ সমল দিয়ে বাবেই তাৰ অধ্যয়ন যিকোনো সময়তেই অতি মূল্যবান। জাতিৰ অতীতে একোজন ব্যক্তিত্ব সম্পন্ন লোকৰ মাজত ধৰা দিয়ে। তেনে এজন পুৰুষ আছিল অমিয়কুমাৰ দাস ডাঙৰীয়া। অসমীয়া জাতিৰ ঐতিহ্য আৰু প্ৰাণ-প্ৰবাহৰ পৰিচয় বহন কৰা সমুদ্ৰ হৃদয় এইগৰাকী লোকৰ জীৱন-কথা জাতিৰ বাবে চিৰকাললৈ অনুপ্ৰেৰণাৰ স্থল। উত্তৰ-পুৰুষসকলৰ বাবে এগছি বন্তি।

স্বপ্নৰ দ্বাৰা উদ্দীপ্ত নহ'লে কোনো জীৱনেই মহত্ব লাভ কৰিব নোৱাৰে। অমিয়কুমাৰ দাস ডাঙৰীয়াৰ আছিল তেনে এক স্বপ্ন—যত অসমীয়া জাতিক নৱ নৱ ৰূপত সকলো দিশতেই গঢ়ি তোলাৰ মহতী আকাংক্ষা নিহিত হৈ আছিল। সেই নিমিত্তে অমিয়কুমাৰে কি ৰাজনীতি কি সমাজ নীতি কি সাহিত্য আদি জাতীয় জীৱনৰ প্ৰায় সৰ্বত্ৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। সেইবাবেই তেওঁ লোকনায়ক, প্ৰাতঃস্মৰণীয়।

এনে গৰাকী জাতীয় নেতাৰ জীৱনৰ লগত নিজকে পৰিচয় কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি দাস ডাঙৰীয়াৰ লগত জীৱিত কালৰে পৰা জড়িত হবলৈ যত্নশীল হৈ আছিলোঁ। এই সংসাৰৰ পৰা আঁতৰি যোৱাৰ পিচতো সেই চেষ্টাৰ পৰা বিৰত নহলোঁ—কিয়নো যিমানেই সেই অভ্ৰভেদী ব্যক্তিত্বৰ কাষ চাপিছো সিমানেই বিমুগ্ধ হৈছো—দাস ডাঙৰীয়াৰ জীৱনৰ বিভিন্ন দিশে আমাক উদ্বুদ্ধ কৰিছে। সেই প্ৰচেষ্টাৰেই এক পৰিণতি হ'ল—এই সামান্য জীৱন-চৰিত।

জীৱনচৰিত বুলিবলৈও টান পাইছোঁ কিয়নো ইয়াত দাস ডাঙৰীয়াৰ জীৱনৰ সম্যক পৰিচয় দাঙি ধৰিবও পৰা নাই, নিজৰ সামান্য যোগ্যতাই সেই অসামান্য প্ৰতিভাৰ ওৰ পাব নোৱাৰে। তথাপিতো প্ৰতি পদে পদে যোগ্য আৰু গুণীজনৰ পৰামৰ্শ লৈ এই ক্ষেত্ৰত আগবাঢ়িছো আৰু অসমীয়া ভাষাত অদ্যাপি অমিয়কুমাৰ দাস ডাঙৰীয়াৰ জীৱন-কথা নাই বাবেই সামান্যভাৱেই হলেও এই পুথি অতি কষ্টৰে যুগুত কৰিছোঁ। আমাৰ এই মৰসাহে কিমান দূৰ সফলতা লাভ কৰিছে নেজানো। জানিছোঁ আমাৰ ত্ৰুটী অলেখ কিন্তু গুণীজনে এই দোষ মৰিষণ কৰিব বুলিও আমি আশা কৰিছোঁ।

এই কামত সহায় কৰাৰ বাবে কৃতজ্ঞতা জনাম কিমানক ? সৰ্বো-পৰি দাস ডাঙৰীয়াৰ পত্নী শ্ৰীযুক্তা পুষ্পলতা দাসে যদি আমাক উদাৰ-ভাৱে সহায় নকৰিলেহেঁতেন আমি এই কামত এখোজো আগবাঢ়িব নোৱাৰিলোঁহেঁতেন। দাস ডাঙৰীয়ানীক কিদৰে কৃতজ্ঞতা জনাওঁ ? দাস ডাঙৰীয়াৰ সাঁচতীয়া অমূল্য লেখাবাজি যদি ব্যৱহাৰৰ বাবে আমাক নিদিলেহেঁতেন আমাৰ সকলো চেষ্টাই ব্যৰ্থ হ'লহেঁতেন। দাস ডাঙৰীয়ানীৰ উদাৰ ব্যৱহাৰে আমাক চিৰকাললৈকে কৃতজ্ঞ কৰি ৰাখিব।

আমাৰ নানা ত্ৰুটী-বিচ্যুতি আঙুলিয়াই দিয়াৰ উপৰিও পাণ্ডু-লিপিত এবাৰ হাত ফুৰাই দিছে সাংবাদিক শ্ৰীৰাধিকামোহন ভাগৱতী ডাঙৰীয়াই। বিশেষ কৰ্মব্যস্ততাৰ মাজতো ভাগৱতী ডাঙৰীয়াইয়ে আহি-কাকত চোৱাৰো গাত লৈছিল। তেওঁৰ এই শলাগ আমি মাত্ৰ কলমেৰেহে যাচিব পাৰিলোঁ। কিতাপখনত কিবা অলপো যদি গুণৰ ভাগ ওলায় সেই গুণৰ ভাগী ভাগৱতী ডাঙৰীয়াহে আমি নহওঁ।

পণ্ডিত শ্ৰীতীৰ্থ নাথ শৰ্মা ডাঙৰীয়াই তেওঁৰ বহুমূলীয়া সময় খৰচ কৰি কিতাপখনত আগকথা এটা লিখি দিছে। ইয়াৰ বাবে তেওঁৰ ওচৰতো আমি বিশেষভাৱে কৃতজ্ঞ।

প্ৰাক্তন সংসদা সদস্য শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী প্ৰাক্তন ৰাজ্যপাল শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী ককা নীলমণি ফুকন শ্ৰীদেবেশ্বৰ শৰ্মা শকুন্তলা চৌধুৰী শ্ৰীসুৰেশ্বৰ গোহাঁই যামিনী ফুকনৰ প্ৰবন্ধৰ উপৰিও 'ত্যাগবীৰ স্মৃতি গ্ৰন্থ' 'মণিদীপ' আমাৰ শ্ৰদ্ধাঞ্জলি' 'চাহ মজদুৰ" জনমভূমি' দৈনিক অসম" নতুন অসমীয়া নীলাচল' 'মহাজাতি'কে ধৰি ভালেমান কাকত আৰু বিশিষ্টজনৰ সহায় পাইছো। 'মহাত্মা গান্ধীৰ সংস্পৰ্শত আলোচনাটি ইতিমধ্যে নতুন অসমীয়া' কাকতত প্ৰকাশ পাইছে। পাণ্ডু কলেজৰ উপাধ্যক্ষ শ্ৰীযুত নাৰায়ণ দাস আৰু ড অৰুণ ভূঞা ডাঙৰীয়াই এই ক্ষেত্ৰত যোগোৱা প্ৰেৰণাও আমাৰ মনত থাকিব। নীলাচল কাকতৰ সম্পাদক শ্ৰীযুত মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা ডাঙৰীয়াই প্ৰেছৰ পৰা কিতাপখন অনিন্দ্য সুন্দৰ ৰূপত ছপাই আনিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছিল। এই সদৌটিলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ত্যাগবীৰ হেম বৰুৱা ন্যাস সমিতি' য়ে এই গ্ৰন্থৰ ছপাৰ দায়িত্ব লৈ আমাৰ মূৰৰ এটা ডাঙৰ বোজা পাতলাইছে। ইয়াৰ বাবে ন্যাস সমিতিলৈও আমি আন্তৰিক শলাগ যাচিলোঁ।

কিতাপখনত কিছুমান ছপাৰ ভুল ৰৈ গ'ল। পদ্ম বিভূষণৰ ঠাইত পদ্ম ভূষণ হ'ব লাগে। তেনেবোৰ ভুলৰ বাবে আমি নিজে দুঃখিত।

বিনীত—

শ্ৰীসনীল কলিতা

ফুলপ্ৰদধি
২৫-২-৭৮ চন।

[সু-পণ্ডিত আজীৱন শিক্ষাসেৱী সু-সাহিত্যিক চিন্তাশীল সমালোচক
ভাষাবিদ অসম সাহিত্য সভাৰ অষ্টত্ৰিংশতিম মাকুম
অধিবেশনৰ সভাপতি প্ৰাগজ্যোতিষ কলেজৰ
প্ৰাক্তন অধ্যক্ষ সাহিত্যিক পেন্সনাৰ
শ্ৰীযুত তীৰ্থনাথ শৰ্মা ডাঙৰীয়া]

।। আগ-কথা ।।

লোকনায়ক অমিয় দাসৰ জীৱনী গ্ৰন্থৰ আগ-কথা কেইআষাৰ-মান লিখো বুলি লওঁতেই জীৱনী-গ্ৰন্থ সম্পৰ্কে তেখেতৰ নিজৰ মন্তব্য এষাৰলৈ ঘপহকৈ মনত পৰিল। মই তেতিয়া কলিকতা বিশ্ব-বিদ্যালয়ৰ অসমীয়াৰ অধ্যাপক হৈ কাম কৰা বেছিদিন হোৱা নাই। দাস ডাঙৰীয়া কিবা স্বৰূপে কেইদিনমান কলিকতাত আছিলগৈ। তেখেত আছিলগৈ 'হোটেল চেচিলৰ' এজনীয়া কোঠালি এটাত মই তাতে তেখেতক লগ ধৰিছিলো। কথা-প্ৰসংগত অসমীয়া পাঠ্যপুথিৰ কথা ওলাল। তেতিয়া প্ৰবেশিকা পৰীক্ষাৰ অসমীয়াৰ উপকৰা অ-বিস্তাৰ-পাঠৰ কাৰণে এখন জীৱনী গ্ৰন্থ অনুমোদিত হৈ আছিল। সেই গ্ৰন্থখনৰ কথা উল্লেখ কৰি তেখেতে কৈছিল— এইজন মানুহে কেইখনমান কিতাপ লিখিছিল ওকালতি কৰিছিল খাইছিল শুইছিল আছিল তেখেতৰ জীৱনৰ কথাৰ পৰা আমাৰ উঠি অহা ছাত্ৰই প্ৰেৰণা পাবলগীয়া কি আছে? সাহিত্যৰ বুৰঞ্জী লিখিবলৈ ললে এনেবোৰ কিতাপে কাম দিব পাৰে কিন্তু বৰ্তমান কালৰ ছাত্ৰৰ জীৱন গঠনত একো আহি দাঙি ধৰিব নোৱাৰে।" কথাষাৰ আজি যদিও মনৰ পৰাহে উদ্ধৃত কৰিছোঁ তথাপি ন-দি ক'ব পাৰো যে মোৰ স্মৃতিয়ে মোক বঞ্চনা কৰা নাই। কথাষাৰ প্ৰায় তেখেতে প্ৰয়োগ কৰা ভাষাৰেই মনত আছে। এই কথা-বতৰাৰ পাছত 'মোৰ সত্য-অন্বেষণৰ কাহিনী' নামৰ মহাত্মা গান্ধীৰ আত্ম-জীৱনীৰ অসমীয়া অনুবাদ-খন প্ৰবেশিকা পৰীক্ষাৰ অবিস্তাৰিত পাঠ্যৰূপে নিৰ্বাচিত হৈছিল। এই কথা জানিবলৈ পাই তেখেতে মোলৈ লিখিছিল—"সত্য অন্বেষণৰ কাহিনী-খন পাঠ্য হোৱাত ভাল পাইছোঁ। মই দুপইচা পাম এই আশাত নহয়— আমাৰ ল'ৰা-ছোৱালীয়ে এই যুগৰ সৰ্বশ্ৰেষ্ঠ মানুহজনৰ কথা পঢ়িবলৈ পাব আৰু পঢ়ি উপকৃত হ'ব এই বুলিহে।"

আজি সেই অমিয় কুমাৰ দাসৰ জীৱন-কথাৰ কিতাপখন হাতে-লিখা অৱস্থাত চকু ফুৰাবলৈ পাই পোন প্ৰথমে মোৰ মনলৈ ভাব আহিছে যে এইখন কিতাপত যাৰ জীৱন-বৃত্তান্ত আছে সেই জীৱন উপজিছিল কৰিছিল খাইছিল, শুইছিল, আছিল' বিধৰ নহয়। সেই জীৱন যুঁজ-বাগৰৰ জীৱন আত্ম-বিলুপ্তিৰ জীৱন পৰ-প্ৰাণতাৰ জীৱন। এইজন লোকে প্ৰায় অৰ্দ্ধ শতাব্দী ধৰি অসম আৰু জাতিৰ হকে চিন্তা কৰি অক্লান্ত কম কৰি জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰত অকাতৰে সেৱা কৰিছিল। মোৰ বোলা সুখ-সুবিধাক বিসৰ্জন দি এটা উদ্ধত্বৰ সংঘাতময় সোতৰ জীৱন যাপন কৰিছিল। উতৰ জীৱনৰ কাৰণে প্ৰস্তুত হ'ব খোজা উঠি অহা ছাত্ৰই এনে জীৱনৰ কথাকেহে পঢ়িব লাগে। এনে এজন লোকৰ জীৱনী-গ্ৰন্থ এখন প্ৰস্তুত কৰা বাবে গ্ৰন্থকাৰ শ্ৰীমান কলিতা আমাৰ শলাগৰ পাত্ৰ।

গ্ৰন্থকাৰ শ্ৰীমান সমীন কলিতা অসমীয়া সাহিত্যৰ এজন উদীয়মান লেখক। ইতিমধ্যে অসমৰ বৃদ্ধ ৰাষ্ট্ৰপুৰুষ বিষ্ণুৰাম মেধি ডাঙৰীয়াৰ সৰু জীৱনী এখনো এও লিখি প্ৰকাশ কৰিছে। সাহিত্য-কমৰ অভি-জ্ঞতা যদিও বিপুল নহয় তথাপি লেখক কৃতকাৰ্য্য হৈছে— এই বিষয়ে সন্দেহ নাই।

আমাৰ দেশত জীৱনী লিখা এটা আপদীয়া কাম বুলি কলেও ক'ব পাৰি। ইয়াৰ কাৰণ কেবাটাও প্ৰথমতে আমাৰ সৰহভাগ লোকেই লাগতিয়াল নহয় বুলি পুৰণি চিঠি পত্ৰ কাগজ-কিতাপবোৰ অ.টোম-টোকাৰীকৈ সামৰি-সুতৰি নথও। দ্বিতীয়তে বিস্তৃত ডায়েৰি লিখাৰ অভ্যাস আমাৰ ভিতৰত কম মানুহৰেই আছে। তৃতীয়তে এজন মানুহৰ জীৱন-কথা লিখিবলৈ লও সেইজন গত হোৱাৰ বহুতকাল পাছত। তেতিয়া তেনেলোকৰ বিষয়ে কও তা মানুহবো পৰালি পৰে। বহুত কথাৰ সন্ধেদ পোৱাৰ থল নোহোৱা হয়। আটাইতকৈ ডাঙৰ কথা হ'ল জীৱনী-সাহিত্য এতিয়াও সৃষ্টি-ধৰ্মী সাহিত্য বুলি আমাৰ সাহিত্যিক সমাজে গ্ৰহণ কৰা নাই। তথ্যৰ পৰা অবিচলিত থাকিও জীৱনী-সাহিত্য সৃষ্টিধৰ্মী হব পাৰে। আমাৰ সাহিত্যিকসকলে এইফালে নিচেই অলপ-অচৰপহে মন-কাণ দিছে। এতিয়া উঠি অহা সাহিত্যিক তেকা এজনে সাহিত্যৰ এইখন পথাৰলৈ দৃষ্টি পেলোৱা দেখি ভাল পাইছোঁ আৰু আশান্বিত হৈছোঁ।

এজন মহৎলোকে কৰা ডাঙৰ ডাঙৰ কামবোৰৰ বিবৰণ দিলেই মানুহজনৰ সম্যক পৰিচয় পোৱা নাযায়। জীৱনৰ নিচেই সৰু-সুৰা ঘটনাৰ পৰাই এজন মানুহৰ চৰিত্ৰ-বৈশিষ্ট্য ফুটি ওলায়। এনেকুৱা জীৱনৰ নিত্য-নৈমিত্তিক সৰু-সুৰা ঘটনা জনা নাথাকিলে বা তাক

সংগ্ৰহ কৰিব নোৱাৰিলে জীৱনীকাৰ সফল হ'ব নোৱাৰে। জন্ম-কৰ্মৰ বিৱৰণ হ'ব পাৰে; কিন্তু ভিতৰে-বাহিৰে মানুহজন সমানে নোলায়।

বৰ্ত্তমান শ্ৰীমান কলিভাই নানা সৰু-সুৰা ঘটনাৰ সংগ্ৰহ কৰিছে। শ্ৰীমান কলিভাই দাস তাঁওবীয়াৰ ঘনিষ্ঠ সাক্ষাৎ-সম্পৰ্ক'ত অহাৰ সুযোগ পোৱা নাছিল তথাপি তেখেতৰ আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱৰ পৰা এইবোৰ লেচেৰি বোটলাদি বুটলিছে। কিতাপখন মুদ্ৰিত কৰোঁতে যে জেলেতীয়া পৰিশ্ৰম কৰিছে সেইটো দুই চাৰিটা পাত লুটিয়ালেই বুজিব পাৰি। আমাৰ জীৱনী-সাহিত্যত এইগ্ৰন্থ এটা লেখত লবলগীয়া দান হ'ব পাৰিব যেন লাগিছে।

এই গ্ৰন্থই নিজগুণেই বহল পাঠক সমাজ লাভ কৰিব এই বিষয়ে সন্দেহ নাই।

শ্ৰীমান সমীন কলিতাৰ দীৰ্ঘ জীৱন আৰু সাহিত্য-যশস্যাৰ কামনাৰে সামৰণি মাৰিলোঁ।

ইতি—

শ্ৰীতীৰ্থ নাথ শৰ্মা

ভৰলুমুখ
গুৱাহাটী—৯
৩।১।৭৮ইং

সূচী-পত্ৰ

	বিষয়	পৃষ্ঠা
(১)	লোক নায়কৰ জন্মৰ সময়ৰ অসম	১
(২)	জীৱনেই যাৰ বাণী	৬
(৩)	ভাগি গ'ল বীণখনি	১২
(৪)	দেশসেৱক অমিয় কুমাৰ	১৬
(৫)	ৰাজনৈতিক জীৱন	১৯
(৬)	বিধান সভাৰ সদস্য পদত	২৮
(৭)	কাৰাগাৰৰ জীৱন	৩১
(৮)	সাহিত্যিক অমিয় কুমাৰ	৩৩
(৯)	সাংবাদিক অমিয় কুমাৰ	৪১
(১০)	মহাত্মা গান্ধীৰ সংস্পৰ্শত	৪৭
(১১)	সোণালী সংগম	৫৪
(১২)	জন্ম আৰু বংশ	৫৮
(১৩)	শৈশৱ কাল	৬১
(১৪)	শিক্ষা	৬৬
(১৫)	সাংসাৰিক জীৱন	৭৪
(১৬)	অমিয় কুমাৰ মানুহজন	৭৭
(১৭)	ডায়েৰীৰ কেইখিলামান পাত	৮৮
(১৮)	বিভিন্ন জনৰ আৰু বিভিন্ন সংবাদপত্ৰৰ দৰ্শিতত	৯৩
(১৯)	জীয়েকলৈ তেওঁ লিখা চিঠি	৯৭
(২০)	বিভিন্ন জনলৈ তেওঁ লিখা চিঠি	৯৯
(২১)	বিভিন্ন জনে তেওঁলৈ লিখা চিঠি	১১২
(২২)	অমিয় বাণী	১২০
(২৩)	পৰিশিষ্ট	১২৫



১৯২১ চনত ল কলেজত পঢ়ি থকা অৱস্থাত।

লোকনায়কৰ জন্মৰ সময়ৰ অসম

অসমৰ সাহিত্য, সাংবাদিকতা, সমাজ সংগঠন, বিশেষকৈ ৰাজনৈতিক জগতত একেৰাহে যিজন মানুহে প্ৰায় অৰ্দ্ধ শতাব্দীকাল দেশৰ কাণ্ডাৰী হোৱাৰ সুযোগ পাইছিল, সেইজন বৰেণ্য নেতা লোকনায়ক অমিয় কুমাৰ দাস ডাঙৰীয়াৰ জীৱন আলোচনা কৰিবলৈ যোৱাৰ আগতে সেই সময়ৰ অসমৰ ৰাজনৈতিক সামাজিক, সাংস্কৃতিক জীৱনৰ আভাস এটা দিয়াতো একান্ত দৰকাৰ।

লক্ষ্মীনাথ সিংহ, কীৰ্তিনাথ বৰবৰুৱা, গৌৰীনাথ সিংহ, কমলেশ্বৰ সিংহৰ পিছত চেঙেলীয়া চন্দ্ৰকান্ত সিংহ বদনচন্দ্ৰ বৰফুকন আদিৰ ভুলতে ৬০ বছৰীয়া আহোম শাসনলৈ যি এবাৰ চৰম পৰাজয় আৰু বিপৰ্যয় নামি আহিছিল সেই ভুলৰ বাবেই উত্তৰ পুৰুষে ১৯৪৭ চনলৈকে সংগ্ৰাম কৰিবলগীয়া হৈছিল।

বদনে আনিছিল মান। ইংৰাজৰ সহায়ত ১৮২৫ চনত সেই মানক অসমৰ পৰা খেদাই পঠোৱা হৈছিল। কিন্তু মান যোৱাৰ পিছত দেখা গৈছিল যে ১৮৩২ চনৰ পৰা নামত পুৰন্দৰ সিংহক ৰজা পাতি এইবাৰ আকৌ ইংৰাজেহে দেশ শাসন কৰিবলৈ আৰম্ভ কৰিছিল। ইংৰাজৰ দেশ শাসনৰ মনোভাৱ বুজি এইবাৰ আকৌ ইংৰাজৰ বিৰুদ্ধে আন্দোলন কৰিবলগীয়া হৈছিল। অতি পৰিতাপৰ কথা যে অসমৰ স্বাধীনতাৰ হকে যুঁজি ১৮৫৭ চনৰ ভিতৰতে কেইবাজনো দেশহিতৈষীও শ্বহীদ হ'বলগীয়া হৈছিল। পিছৰ কালে এই ইংৰাজে অসমীয়া প্ৰজাৰ ওপৰত অযথা কৰ কাটল

লগাই যেতিয়া অসমীয়া প্ৰজাক জুকলা কৰিবলৈ আৰম্ভ কৰিছিল, সেই সময়ত ইংৰাজৰ প্ৰতি অসমীয়া ৰাইজৰ বিতুষ্ট হৈছিল। ইয়াৰ ফলস্বৰূপে ১৮৬০ চনৰপৰা অসমত কিছুমান "ৰাইজমেল" গঠিত হৈছিল। এই ৰাইজমেলে ৰাজহ, আয়কৰ আদি ইংৰাজে যি নতুন কৰ-কাটল লগাইছিল তাৰ প্ৰতিবাদ কৰিছিল।

অমিয় কুমাৰৰ নিজৰ লেখাৰ পৰাও সেই সময়ৰ আন ভালেমান পাৰিপাৰ্শ্বিক আভাস আমি পাব পাৰোঁ। "চাহ বাগিছা, ষ্টীমাৰ কোম্পানী আদি অনুষ্ঠানত কাম কৰিব লগীয়া হলেও তেওঁৰ ককাদেউতা ৺লক্ষ্মীকান্ত বৰকাকতী বৰ স্বাধীন মনৰ লোক আছিল। তেওঁ হৰিবিলাস আগৰৱালা, ৺ভৱানীচৰণ ভট্টাচাৰ্য্য, জয়দেৱ শৰ্ম্মা আদিৰ লগত "তেজপুৰ ৰায়ত সভা"ৰ সংগঠনত মন দিছিল। ১৮৮৫ চনত বোম্বাইত জাতীয় মহাসভা (ভাৰতীয় কংগ্ৰেছৰ) প্ৰথম অধিবেশন বহিলত তেজপুৰ ৰায়ত সভাৰ প্ৰতিনিধি হিচাপে ককাদেউতাই যোগ দিছিল। ১৮৮৭ চনত মাদ্ৰাজত বহা কংগ্ৰেছৰ তৃতীয় অধিবেশনতো ৺ৰাধানাথ চাংকাকতীৰে সৈতে তেওঁ যোগ দিছিল আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতাসকলৰ বক্তৃতাৰ কথা সকতে সদায় আমাক কৈছিল। ১৮৮৭ চনত তেজপুৰত অসমৰ ৰাজহুৱা কৰ্মক্ষেত্ৰত এটা ভাওৰ খোজ লৈছিল। সেইটো হল টাউন হল আৰু লাইব্ৰেৰী সজা। এই ঘৰটো ১৯ ৪ চনতহে সংৰক্ষণৰ বাবে ট্ৰাষ্টী সকলে মিউনিছিপালিটীক শোধাব লগীয়া হয়। ককাদেউতায়ো ট্ৰাষ্টী আছিল। তেওঁ বিশ্বনাথৰপৰা এখন কাকত উলিয়াই ৰাইজৰ অভাৱ অভিযোগ প্ৰকাশ কৰাত লাগিছিল। ডেপুটী কমিচনাৰ হিচাপে কৰ্ণেল খেৰাৰ বৰ স্বেচ্ছাচাৰী আছিল। তেওঁৰ স্বেচ্ছাচাৰিতাৰ কথাও কাকতলৈ লিখা বুলি কৈছিল। ভূটীয়া আক্ৰমণত তেওঁ ডেকা হাতীগড় বাগানত হেনো কাম কৰিছিল। চাহাব মেনেজাৰ ভূটীয়াৰ ভয়ত বাগান এৰি গুচি যোৱাত বাগানখন

কেনেকৈ ৰক্ষা কৰিলে আৰু কেনেকৈ নানান বিপদৰ [illegible] ৰক্ষা কৰিছিল এনেবিলাক কথা শুনিবলৈ আমি বৰ ভাল পাইছিলোঁ।"।

"এনেতে পদ্মনাথ গোঁহাই বৰুৱাৰ 'লীলা' কাব্যখন প্ৰকাশিত হ'ল। এইখন কিতাপো তেওঁলোকে পঢ়ি আলোচনা কৰিছিল। বেজবৰুৱাৰ 'লিতিকাই'খন পঢ়ি তেওঁলোকে যিদৰে হাঁহিছিল সেয়ে আমাকো চুইছিল।" অমিয় কুমাৰ তেতিয়া আছিল সৰু।

তেওঁৰ জন্ম হৈছিল ১৮৯৫ চনত। সেই সময়ত অসমীয়া সাহিত্য-স বাদ সেৱাৰো অৱস্থা টনকিয়াল নাছিল। কিন্তু এইটো কব পাৰি যে, ১৮৯৫ চনৰ অসমীয়া ভাষা সাহিত্যই উন্নতিৰ পথত বহুখিনি আগবাঢ়ি গৈছিল। ১৮৮৮ চনত অ ভা' উ সা' সভাৰ জন্ম হৈছিল আৰু এই সভাৰ প্ৰেৰণাৰে উদ্বুদ্ধ হৈ 'জোনাকী, বিজুলী,' 'উষা, 'বাঁহী' আদি আলোচনী সেই সময়ত প্ৰকাশ পাইছিল। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা পদ্মনাথ গোহাঁঞি বৰুৱা প্ৰমুখ্যে সেই সময়ত অসমীয়া ভাষাৰ শুৰি ধৰিছিল।

অসমীয়াৰ প্ৰতি অবিচাৰ কৰি ১৮৩৫ চনত অসমত যি বঙালী ভাষা অফিচ আদালত আৰু পঢ়াশালি আদিত চলোৱা হৈছিল ১৮৭৩ চনত বঙালী ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষা আকৌ প্ৰৱৰ্ত্তন হৈছিল। শিক্ষা বিস্তাৰৰ বাবে সেই সময়ৰ অসমত শিক্ষানুষ্ঠানৰ অভাৱ আছিল। সেই অভাৱ অমিয় কুমাৰৰো শিক্ষা জীৱনৰ অন্তৰায় স্বৰূপ হৈছিল।

"সেই সময়ত তেজপুৰত ছোৱালী শিক্ষাৰ বাবে সেই একে খনেই অনুষ্ঠান। কি অসমীয়া, কি বঙালী, নগৰৰ ছোৱালীয়ে তাতে পঢ়ে। ছোৱালীৰ লগতে কিছুমান ল'ৰাও তাতে পঢ়িছিল। এইখন স্কুলত বঙলা ভাষাত শিক্ষা দিয়া হৈছিল। শিক্ষাৰ্থীৰ সংখ্যা

বৰ সবহ নাছিল। তেজপুৰ নগৰৰ অসমীয়া আৰু বঙালী সকলোৰে লগ লাগি সেই স্কুলখন চলাইছিল। ইয়াৰ বাহে অভিভাৱকসকলে এক অনা দু অনাকৈ মাহে মাহে বৰঙণি দিয়াৰ কথাও মনত পৰে।"

ল ৰা স্কুল নোহোৱা বাবে অমিয় কুমাৰে ছোৱালী স্কুলতে পঢ়িছিল। তাকো আকৌ ছোৱালী স্কুলত ল ৰা পঢ়িব নোৱাৰাৰ চাকু লাৰ অহাত ঘৰতে পঢ়িবলগীয়া হৈছিল।

"আমাৰ দেশখন যে পাছপৰা আৰু অসমৰ ছাত্ৰই তেতিয়ালৈকে কলিকতা বিশ্ববিদ্যালয়ত লেখত লব পৰাকৈ কৃতিত্ব দেখুৱাব পৰা নাই আৰু বিশেষকৈ কিছুমান বঙালী ছাত্ৰৰ নিন্দাসূচক সমালোচনাত আমি বেজাৰ পোৱা বাবেই বোধকৰো এইবিলাক কথা আমাৰ মনত দকৈ সোমাইছিল। সকলোৰে মুখে মুখে এটা কথা আমাৰ দুখিনী অসম। ল ৰাহঁতৰ বেজাৰ—অসমত এম, এ, পাছ কৰা মানুহ নায়েই বি এ পাছ কৰাৰ স খ্যাও কম। শ্ৰেণীত বঙালী ল'ৰাই হাঁহে। মনলৈ বেজাৰ আহে—আমি কিয় পাছ পৰিব লগীয়া হ ল সুবুজা! এনেতে শুনিলো ৰাধানাথ ফুকনৰ নাম। তেওঁ এম এ পাছ কৰিছে। কিছুদিন পাছত ৰাধানাথ ফুকন তেজপুৰলৈ আহিল। আমাৰ ওচৰতে এটা ঘৰত থাকিবলৈ ললে। কেবাজনো লগ হৈ চাবলৈ গ'লো—এম এ, পাছ কৰা লোকজননো কেনেকুৱা? এনেতে শ্ৰীঈশ্বৰ প্ৰসাদ বৰুৱাৰ এম এ, পৰীক্ষাত কৃতিত্বৰ বাতৰি শুনিবলৈ পোৱা গ ল অসমীয়াও পাৰে বুলি বুকুখন ওফন্দি উঠিল।"

গুৱাহাটীৰ কটন কলেজ স্থাপন হৈছিল ১৯ ১ চনত। অমিয়কুমাৰ বেতিয়া কটন কলেজলৈ পঢ়িবলৈ আহিছিল তেজপুৰৰপৰা নাৰেৰেই আহিছিল। কটন কলেজত নাম লিখাৰ পিছত, তেওঁক সমস্যা এটাই দেখা দিছিল। তেওঁক ব্ৰাহ্মঘৰৰ ল ৰা বুলি হোষ্টেলৰ ৰক্ষণশীল সমাজৰ কেইজনমান ছাত্ৰই তেওঁৰ সৈতে বহি ডাইনিং হলত একে

লগে খোৱা লোৱা কৰিবলৈ অস্বীকাৰ কৰিছিল, যাৰ ফলত কলেজত নাম লিখা সেই গোটেই বছৰটোৱে তেওঁ মনৰ বেজাৰেৰে কটাব লগীয়া হৈছিল। এনেবোৰ বেমেজালিৰ কাৰণে শেষত তেওঁ এদিন কলিকতা মহানগৰীলৈকে বাওনা হৈছিল। কিন্তু সেই সময়ত কলিকতা মহানগৰী ভাৰতৰ ভিতৰতে পাশ্চাত্য শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰৰূপে পৰিগণিত হৈছিল। ইফালে ই আছিল ৰাজনীতি ক্ষেত্ৰবো নাভিকেন্দ্ৰ। অসমীয়া সাহিত্য, সংবাদ সেৱা আৰু ৰাজনীতিৰ কৰ্মক্ষেত্ৰলৈ অমিয় কুমাৰে যি স্মৰণীয় অৱদান দি গল, স্বীকাৰ কৰিবই লাগিব, তেওঁৰ এই জাতীয়তাৰ প্ৰেৰণা এদিন তেওঁ এই কলিকতা মহানগৰীৰ পৰা লাভ কৰিছিল।

জীৱনেই যাৰ বাণী

মূৰ আৰু কপাল ফাটি লাগি নিছিঙাকৈ বৈ অহা তেজৰ চেকুঁৰাবোৰে সেই উজ্বল গৌৰ বৰণীয়া মানুহজনৰ গোটেইটো শৰীৰ ৰাঙলি কৰিছিল। পিন্ধি থকা খদ্দৰৰ ধুতি আৰু পাঞ্জাবী, সকলোবোৰ বিবৰ্ণ, তেজ আৰু তেজ! উত্তৰ পিনৰ গেটখনেৰে সোমাই মানুহজন ঘৰটোৰ কালে আগবাঢ়ি আহিছিল।

সেই গেটত লগা দীঘলীয়া বাটটোত ফাগুনৰ শুকান বা লৈ এনেয়ে ইফালে সিফালে ঘূৰি থকা একনী কিশোৰী ছোৱালীৰ সেই মানুহজনত হঠাতে দৃষ্টি পৰিল। তেওঁ উচপ খাই উঠিল। তেজেৰে ছুমৰলি দিয়া অৱস্থাত তেওঁক দেখি ছোৱালীজনীৰ অন্তৰ বিষাদে আৱৰি ধৰিলে লগে লগে তেওঁ সেই অচিনাকি মানুহজনৰ ওচৰলৈ আগবাঢ়ি আহি কাক বিচাৰিছে সুধিলে। তেওঁ ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ খবৰ কৰিলে। ডা ভুৱনেশ্বৰ বৰুৱা ছোৱালীজনীৰ মোমায়েক হয়। ছোৱালীজনীয়েও অকণো পলম নকৰি মোমায়েক বৰুৱাক কথাটো জনালে। বাহিৰলৈ আহিয়ে স্বভাৱতে কৌতুকপ্ৰিয় ডাঃ বৰুৱাই চিৰঅভ্যস্ত ধৰণে মাত লগালে,—"জবদ্‌গৰ, কত বীৰত্ব দেখুৱাই আহিলা?" সেই মানুহজনক বৰুৱাই মৰমতে মাতিছিল "জবদ গৰ" বুলি। মানুহ-জনেও স্বাভাৱিক হাঁহি এটা মাৰি কি গৈছিল—"যোৰপুখুৰী পাৰত এঘৰ দুখীয়া মানুহৰ খেৰি ঘৰ এটাত জুই লাগিছিল। সেই সময়ত ঘৰত কোনো মতা মানুহ নথকাত অকলশৰীয়া মহিলা গৰাকীয়ে কেঁচুৱা সন্তানটি বুকুত বান্ধি বাটলৈ ওলাই আহি জুই নুমাবলৈ সহায় বিচাৰিছে, অথচ তাত থিয়ে থকা মানুহে 'সকলো

পুৰি ছাই হ'ল,' 'অকলো পুৰি ছাই হ'ল,' বুলি চিঞৰিছে। কিন্তু জুই নুমাবলৈ কোনেও চেষ্টা কৰা নাই। মুখেৰেই সহানুভূতি জনাই চিঞৰি আছে। মোৰে মনে জুই নুমাবলৈ যত্ন কৰিছিলোঁ। ফলত পাকঘৰৰ জলন্ত টিনপাত এখন খহি আহি মুৰত পৰাত কপাল আৰু মুৰত বেয়াকৈ আঘাত পালোঁ।" ডাঃ মজুমদাৰে কথাটো অসমতে বৰ উদগ্ৰীৱ হৈ শুনিলে। তাৰ পিছতে ততাতৈয়াকৈ তেওঁৰ ইজান বজাৰৰ ৰোগী চোৱা নিজা ঘৰলৈ লৈ গ'ল।

নিজৰ বিপদলৈ কেৰেপ নকৰি বিপৰ্য্যস্ত লোকক এনেকৈ সহানুভূতি প্ৰকাশ কৰা প্ৰাণান্তক হলেও সন্মুখ কৰ্ত্তব্য আওহেলা নকৰা তেকাজনেই হ'ল অমিয় কুমাৰ। এনে মহৎ আদৰ্শত নিজকে পৰিচালিত কৰাৰ পিছত সমাজে অতি আদৰেৰে সন্মান দিয়া লোকজনৰ অমিয় কুমাৰ দাস সেইজন।

ছোৱালীজনীয়ে হ'ল তেওঁৰ প্ৰিয়তমা ভাৰ্য্যা বিশিষ্টা নেতৃ প্ৰাক্তন সংসদী সদস্যা শ্ৰীযুক্তা পুষ্পলতা দাস ডাঙৰীয়ানী। স্বামীৰ দৰে পুষ্পলতাও দৰদী, মহীয়সী আৰু নিমলা। স্বামীৰ দৰেই পুষ্পলতাও সমানে দেশ আৰু দেশবাসীৰ অবিৰতভাৱে সেৱা কৰি আহিছে। দুয়ো একে আদৰ্শত উদ্বুদ্ধ, উদ্দেশ্য এক—একনিষ্ঠভাৱে মানৱজাতিৰ সেৱাত তৎপৰ হোৱাটো।

অমিয় কুমাৰৰ জীৱন ডায়েৰীৰ পাতে পাতে এনে দৃষ্টান্ত। সত্য আৰু মানৱ জাতিৰ প্ৰতি তেওঁ নিজকে এনেদৰে উছৰ্গা কৰিছিল যে, বহুসময়ত আনৰ বাবে নিজৰ জীৱনকো তৃণসম তুচ্ছ কৰিছিল। অসমত প্ৰকৃত গান্ধীবাদী বুলি যাক ভবা যায়, সেইজনেই আছিল অমিয় কুমাৰ। এই অমিয় কুমাৰে একেবাহে ১৯৩৭ চনৰ পৰা ১৯৬২ চনলৈকে অসম বিধান সভাৰ সদস্য হৈছিল, ১৯৫৭ চনৰ পৰা ১৯৬৭ চনলৈকে মন্ত্ৰীপদতো অধিষ্ঠিত আছিল।

আজিকালিতে আমাৰ নিৰ্ব্বাচনবোৰ ব্যয় সাপেক্ষ। নিৰ্ব্বাচনৰ কাৰণে একোজন প্ৰাৰ্থীয়ে হেজাৰ হেজাৰ টকা খৰচ কৰিব লগীয়া

হোৱাও শুনা যায়। উল্লেখ কৰিব পাৰি যে, অমিয় কুমাৰহে মাত্ৰ এনে খৰচৰ পৰা ব্যতিক্ৰম আছিল। ভোটৰ নামত অযথা টকা-পইচা খৰচ কৰা এনে দৃষ্টান্ত তেওঁৰ জীৱনত নাই। বৰং তেওঁহে কেতিয়াবা কেতিয়াবা ভোটৰে সৈতে টকাৰ টোপোলাও ৰাইজৰ অকুণ্ঠ স্নেহ নিৰ্মালি হিচাবে গ্ৰহণ কৰিব লগীয়া হোৱাও দেখা গৈছিল। কেতিয়াবা আকৌ উৎসাহী কোনো ভোটদাতাই তেওঁৰ নামত টকা গাঠিও দিছিল বুলি পিছত শুনা যায়।

লোকনায়কৰ জীৱনত উঠা নমা, ভঙা-গঢ়াৰ দৃষ্টান্ত বহুতো আছে। তেওঁৰ মহত্ব নিচেই সৰু কামৰ মাজতো ফুটি ওলাইছিল, কিম্বা মহত্বক একোৱে ঢাকি ৰাখিব নোৱাৰিছিল। তেওঁৰ জীৱনত এনে দৃষ্টান্তও আছে যে, জীৱিকাৰ বাবে তেওঁ গেলামালৰ দোকানী আৰু কেতিয়াবা এডি পাটৰ ব্যৱসায়েৰে ভলণ্টিয়াৰৰ খৰচো উলিয়াইছে। যি মহৎ তেওঁৰ জীৱনৰ কোনো কামেই সৰু নহয় —কথাষাৰ লোকনায়কৰ জীৱনত আখৰে আখৰে সঁচা আছিল।

দেশসেৱাৰ নামত অমিয় কুমাৰে এনেধৰণে মন প্ৰাণ ঢালি দিয়াও আমি দেখা পাওঁ যে তেওঁলোক কেইজনমানে গুৱাহাটীত সৰু ঘৰ এটা ভাড়ালৈ লৈ নিজে ৰান্ধি বাঢ়ি খাই নিঃস্বাৰ্থভাৱে দেশৰ কামত ঘুৰিছিল।

উল্লেখযোগ্য, অসমত যিজন মন্ত্ৰীৰ ঘৰ অতি সাধাৰণ সেইজনে অমিয় কুমাৰ দাস। "আজি আৰু ঢেকিয়াজুলিৰ সেই সৰু কুটীৰটিত সেইজন মহান নেতাৰ ভাৱমূৰ্ত্তি দেখা পোৱা নাযাব। অৱশ্যে সেই সৰু ঘৰটিৰ আগেদি যোৱা বাটটোৰে গ'লে সেই মহান নেতাজনক সুঁৱৰি আপোনা আপুনি মূৰটো দোঁ খাই যাব।"

সাহিত্য আৰু সংবাদ জগততো তেওঁ যেন আছিল এজন ভোট-তৰা। এটা সময়ত তেওঁ অসমীয়া সাহিত্য আৰু সংবাদ জগতৰো শুৰি ধৰিছিল। 'মোৰ সত্য অন্বেষণৰ কাহিনী', 'দক্ষিণ আফ্ৰিকাত

সত্যাগ্ৰহ,' 'গান্ধী কথামৃত 'অসমত মহাত্মা' শেকভৰ গল্প,' আৰু "বাঁহীৰ প্ৰতিধ্বনিৰ পৰা তেওঁৰ যি গৌৰৱ উপজিছে, "বাঁহী" আলোচনী আৰু সাপ্তাহিক "অসমীয়া" কাকত সম্পাদনাৰ পৰাও একে মহত্বকে প্ৰস্ফুটিত হৈছে। এইবোৰো তেওঁৰ বিৰাট ব্যক্তিত্বৰে চানেকি।

যিজন মানুহে কৈছিল,—"বৰ্তমান সাহিত্য সভাই আত্ম নিৰ্ভৰশীল হবলৈ এৰি ৰাজনৈতিক শক্তিৰ আশ্ৰয় লব লগীয়া হোৱাতো সাহিত্য সভাৰ বিকাশৰ কাৰণে ভাল হোৱা নাই। গোৱালপাৰা জিলাৰ গাৱেঁ গাৱেঁ কংগ্ৰেছৰ আন্দোলনৰ কামত ফুৰোতে কিছুমান ঠাইত অসমীয়াত কথা কলে আপত্তি কৰিছিল। সাহিত্য সভাক মই অসমীয়া ভাষা যাতে প্ৰচাৰ হয় তাৰ বাবে যত্ন কৰিবলৈ কৈছিলোঁ।

১৯৩৪ চনৰ পাছত মহাত্মা গান্ধীৰ হৰিজন আন্দোলনৰ সময়ত চাহ বাগিছাৰপৰা ওলাই অহা বনুৱা আৰু জনজাতীয় লোক-সকলৰ মাজত স্কুল পাতিবলৈ আমি দিহা কৰিছিলোঁ আৰু এই বিলাক স্কুলত অসমীয়া ভাষাৰেই শিক্ষা দিয়া হবলৈ ধৰিলে।" । "এতিয়া চকুৰ আগতে দেখি আছোঁ কিমান অসমীয়া মানুহে নিজৰ মাটি সম্পত্তি ধনৰ লোভত বাহিৰৰপৰা অহা লোকক বেচি দি আছে। ই অসমীয়া জাতীয় চৰিত্ৰৰ শক্তিৰ নিদৰ্শন নহয়। চাহ বাগিছাত কাম কৰা মানুহৰ সংখ্যালৈকে মনত ৰাখিব লাগে। তেওঁ-লোক এতিয়া নিগাজী হৈ অসমত বহিছে তেওঁলোকৰ আমাৰ মন কেনেকৈ শুদ্ধ কৰিব সেইটোও এটা ডাঙৰ কাম।

ভৌগলিক অসম ৰক্ষা কৰিবলৈ হলে দেশৰ সকলোৰে যত্ন কৰিব লাগিব। কেৱল মন্ত্ৰী কেইজনৰ ওপৰত এৰি দিলে নহব। মনত ৰাখিব লাগিব যে, ই ৰাজ্যে ৰাজনৈতিক শক্তিৰেহে এইখন দেশ ৰাখিছে ইংৰাজৰ ৰাজনৈতিক শক্তিৰ আঁৰত পশুবল আছিল। আমি গণতান্ত্ৰিক শাসনৰ ব্যৱস্থা কৰি পশুবলৰ

আত্মাৰ বল জোৱাৰো। এই ৰাজনৈতিক শক্তিৰ ভেটি হ'ব লাগিব নৈতিক শক্তি। এইবাবে অসমীয়া ত্যাগী লোক সকলৰ ওপৰতেই দায়িত্ব পৰিছে। গণতান্ত্রিক চৰকাৰে গণতন্ত্ৰৰ নীতিমতে পৰিচালিত হ'ব লাগিব।” আজি সেইজন মানুহক আমি প্ৰভাবে স্মৰণ কৰা উচিত। এজন মহৎ লোকৰ এষাৰি মহৎ বচনো আছে যে, যি আমাৰ দেশলৈ সন্মান আনে, তেওঁকো আমি সন্মান জনাব লাগে।

এইজন মানুহৰ বিষয়ে শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীয়ে লিখিছিল— “অমিয় দাদাৰ জীৱন এখন খোলা কিতাপৰ দৰে। স্নিগ্ধ পবিত্ৰ এই জীৱন। মনুষ্য জীৱনৰ সৰ্ব্বশ্ৰেষ্ঠ নীতি আৰু আদৰ্শৰ তেখেত আছিল এটা প্ৰতীক।” আকৌ অধ্যক্ষ শ্ৰীতীৰ্থ নাথ শৰ্মাদেৱৰ দৃষ্টিত,—“অসমৰ ৰাজনৈতিক ক্ষেত্ৰত কেইজনমান সব্যসাচী পুৰুষৰ আবিৰ্ভাৱ হৈছিল। স্বাধীনতাৰ যু জত সম্পূৰ্ণ আত্মনিয়োগ কৰিও সাহিত্য কৰ্মতো নিপুণ হাতেৰে কাপ কাঠী চলাই এই কেইজন পুৰুষে সমৃদ্ধি আৰু গৌৰৱৰ পথত জাতিক দুই হাতেৰে আগুৱাই দিবলৈ যত্ন কৰিছিল। প্ৰকৃততে অগ্ৰত চতুৰো বেদান পৃষ্ঠত সশৰং ধনু' এই আদৰ্শ এই কেইজন লোকৰ জীৱনত কাজে কামে প্ৰতিফলিত হোৱা দেখা পাওঁ। চন্দ্ৰনাথ শৰ্ম্মা, লক্ষ্মীধৰ, শৰ্ম্মা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু সেই নক্ষত্ৰ পুঞ্জৰে অন্যতম উজ্জল জ্যোতিষ্ক শ্ৰদ্ধেয় অমিয় কুমাৰ দাসৰ অসমীয়া জাতীয় ক্ষেত্ৰৰ সব্যসাচী মণ্ডলৰ কেইজনমান।”

আৰু নলিনীবালা দেৱীৰ তুলিকাত অমিয় কুমাৰ আছিল— “এইজন দেশমুক্তিৰ প্ৰবীনতম নেতা মাতৃভূমিৰ চিৰকল্যাণ সেৱাৰ সাধক মহাত্মাৰ বাপুজীৰ সত্য-সাধনাৰ প্ৰকৃত সেৱক এটি সুন্দৰ নিষ্কলঙ্ক পবিত্ৰ মানবীয় মাধুৰ্য্যৰে অনুৰঞ্জিত ত্যাগ হোমানলৰ উজ্জল দীপশিখা চিৰ অস্তমিত হৈ গ'ল।”

এই অমিয় কুমাৰে অসমৰ জাতীয় ভেঁটি গঢ়িছে। জাতিটোক

কেইকালৰপৰা আগবঢ়াই নিবলৈ তেওঁ আপ্ৰাণ চেষ্টা চলাইছিল। অসমৰ বিভিন্ন ভাষা ভাষীৰ মাজত সংহতি ৰক্ষা কৰিবলৈ তেৱেঁ উঠিপৰি লাগিছিল। পীড়িত-শ্ৰমিক শ্ৰেণীৰ হকে তেওঁ প্ৰতিনিধিত্ব কৰি, শ্ৰমিকৰ নেতা হিচাবে শ্ৰমিকৰ মাজত পৰিচিত হৈছিল। তেওঁ আছিল এজন শ্ৰেষ্ঠ সাধক আৰু তেওঁৰ সেই সাধনা আছিল মানৱৰ মঙ্গলৰ বাবেহে। আত্মযশ আৰু আত্ম ভোগ, আত্ম তৃপ্তিৰ ব্যতিৰেকে তেওঁ আছিল করুণাসিন্ধু, দয়া আৰু প্ৰেমৰ প্ৰতিমূৰ্ত্তি স্বৰূপ। তেওঁৰ জীৱনেই আছিল কৰ্ম্মমুখী।" তেওঁৰ সেই কৰ্ম্ম পৰোপকাৰতে শেষ কৰিছিল।

ভাগি গ'ল বীণখনি

মানৱ জীৱনটো ক্ষণভঙ্গুৰ। ই অশাশ্বত। নিয়তিৰ হাতত ৰজা প্ৰজা, সুখী দুখী সকলোৱে এদিন ধৰা দিবই লাগিব। তাৰ ভিতৰত মানুহৰ এটা বস্তুৱে বৈ যায়, সেইটো হৈছে কীৰ্ত্তি আৰু যশস্যা। সংসাৰত মাত্ৰ ইয়াৰহে বিনাশ নঘটে।

কালনিয়তিয়ে অমিয় কুমাৰকো এদিন কাটি নিলে। কিন্তু তেওঁৰ গুণৰাজী সংসাৰত সদায় থাকিব।

অসমবাসীলৈ সেই দাৰুণ শোকৰ বাতৰিটো কঢ়িয়াই অনা সেই দিনটো আছিল ১৯৭৫ চনৰ ২৩ জানুৱাৰী। সময় তেতিয়া আবেলি ১৪ হৈছিল। অসম আকাশৰ পৰা হঠাৎ সেই উজ্বল জ্যোতিষ্কটো কক্ষচ্যুত হোৱাত গোটেই অসমত এটি শোকৰ বিননি উঠিছিল। কবিয়ে ৰচিছিল—

"শ্বহীদ নগৰী ঢেকিয়াজুলিত অমিয় আজি নাই
থকা ঘৰটিত বাজে কেৱল এটি করুণ সুৰ নাই নাই নাই,
যশ খ্যাতি প্ৰতিদান নিবিচৰা জীৱন বিপ্লৱীজন নাই
ঋষি তুল্য আমাৰ প্ৰাণৰো প্ৰাণৰ কৰ্মীজন নাই।"

তেওঁৰ মৃত্যু আছিল অতিকৈ আকস্মিক আৰু কৰুণ।

২১ তাৰিখৰ দিনা ঢেকিয়াজুলিৰপৰা তেওঁৰ পত্নীৰে সৈতে তেওঁ গুৱাহাটীলৈ আহিছিল। সেই সময়ত তেওঁৰ শৰীৰ স্বাভাৱিক আছিল। ২২ তাৰিখৰ দিনা গুৱাহাটীৰ কেইবাখনো সভাত যোগদানো কৰিছিল।

সেইদিনাও তেওঁ ভাল ধৰণেই চলা ফুৰা কৰিছিল আৰু খোৱা লোৱাও কৰিছিল। কিন্তু ইকালে যে কাল নিয়তিয়ে কোনেও গম

নোপোৱাকৈ অমিয় কুমাৰৰ আঁৰে আঁৰে ঘূৰি ফুৰিছিল সেইটো আছিল সকলোৰে অজ্ঞাত। ২৩ তাৰিখে হঠাৎ তেওঁৰ গা-বেয়া হৈছিল আৰু পুৱা ৯.৩০ বজাৰেপৰা তেওঁ তেওঁৰ জোৱায়েকৰ ঘৰতে কৰনেৰী থ্ৰম্বচিচ ৰোগত বৰ বেয়াকৈয়ে আক্ৰান্ত হৈছিল। চহৰৰ কেইবাজনো উপযুক্ত ডাক্তৰৰ চিকিৎসাও লোৱা হৈছিল। কিন্তু সকলোবোৰ ব্যৰ্থ হৈছিল আৰু সেইদিনাই বিয়লি ১.৪০ বজাৰ লগে লগে তেওঁৰ নৰনাটৰ সামৰণি পৰিছিল।

নিশা নৱগ্ৰহ শ্মশানত অমিয় কুমাৰৰ শেষকৃত্য পূৰ্ণ ৰাষ্ট্ৰীয় তথা সামৰিক মৰ্য্যাদাৰে সম্পন্ন হৈছিল। পুষ্প সুশোভিত এখন ট্ৰাকেৰে তেওঁৰ মৃত শৰীৰ শ্মশানলৈ কঢ়িয়াই নিয়া হৈছিল।

মৃত্যুৰ সময়ত তেওঁৰ পত্নী শ্ৰীযুক্তা পুষ্পলতা দাস জীয়েক জোৱায়েক আৰু আন বহুতো আত্মীয়স্বজন বন্ধু বান্ধৱ ৰাজ্য মন্ত্ৰী সভাৰ সদস্যবৃন্দকে ধৰি কংগ্ৰেছৰ অগণন নবীন প্ৰবীণ নেতা আৰু কৰ্মী গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মেডিকেল কলেজৰ অধ্যক্ষ আৰু অধ্যাপক সকল, বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি মহানগৰীৰ বিশিষ্ট নাগৰিক সকল আৰু শেষ সৎকাৰৰ সময়ত ঢেকিয়াজুলিৰ ছাত্ৰ সন্থা, আই এন টি, ইউ চিৰ শাখা ব্যৱসায়ী সন্থা আৰু সাংবাদিক সন্থাই যোগদান কৰিছিল। সদৌ দেশবাসীযে সেইদিনা শোকাভিভূত হৈছিল বিশেষকৈ ঢেকিয়াজুলি অঞ্চল তেওঁৰ শোকত অতিকৈ মিয়মান হৈছিল — লোকনায়ক পদ্মভূষণ অমিয় কুমাৰ দাস দেৱৰ মৃত্যুৰ বাতৰি ২৩ জানুৱাৰীৰ দিনা বিয়লি পৰে। এই বাতৰি শুনাৰ লগে লগে নগৰৰ ব্যৱসায়ীসকলে দোকান বজাৰ বন্ধ কৰে। মহৰমৰ তাজিয়া ওলাইছিল যদিও তেওঁলোকেও সকলো কাৰ্য্যসূচী বাতিল কৰি চকুলো টুকি আঁতৰি যায়। গুৱাহাটীত বাইজে মৃত্যু বৰণ কৰা প্ৰিয় নেতা গৰাকীৰ বিষয়ে শেহতীয়া বাতৰি পাবৰ বাবে উদগ্ৰীৱ হৈ ৰাজপথলৈ ওলাই আহে। মৃত নগৰীত পৰিণত হোৱা ঢেকিয়াজুলিবাসীয়ে

দাস দেৱৰ নশ্বৰ দেহ ঢেকিয়াজুলিলৈ অনা হব বুলি শেষ নিশালৈকে অপেক্ষা কৰিছিল।"

মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অসংখ্য তাঁৰবাৰ্তা আৰু সমবেদনাৰ বাণীবোৰ আহিবলৈ ধৰিছিল। মৃত্যুৰ খবৰ পাই,শ্ৰীবিজয় ভাগৱতীয়ে লিখিছিল 'মোৰ কাৰণে বিশেষ বেজাৰ আৰু দুৰ্ভাগ্যৰ কথা যে, খবৰটো পাওঁতেও পলম হ'ল। অমিয় দাদা আছিল আমাৰ পৰিয়ালৰ মুল মানুহ। অকল আমাৰ কাৰণেই নহয়, যি সকলে তেখেতক জানিছিল, তেওঁলোক সকলোৰে কাৰণেই তেখেতৰ পৰলোক নিজৰ পৰিয়ালৰ এজন পৰলোক হোৱাৰ দৰে গভীৰ দুখৰ কথা। এনে অনুভূতি কিমান যে অকৃত্ৰিম আৰু স্বাভাৱিক।"

কৰ্কা নীলমণি ফুকনৰ এটা তাঁৰবাৰ্তাত প্ৰকাশ যে, 'মহাত্মা গান্ধীৰ চিৰ অনুগামীজনক হেৰুৱাই সমগ্ৰ দেশ বিশেষভাৱে শোকাভিভূত হৈছে। তেওঁ সমগ্ৰ জীৱন গান্ধী দৰ্শনত উদ্বুদ্ধ হৈ নি স্বাৰ্থভাৱে ৰাজনৈতিক, সামাজিক সাংস্কৃতিক জীৱনৰ সৈতে নিজকে উছৰ্গীকৃত কৰি ৰাখিছিল। আপোনালোকৰ পৰিয়ালৈলৈ মোৰ সমবেদনাৰ বাণী পঠিয়ালো। তেওঁৰ অমৰ আত্মাৰ সদ্গতি কামনা কৰা হ'ল।"

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে তেওঁৰ তাঁৰবাৰ্তাত কৈছিল,—"আমাৰ প্ৰিয়নেতা অমিয় কুমাৰৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে আমাক গভীৰ শোক দিছে। ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ তেওঁ আছিল এজন অগ্ৰগণ্য মুক্তি যুঁজাৰু। সাহিত্য সংস্কৃতিৰ অক্লান্ত সাধক দেশহিতৈষী, বিনয়ৰ প্ৰতিমূৰ্ত্তিজনক আমি হেৰুৱালোঁ। আপোনালোকৰ শোকসন্তপ্ত পৰিয়ালৈলৈ মোৰ সমবেদনাৰ বাণী পঠিয়ালো আৰু তেওঁৰ অমৰ আত্মাৰ সদ্গতি কামনা কৰিলোঁ। তেওঁৰ মৃত্যুৰ এই অপূৰণীয় ক্ষতি, অসমত কেতিয়াও পূৰণ নহব।"

অসমৰ ৰাজ্যপাল এল, পি, সিঙে তেওঁৰ মৃত্যুৰ বাতৰি পাই তাঁৰবাৰ্তা পঠিয়াইছিল—

“যোৱা বৃহস্পতিবাৰৰ বিয়লি আপোনাৰ স্বামী অমিয় কুমাৰৰ আকস্মিক মৃত্যু হোৱা বুলি জানি মই গভীৰভাৱে শোক পাইছোঁ। তেওঁৰ মৃত্যুত দেশে, বিশেষকৈ অসমে এজন মহান দেশহিতৈষী আৰু স্বাধীনতা সংগ্ৰামৰ অক্লান্ত যুঁজাৰুক হেৰুৱাইছে। পিছত, মন্ত্ৰী হিচাবে তেওঁ আগবঢ়োৱা বৰঙণিৰ উপৰিও আন বহুতো বিভিন্ন দিশত থকা তেওঁৰ বৰঙণিৰো শেষ নাই। তেওঁৰ এই অশেষ অৱদানৰ বাবে মানুহে তেওঁক সদায় কৃতজ্ঞতাৰে স্মৰণ কৰিব।”

দেশসেৱক অমিয় কুমাৰ

অমিয় কুমাৰ আছিল জাতীয় জীৱনৰ এজন নিপুণ খনিকৰ। জাতীয় জীৱন সমৃদ্ধ কৰিবলৈ বিভিন্ন দিশত আগবঢ়োৱা তেওঁৰ অৱদানে জাতিক চহকী কৰিছে। তেওঁ অসমীয়া ভাষা-সংস্কৃতিৰ অকাতৰে সেৱা কৰিছিল আৰু সমাজ জীৱনত থকা এলাহ্মু আঁতৰাবলৈ তেওঁ সদায়ে যত্ন কৰি গৈছিল। তেওঁ অসমীয়া জাতিৰ বলবীৰ্য্য আন জাতিক সাহসেৰে দেখুৱাইছিল আৰু অসমীয়া জাতিক সেই ভাৱেৰে উদ্বুদ্ধ হবলৈ আহ্বানো জনাইছিল। তেওঁ নৈতিক চৰিত্ৰৰে মহীয়ান আছিল আৰু আনকো নৈতিক চৰিত্ৰবান হোৱাটোকে কামনা কৰিছিল।

সমাজ জীৱনত তেওঁৰ অৱদান অলেখ। তেওঁৰ যত্নতে অসমত কেইবাখনো উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান গঢ়ি উঠা আমি দেখিবলৈ পাওঁ। দৰং জিলাত বিশেষকৈ ঢেকিয়াজুলি অঞ্চলত ৰাস্তা ঘাটৰেপৰা আৰম্ভ কৰি, তেওঁৰ বিভিন্ন উন্নতিমূলক কামৰ অন্ত নাই। ঢেকিয়াজুলি যি আজি শিল্পোদ্যোগ নগৰ হিচাবে গঢ়ি উঠিছে, ই মাত্ৰ অমিয় কুমাৰৰে চেষ্টাৰ ফল বুলি কব লাগিব।

অসমত 'কস্তুৰবা ট্ৰাষ্টৰ বিভিন্ন শাখা প্ৰশাখাৰ সংগঠন তেওঁৰ যত্নতে হৈছিল আৰু মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ প্ৰসাৰতা অসমত তেওঁৰ জৰিয়তেই হৈছিল। মন্ত্ৰী অমিয় কুমাৰৰ চেষ্টাতে 'কস্তুৰবা ট্ৰাষ্টে অসমৰ চাহ বাগিচাৰ বনুৱা সকলৰ মাজতো সেৱাৰ কাম কৰিবলৈ অনুপ্ৰেৰণা পাইছিল আৰু সেই ট্ৰাষ্ট যাতে টনকিয়াল হয় তাৰ বাবে সময়ে সময়ে ট্ৰাষ্টক আৰ্থিক অনুদানো আগবঢ়াইছিল।

তেওঁৰ নিৰ্দ্দেশতে পৰ্বতীয়া জিলা সমূহতো এই কেন্দ্ৰ স্থাপিত

হৈছিল আৰু সেই কেন্দ্ৰবোৰত কাম কৰিবলৈ স্থানীয় লোকক প্ৰশিক্ষণ দিয়াই তাত নিযুক্তি দিছিল। কস্তুৰবা ট্ৰাষ্টৰ এই পৰ্বতীয়া কেন্দ্ৰবোৰৰ সৈতে তেওঁ নিবিড়ভাৱে সম্বন্ধ ৰাখিছিল আৰু কেন্দ্ৰবোৰলৈ তেওঁ নিজে সঘনে পৰিদৰ্শন কৰিবলৈ গৈছিল। তেওঁৰ সহায়তে এই কস্তুৰবা ট্ৰাষ্টে আন ভালেমান মহৎ কাম কৰিছে। ১৯৫০ চনত অসমত হোৱা ভূমিকম্প আৰু বান-বিধ্বস্ত অঞ্চলবিলাকৰ মাজত সেৱাৰ কাম কৰিবলৈ এই কস্তুৰবা ট্ৰাষ্টে তেওঁৰ পৰাই প্ৰথম অনুপ্ৰেৰণা লাভ কৰিছিল। ঠায়ে ঠায়ে কস্তুৰবা কল্যাণকেন্দ্ৰ স্থাপন কৰি আশ্ৰয়হীন শিশু আৰু তেনে মহিলা সকলক আশ্ৰয় দিয়াৰ ব্যৱস্থা কৰিছিল। তেওঁ এই কস্তুৰবা ট্ৰাষ্টৰ (প্ৰাদেশিক) উপদেষ্টা কমিটীৰ অধ্যক্ষ আছিল।

মহাত্মা গান্ধীৰ 'বুনিয়াদী শিক্ষা' প্ৰচলনত যদিও গোপীনাথ বৰদলৈ আছিল অসমত পথ প্ৰৱৰ্ত্তক, আচলতে সেই ভেঁটি সুদৃঢ় কৰিছিল অমিয় কুমাৰেহে। তেওঁ শিক্ষামন্ত্ৰী থকা কালতে বুনিয়াদী শিক্ষাৰ যথেষ্ট প্ৰসাৰ হৈছিল। ১৯৫৩ চনত তিতাবৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় বুনিয়াদী শিক্ষা সন্মিলন তেওঁৰ নেতৃত্বত হৈছিল আৰু এই সন্মিলন সুচাৰুৰূপে পৰিচালিত কৰিছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, তেওঁ কোনো চৰকাৰী সাহায্যলৈ আশা নকৰি অভিভাৱকৰ সন্মতিক্ৰমে প্ৰতি লৰাৰ পৰা এক অনাকৈ পইচা তুলি সন্মিলনৰ খৰচ উলিয়াইছিল।

তেওঁ প্ৰতিষ্ঠা কৰা আন এটা মহৎ সংগঠন হৈছে 'অসম সেৱা সমিতি'। এই সেৱা সমিতিৰো তেওঁ অধ্যক্ষ আছিল। 'অসম সেৱা সমিতিৰ অসমত এতিয়া মুঠ ১১টা শাখা-প্ৰশাখা হৈছে। এই শাখাবোৰৰ যোগে যাইকৈ হস্তশিল্পৰ উন্নতি আৰু সমাজৰ দ্বাৰা অৱহেলিত কুষ্ঠৰোগীবোৰৰ সেৱা কৰা হয়।

ইয়াৰ উপৰিও গান্ধী স্মাৰক নিধি, চাহ কৰ্মচাৰী আৰু মজদুৰ উন্নয়ন সংঘ, মৰিজনী সেৱক সংঘ, আদিম জাতি সেৱা-সংঘ, কালি

২

নিবাৰণী স ঘ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান অসমত গঢ়ি তুলিছিল আৰু এইবিলাকৰ সহযোগিতাও জনসাধাৰণৰ অশেষ কল্যাণ সাধিছে।

এনেজন নেতাৰ ৭ বছৰীয়া সম্বৰ্দ্ধনা উৎসৱত তেজপুৰীয়া বাইজে তেওঁলোকৰ শ্ৰদ্ধাৰ চিন স্বৰূপে তেওঁলৈ বিশ হেজাৰ টকাৰ এটি ধনৰ টোপোলা আগবঢ়াইছিল আৰু ১৯৭২ চনৰ ২৯ অক্টোবৰৰ দিনা অসম চাহ মজদুৰ সংঘৰ বৰচলা শাখায়ো তেওঁৰ সম্বৰ্দ্ধনা উৎসৱ উপলক্ষে তেওঁলৈ নগদ ১ হেজাৰ টকা আগ বঢ়াইছিল।

বাইজৰ পৰা পোৱা এই সকলো টকা বাইজৰ নামতেই তেওঁ ৰাখিছিল। তেওঁ সেই দহ হেজাৰ টকাৰে ১৯২১ চনৰ স্বাধীনতা সংগ্ৰামত যোগদান কৰি কাৰাবৰণ কৰা ডিক্ৰুদৰ বাগিছাৰ মজদুৰ অৰ্জুন ঘাটোৱাৰৰ নামত "অৰ্জুন ঘাটোৱাৰ স্মৃতি ট্ৰাষ্ট বোৰ্ড" প্ৰতিষ্ঠা কৰি চাহ বাগিছাৰ মেধাবী ছাত্ৰ ছাত্ৰীৰ নামত সেই টকা খৰচ কৰিবলৈ নিৰ্দ্দেশ দিছে। তাৰ বিশ হেজাৰ টকাৰে ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু চন্দ্ৰনাথ শৰ্মা ন্যাস প্ৰতিষ্ঠা কৰি, ত্যাগবীৰ স্মৃতিগ্ৰন্থ ইতিমধ্যে প্ৰকাশ কৰিছে আৰু চন্দ্ৰনাথ শৰ্মা স্মৃতি গ্ৰন্থও প্ৰকাশৰ পথত।

মহেন্দ্ৰ মোহন চৌধুৰীদেৱে সংগঠককৰ্মী অমিয় কুমাৰ দাসক অসমৰ 'বিশ্বকোষ (Encyclopedia) বুলি দিয়া আখ্যা সাৰ্থক আছিল।

ৰাজনৈতিক জীৱন

সমাজৰ আন আন গঠনমূলক দিশত তেওঁৰ যিমান বৰঙণি আছে, ৰাজনৈতিক ক্ষেত্ৰত আছে তাতোকৈ অধিক। স্বাধীনতা সংগ্ৰামৰ তেওঁ আছিল অগ্ৰগণী যুঁজাৰু। অসম কংগ্ৰেছ আৰু অমিয় কুমাৰ—দুটা যেন অভিন্ন আত্মা। তেওঁ প্ৰায় ছয় দশকৰো অধিককাল কংগ্ৰেছ কৰ্মী আৰু নেতা হিচাবে অসমৰ ৰাজনৈতিক জীৱনৰ সৈতে ওতপ্ৰোতভাবে জড়িত আছিল। স্বাধীনতা স গ্ৰামৰ প্ৰত্যেকটো আন্দোলনতে অমিয়কুমাৰে সক্ৰিয় অংশ গ্ৰহণ কৰি আন্দোলনত নেতৃত্ব দিছিল।

ভাৰতীয়ৰ যি স্বাধীনতা স গ্ৰাম, সেই সংগ্ৰাম আছিল সাম্ৰাজ্য বাদী বৃটিছ চৰকাৰৰ বিৰুদ্ধে। এসময়ত এই বৃটিছ সকল ভাৰতলৈ আহিছিল বেপাৰীৰ সাজেৰে। শেষত যেনিবা তেওঁলোকেই গোজৰ পৰা গছ হৈছিল। এখন এখনকৈ ভাৰতৰ কেওখন প্ৰদেশেই ইংৰাজে নিজৰ অধীনলৈ নিছিল। সেইদৰে ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চুক্তিমৰ্মে অসমো ইংৰাজৰ তললৈ গৈছিল। অসমৰ সৈতে তেওঁলোকৰ চুক্তি আছিল যে, অসমৰ শান্তি শৃংখলা ঘূৰি আহিলে তেওঁলোক আঁতৰি যাব। কিন্তু ইংৰাজে এই চুক্তি সম্পূৰ্ণ ভংগ কৰিছিল। অসমীয়া প্ৰজাই অসমৰ পৰা দুনাই আৰু ইংৰাজসকলক উভতি নেযাব যেন ভাবি,—ইংৰাজসকলৰ বিৰুদ্ধে থিয় হৈছিল। পিয়লি বৰফুকন, জীউৰাম দুলিয়া বৰুৱা, মণিৰাম দেৱান বীৰ মাতৃৰ এই বীৰসন্তান কেইগৰাকীয়ে অসমৰ স্বাধীনতাৰ হকে উঠি-পৰি লাগিছিল। অসমৰ স্বাধীনতাৰ হকে এনেকৈ আগবঢ়ুৱা হৈ অহাৰ বাবে যিদিনা এই পিয়লিহঁতক অতি

নিষ্ঠুৰভাৱে ই:ৰাজে ক াচি কাঠত তুলিছিল সেইদিনাৰে পৰা যেন অসমীয়াৰ মাজত এক বিৰাট ৰাজনৈতিক জাগৰণ আহিছিল।

চাওঁতে চাওঁতে অসমৰ ৰাজনৈতিক ইতিহাসত স্মৰণীয় দুটা শক্তিশালী ৰাজনৈতিক দল অসমত এদিন গঠিত হৈছিল। 'অসম ছাত্ৰ সম্মিলন আৰু আনটো হৈছে অসম এছোচিয়েশ্যন।' ১৯০৩ চনৰে পৰা ১৯২১ চনলৈকে এই অনুষ্ঠানকে ৰাজনীতিৰ যাইকেন্দ্ৰ-ৰূপে পৰিগণিত কৰা হৈছিল। 'অসম এছোচিয়েশ্যন' স গঠন কৰিছিল যাইকৈ মানিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা আৰু জগন্নাথ বৰুৱাই। ১৮৮৫ চনত সংগঠন হোৱা ক গ্ৰেছে ৰাইজলৈ যি গোহাৰি আগবঢ়াইছিল, এই 'অসম এছোছিয়েশ্যনে তাকেই গ্ৰহণ কৰিছিল। 'অসম ছাত্ৰ সম্মিলন গঠিত হৈছিল ১৯১৬ চনত। তেতিয়াৰ এই ছাত্ৰ সম্মিলনৰ প্ৰধান কৰ্ম কৰ্তা আছিল লোকনায়ক অমিয়কুমাৰ দাস ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা পদ্মধৰ চলিহা আৰু এই সম্মিলনক জাতীয়তাৰ প্ৰেৰণা যোগাইছিল যাইকৈ আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়, ডা° ভাণ্ডাৰকাৰ, নবীন বৰদলৈ তৰুণৰাম ফুকন আদিয়ে।

১৯১৯ চনত চৰকাৰে ৰাওলাট আইন ঘোষণা কৰাৰ পিছৰে পৰা দেশত যেন বিদ্ৰোহৰ বনজুইহে জ্বলিছিল। সেই সময়তে মহাত্মা গান্ধীয়েও ৰাজনৈতিক জীৱনলৈ পদাৰ্পণ কৰিছিল। ১৯১৯ চনত লালা লাজপৎ ৰায়ৰ সভাপতিত্বত বহা ভাৰতীয় জাতীয় ক:গ্ৰেছে মহাত্মাৰ নেতৃত্বত অসহযোগ আন্দোলন চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্ত ১৯২ চনত বহা নাগপুৰ অধিবেশনত গৃহীত হৈছিল। ভাৰতৰ আন আন প্ৰদেশৰ দৰে, লগে লগে অসমেও এই আন্দোলনত জপিয়াই পৰিছিল। এনে এটা সময়তে 'অসম এছোছিয়েশ্যন' ভাঙি, ১৯২১ চনৰ জুন মাহত ইয়াক বৃহৎ জাতীয়তাৰ স্বাৰ্থত 'অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী' লৈ ৰূপান্তৰিত কৰা হৈছিল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে, ১৯১৯ চনতে ছাত্ৰ সন্মিলনৰ পৰা অমিয়কুমাৰে দেশৰ ছাত্ৰ শক্তিক আত্মনিৰ্ভৰশীল আৰু প্ৰচাৰ কাৰ্যত লিপ্ত থাকিবলৈ আহ্বান জনাইছিল।

১৯২১ চন পৰাৰ লগে লগে অসহযোগ আন্দোলনৰ সূচনা হৈছিল। ১৯২০ চনত হোৱা খিলাফৎ আন্দোলনেও এই আন্দোলনৰ লগতে একত্ৰিত হৈছিল। এই আন্দোলনত ঘাইকৈ গঠন মূলক দিশটোতহে জোৰ দিয়া হৈছিল। বিলাতীবস্ত্ৰ ত্যাগ আৰু স্বদেশী বস্ত্ৰ ব্যৱহাৰৰ প্ৰতি দেশৰ মানুহৰ অনুৰাগ বঢ়োৱাটোৱে আছিল আন্দোলনৰ প্ৰধান লক্ষ্য। অসমৰ প্ৰত্যেকখন জিলাই এই আন্দোলনলৈ সঁহাৰি জনাইছিল, আনকি বহুতো উকিলে নিজৰ ওকালতি ব্যৱসায় পৰিত্যাগ কৰি আন্দোলনৰ কামত লাগিছিল। ওকালতি বন্ধ কৰি অসহযোগ আন্দোলনত ব্ৰতী হোৱা সকলৰ ভিতৰত আছিল নবীন বৰদলৈ গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ৰোহিণী চৌধুৰী, যোগেন্দ্ৰনাথ বৰুৱা চন্দ্ৰনাথ শৰ্মা অক্ষয়কুমাৰ দাস আদিয়ে প্ৰধান।

এই আন্দোলনৰ সময়ত অমিয়কুমাৰ আছিল কলিকতা বিশ্ববিদ্যালয়ৰ আইন কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। এনে সময়তে তেওঁ যেতিয়া অসহযোগৰ আহ্বান পাইছিল, এই আহ্বানত তেওঁ উতলা হৈছিল আৰু তেতিয়াই কলেজ বাদ দি আন্দোলনত সোমাই পৰিছিল।

তেওঁ কলিকতাৰ পৰা অসমলৈ উভতি আহি, "গান্ধী ভলেণ্টিয়া"ৰ হৈছিল আৰু গাঁৱে ভুঁঞে সোমাই মহাত্মাৰ অসহযোগৰ বাণীবোৰ ৰাইজৰ মাজত প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল। বিশেষকৈ তেওঁ তেজপুৰীয়া ৰাইজৰ মাজতহে এই সংগঠনত লাগিছিল। ৰাইজৰ মাজলৈ এই প্ৰচাৰকাম কৰিবলৈ যাওঁতে তেওঁ অনেক বিপদ বিঘিনি আৰু দুখ-কষ্টৰ সন্মুখীন হবলগীয়াও হৈছিল। তেওঁৰ সজ উপদেশবোৰত গাঁৱৰ মানুহ সহজতে মুগ্ধ হৈছিল আৰু বিবোৰ

মানুহে মদ ভাং কানি আদি খাইছিল সেইবোৰ মানুহে অমিয়কুমাৰৰ এবাৰ কথাত বাগিয়াল বস্তু চুনাই নেখাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। অমিয়কুমাৰে এবাৰ কথা লিখিছে—"বছৰেকত এহেজাৰ আঠশ মোনকৈ বিক্ৰী হোৱা কানিৰ পৰিমাণ ১৯২১ চনত প্ৰায় আধাখিনি কমি গ'ল।" ১৯২১ চনৰ আগষ্ট মাহত মহাত্মাই মৌলানা মহম্মদ আলী আৰু যমুনালাল বাজাজৰ সৈতে অসম ভ্ৰমণলৈ আহি অসমৰ ভলন্টিয়াৰসকলৰ এনে প্ৰচাৰ কাযত অতিকৈ মুগ্ধ হৈ গৈছিল। বিলাতী কাপোৰৰ অগ্নিকুণ্ড আৰু সেই অগ্নিকুণ্ডৰ জুই পিচদিনা পুৱালৈকে জ্বলি থকা মহাত্মাই নিজেই দেখি গৈছিল। ভাৰতৰ আন আন প্ৰদেশৰ দৰে এই ১৯২১ৰ আন্দোলনত বৃটিছ চৰকাৰে অসমৰো ভালেমান ভলন্টিয়াৰক জেল জৰিমনা বিহিছিল।

১৯২২ চনৰ পৰা ১৯২৯ চনলৈকে আন্দোলন নীৰৱে নীৰৱে আগবাঢ়িছিল। এইখিনি সময়তে খদ্দৰৰ উৎপাদনত আৰু প্ৰচলনত অতি জোৰ দিয়া হৈছিল। এইখিনি সময়ৰ ভিতৰতে, তেওঁক এখন গেলামালৰ দোকান আৰম্ভ কৰা দেখা গৈছিল।

১৯২৬ চনত অসমৰ পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনৰ যো জা চলিছিল। সেই অধিবেশনৰ সভাপতি আছিল শ্ৰীনিবাস আয়েঙ্গাৰ। অভ্যৰ্থনা সমিতিৰ সভাপতি তৰুণ ৰাম ফুকণ, সহকাৰী সভাপতি কুলধৰ চলিহা, চন্দ্ৰধৰ বৰুৱা, প্ৰধান সম্পাদক নবীন চন্দ্ৰ বৰদলৈ, সহকাৰী প্ৰধান সম্পাদক ৰোহিনী কান্ত হাতীবৰুৱা, গোপীনাথ বৰদলৈ, এম তৈয়বুল্লা আদিৰ সৈতে অতিথি শুশ্ৰূষাত অমিয়কুমাৰে আগভাগ লৈছিল। এই সময়তে 'সাপ্তাহিক অসমীয়া' কাকতৰ সম্পাদনাৰ গুৰুভাৰ তেওঁৰ ওপৰতে আছিল। সেই গোটেই কেইদিন তেওঁ কেম্পৰ ভিতৰতে আছিল আৰু কেম্পৰ ভিতৰতে সাপ্তাহিক 'অসমীয়া' বিক্ৰী কৰিবলৈও লৈছিল।

১৯২৯ চনত লাহোৰত কংগ্ৰেছ অধিবেশনৰ প্ৰস্তুতি চলিছিল।

এই অধিবেশনৰ সভাপতি আছিল নেহৰু। এই অধিবেশনৰ গুৰুত্ব আছিল যে, ইয়াতে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। বৃটিছ চৰকাৰে এই দাবী মানি নললে, অহিংসা আন্দোলন চলাই যাবলৈকেও অধিবেশনে সিদ্ধান্ত লৈছিল।

১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখটো স্বাধীনতা দিবস হিচাবে পালন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। সকলো কংগ্ৰেছীয়ে কংগ্ৰেছ পতাকাৰ তলত অহিংসা আন্দোলন চলাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। এই আন্দোলনত, খদ্দৰৰ প্ৰসাৰ গৃহশিল্প, মাতৃভাষাৰ উন্নতি সাধন আদিত কাযসূচী গ্ৰহণ কৰা হৈছিল। ১৯২১ চনৰ দৰেই ১৯৩০ চনৰ এই আন্দোলনো অধিক শক্তিশালী আছিল। এই সময়তে ডি পি আই কানিংহামে ছাত্ৰ সকলক আন্দোলনৰ পৰা বিৰত থাকিব লাগিব বুলি চাকুলাৰ দিছিল যদিও কটন কলেজৰ গৰমৰ বন্ধ খোলাৰ পিছতে ছাত্ৰসকলে আন্দোলনত যোগদান কৰি আন্দোলন শক্তিশালী কৰিছিল।

১৯৩০ চনৰ এই আন্দোলনত অসমত বিশেষকৈ দু সাহসীকতাৰে নেতৃত্ব দিছিল প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়া অমিয়কুমাৰ দাস আৰু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাইহে। এই চনতে গুৱাহাটীৰ হৰিসভা মন্দিৰত বহা 'অসম ছাত্ৰ সন্মিলনৰ সভাপতি নিৰ্বাচিত হৈ অমিয়কুমাৰে কৈছিল "কানিংহাম চাহাব বৃটিছ সাম্ৰাজ্যবাদৰ পুতলা। তেওঁৰ বিৰুদ্ধে ছাত্ৰৰ সংগ্ৰাম নহয়। ছাত্ৰসকলৰ সংগ্ৰাম হব লাগিব বৃটিছ সাম্ৰাজ্যবাদক ভাৰতবৰ্ষৰ পৰা আঁতৰাবৰ কাৰণে। যেতিয়ালৈকে ভাৰতবৰ্ষৰপৰা বৃটিছ সাম্ৰাজ্যবাদৰ উচ্ছেদ সাধন নহয়, তেতিয়ালৈকে এক কানিংহাম নহয় হেজাৰ হেজাৰ কানিংহামৰ সৃষ্টি হব। গতিকে ছাত্ৰসকলৰ মুল মন্ত্ৰ হব লাগিব সাম্ৰাজ্যবাদৰ সম্পূৰ্ণ উচ্ছেদ সাধন।

মহাত্মাই লোণ-আইন অমান্য অন্দোলন আৰম্ভ কৰিছিল

১৯৩০ চনতে। আশ্ৰমৰ পৰা ছুশ মাইল দূৰৰ দাণ্ডিলৈকে মহাত্মাই যাত্ৰা কৰিছিল। যাত্ৰাৰ ২৩ দিনৰ পিছত ৫ এপ্ৰিলত তেওঁলোকে দাণ্ডি পাইছিল। দাণ্ডি পোৱাৰ কেইদিনমানৰ পিছত মহাত্মাক গ্ৰেপ্তাৰ কৰিছিল।

মহাত্মা গ্ৰেপ্তাৰ হোৱাৰ পিছত আকৌ সংগ্ৰামৰ সূচনা হৈছিল। এই সময়ত অসমত অমিয় কুমাৰে লোৱা ভূমিকা সম্পৰ্কে আভাস দি শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীদেৱে লিখিছে—"অসম ছাত্ৰ সম্মিলনৰ সভা বহিছিল জুলাই মাহত। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ পিচত আৰু সমগ্ৰ ভাৰতবৰ্ষ জুৰি অবাধে সত্যাগ্ৰহী সকলক বন্দী কৰিবৰ কাৰণে বৃটিছ চৰকাৰে কৰ্মপন্থা গ্ৰহণ কৰা মুহূৰ্ত্তত অমিয় বাবুৱে সভাপতিৰ আসনৰ পৰা বক্তৃতা দিওঁতে সেই আপদীয়া কানিংহাম চাকুলাৰখনক গৌণ স্থান দি পূৰ্ণ স্বাধীনতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। সভাপতি হিচাপে স্বৰ্গীয় দাসৰ উদ্দাম আহ্বানত ছাত্ৰৰ অন্তৰত এটা নতুন প্ৰেৰণা জাগিছিল আৰু স্বাধীনতা সংগ্ৰামত যোগ দিবৰ কাৰণে তীব্ৰ আকাঙ্ক্ষা প্ৰকাশ কৰিছিল।"

১৯৩০ চনৰ এই ছাত্ৰ আন্দোলন যিয়ে প্ৰধান ভূমিকা লৈ নিৰ্ভীক নেতৃত্ব দিছিল—তেৱেঁ আছিল অমিয় কুমাৰ দাস। '৩০ ৰ আন্দোলনত যিবোৰ প্ৰচাৰ পত্ৰিকা লিখো কৰি গুৱাহাটীৰপৰা বিভিন্ন ঠাইলৈ পঠোৱা হৈছিল, সেই সকলোবোৰ অমিয় কুমাৰ দাস আৰু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱায়ে কৰিছিল।

অমিয়কুমাৰৰ প্ৰচাৰ পত্ৰিকাৰ লিখো মৰা পদ্ধতি মহাত্মাই নিজেই দেখিছিল আৰু সেই পদ্ধতিক তেওঁ অতিকৈ প্ৰশংসাও কৰিছিল। অকল সেয়ে নহয়, অসমৰ প্ৰচাৰ পত্ৰিকাবোৰৰ অনুকৰণৰে গুজৰাটৰ প্ৰচাৰ পত্ৰিকাবোৰো লিখো মাৰিবলৈ মহাত্মাই দেৱদাস গান্ধীক কৈছিল। গুজৰাটী ভাষাত এই লিখো মৰা পদ্ধতি দেৱদাস গান্ধীক অমিয় কুমাৰেই শিকাইছিল।

এই আন্দোলনত লিপ্ত থকাৰ অপৰাধত ডালেমানলোকৰ জেল-জৰিমনাও হৈছিল। অমিয় কুমাৰকো এই আন্দোলনত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ৬ মাহলৈকে জেলত ৰাখিছিল।

১৯৩১ চনত গান্ধী আৰউইন চুক্তি হোৱাত বহুতো বন্দীক মুকলি কৰি দিয়া হৈছিল। ১৯৩১ চনত মহাত্মা গান্ধী ২য় মেজমেলৰ পৰা উভতি আহোতে বোম্বাইত ১৯৩২ চনৰ ৪ জানুৱাৰী তাৰিখে তেওঁক যেতিয়া গ্ৰেপ্তাৰ কৰিছিল, তেতিয়াৰে পৰা ভাৰতত আকৌ আন্দোলনৰ দাবানল দাও দাও কৈ জ্বলিছিল। ১৯৩২ চনৰ ১৩ এপ্ৰিল দিনটো জালিয়ানৱালাবাগ দিন হিচাবে পালন কৰিবলৈ প্ৰস্তুতি চলিছিল। এই দিনটোৰ কথা উল্লেখ কৰি মহেন্দ্ৰ মোহন চৌধুৰীডাঙৰীয়াই লিখিছে—"১৩ এপ্ৰিল ১৯৩২ চন বাতিপুৱা পতাকা উত্তোলনৰ আয়োজন হ ল। আমি সকলোৱে সমদলেৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীবিষ্ণুৰাম মেধিদেৱক আদৰি আগবঢ়াই আনিছিলোঁ। আমাৰ সমদলটো তাত উপস্থিত হোৱাত দেখিলো পুলিচৰ বিৰাট সমাবেশ। লগতে ডেপুটি কমিচনাৰ মি প্ৰিচাৰ্ড, কমিচনাৰ মিঃ বেণ্টিঙ্ক আৰু পুলিচ চাহাব। আমি গৈ পোৱাৰ লগে লগে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আহি আমাৰ লগত চামিল হৈছিল। ঠিক বাতিপুৱা ৮ বজাত পতাকা উত্তোলন উৎসৱ আৰম্ভ হৈছিল। উৎসৱ আৰম্ভ হোৱাৰ লগে লগে আমাক আটাইবিলাককে পুলিচে আগুৰি ধৰিলে আৰু ডেপুটি কমিচনাৰে ১৪৪ ধাৰা জাৰি কৰি আমাক আঁতৰি যাবলৈ নিৰ্দেশ জাৰি কৰিছিল। আমি কোনেও এখোজ লৰচৰ নকৰি পতাকা উত্তোলন উৎসৱ আনুষ্ঠানিকভাৱে চলাই যোৱাত আমাক আটাইবিলাককে গ্ৰেপ্তাৰ কৰি জেললৈ লৈ গ'ল।" কৰ্মবীৰ বৰদলৈ, শ্ৰীবিষ্ণু মেধি, সিদ্ধি শৰ্মা, ডা ভুৱনেশ্বৰ বৰুৱা, ত্যাগবীৰ বৰুৱা আৰু অমিয় কুমাৰ দাসকে ধৰি প্ৰায় ৩০ জন কৰ্মীক সেইদিনা গ্ৰেপ্তাৰ কৰা হৈছিল।

১৯৩৩ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনলৈ নিষেধাজ্ঞা

ঘোষণা কৰা সত্বেও তাত যোগদান কৰিবলৈ যোৱাৰ অপৰাধত অমিয়কুমাৰ দাস, বিষ্ণুৰাম মেধি আদি কৰি কেইবাজনকো পাৰ্বতীপুৰত গ্ৰেপ্তাৰ কৰি দিনাজপুৰ জেলত ৰাখিছিল।

১৯৩৪ চনত স্বাধীনতাৰ আন্দোলন কিছু পৰিমাণে সাম কাটিছিল। ১৯৩৫ চনত কংগ্ৰেছৰ সোণালী জয়ন্তী উদযাপিত হৈছিল। এই চনতে নতুন ভাৰতীয় সংবিধান পাৰ্লামেণ্টত গৃহীত হৈছিল।

১৯৩৭ চনত (Govt of India Act 1935) কংগ্ৰেছ দলে সাধাৰণ নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰিব লগীয়া হৈছিল। এই নিৰ্ব্বাচনলৈ কংগ্ৰেছে অমিয় কুমাৰ দাসকো প্ৰাৰ্থী থিয় কৰাইছিল। অধিক সংখ্যক ভোটত এই নিৰ্ব্বাচনত তেওঁ জয়লাভ কৰিছিল।

১৯৪০ চনত মহাত্মা গান্ধীয়ে অহিংসা সংগ্ৰামৰ কাৰণে নতুন আঁচনি আগবঢ়াইছিল। দ্বিতীয় মহাসমৰে সৃষ্টি কৰা পৰিস্থিতিত কংগ্ৰেছে আইন সভাৰ কাৰ্যসূচী পৰিহাৰ কৰি ব্যক্তিগত সত্যাগ্ৰহত যোগদান দিছিল। অসমেও এই আন্দোলনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি ৰাইজৰ মাজত প্ৰচাৰ কৰিছিল যে বৃটিছৰ এই যুদ্ধ প্ৰচেষ্টাক ধন আৰু জনেৰে সহায় কৰা অন্যায়। সকলো যুদ্ধ অহিংস নীতিৰে প্ৰতিৰোধ কৰাহে শ্ৰেয়। সত্যাগ্ৰহীৰ নাম মহাত্মাই নিজে অনুমোদন কৰিছিল। পণ্ডিত নেহৰু আৰু বিনোবাজীৰ নাম ভাৰতৰ ভিতৰতে প্ৰথমে উল্লেখ আছিল। অসমৰপৰা প্ৰথমে তালিকাত নামভুক্ত হৈছিল অমিয় কুমাৰ দাস, লোকপ্ৰিয় বৰদলৈ, ফকৰুদ্দিন আলি আহমদ সিদ্ধিনাথ শৰ্ম্মা প্ৰভৃতি অসম বিধান সভাৰ সদস্যবৃন্দৰ। এই আন্দোলনতো আকৌ তেওঁ জেললৈকে গৈছিল। এইবাৰৰ জেলতো তেওঁ ৬ মাহ কাল থাকিব লগীয়া হৈছিল। এইদৰে ১৯৪১ চনতো তেওঁ জেলতে কটাইছিল।

১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে মৌলনা আবুল কালাম আজাদক

সভাপতিত্বত হোৱা বোম্বাইৰ গোৱালিয়ৰ টেঙ্ক ময়দানৰ সভাত 'ভাৰত ত্যাগ প্ৰস্তাৱ লোৱা হৈছিল। অসমৰ প্ৰত্যেকখন জিলাৰ মুনিহ তিৰোতাই এই আন্দোলনলৈ সঁহাৰি জনাইছিল। অসমত এই আন্দোলনত নেতৃত্ব দিয়া বাবে গোপীনাথ বৰদলৈ সিদ্ধিনাথ শৰ্মাকে ধৰি আন কেইবাজনকো গ্ৰেপ্তাৰ কৰিছিল। ৪২ৰ এই আন্দোলনৰ সময়ত অমিয় কুমাৰ দাস আৰু ত্যাগবীৰ বৰুৱা ৰোগ শয্যাত আছিল যদিও ৰোগ শয্যাৰ পৰাই তেওঁ লোকে জনতাক উদ্‌গাইছিল। উল্লেখ কৰিব পাৰি যে ৪২ৰ আন্দোলনে আছিল স্বাধীনতাৰ আন্দোলনৰ এটা লেখত লবলগীয়া আন্দোলন। এই আন্দোলনতে অসমৰ ঢেকিয়াজুলি, গহপুৰ আৰু বৰহমপুৰৰ পৰা পুৰুষ মহিলা শহীদ হৈছিল। ই ৰাজৰ গুলী আৰু ফাঁচীত ইয়াৰে কণকলতা বৰুৱা, মুকুন্দৰাম কাকতি, কুশল কোঁৱৰ, ঠগী সুত ভোগেশ্বৰী ফুকননী, বলো সুত, কমলা মিৰি আদিৰ প্ৰাণত্যাগৰ কৰুণ কাহিনীয়ে ই ৰাজৰ বিৰুদ্ধে অসমীয়াৰ সদায়ে শিহৰণ আনিব। এই আন্দোলনতো অমিয় কুমাৰে আকৌ এবাৰ জেললৈ যাবলগীয়া হৈছিল। এইবাৰৰ জেলত তেওঁ দুবছৰ ধৰি বন্দী আছিল। তেওঁৰ পত্নী শ্ৰীযুক্তা পুষ্পলতা দাস ভাঙৰীয়ানীও এই আন্দোলনত জপিয়াই পৰি কাৰাবাস খাটিছিল।

বিধান সভাৰ সদস্য পদত

অসম বিধান সভাৰ সদস্য হিচাবে সমাজত তেওঁ যথেষ্ট খ্যাতি লভিছিল। ক বলে গলে অমিয়কুমাৰ আছিল দুৰ্নীতিমুক্ত ৰাইজৰ এজন প্ৰকৃত নি স্বাৰ্থী প্ৰতিনিধি। বিধান সভাৰ সদস্য হৈ থাকোতে নিজকে ৰাইজৰ এজন সাধাৰণ সেৱক বুলিহে তেওঁ ধৰি লৈছিল। সকলো সময়তে ৰাইজৰ অভাৱ অভিযোগলৈ তেওঁ দৃষ্টি ৰাখিছিল আৰু তাক পূৰণ কৰিবলৈকে যত পৰোনাস্তি চেষ্টা কৰি গৈছিল।

১৯৩৭ চনত তেওঁ কংগ্ৰেছৰ পৰা বিধান সভালৈ নিৰ্বাচিত হৈছিল। এই নিৰ্বাচনত বিপক্ষ অধিক শক্তিশালী থকা সত্বেও অধিক ভোটত তেওঁ জয়লাভ কৰিবলৈ সমৰ্থ হৈছিল। এই নিৰ্বাচনতে ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাদেৱৰো নাম প্ৰস্তাৱ হৈছিল যদিও, শেষত অমিয়কুমাৰ দাস ডাঙৰীয়াহে প্ৰতিদ্বন্দ্বী হৈছিল। জয়ী হোৱাৰ পিছত তেওঁক দলপতি হবলৈকে কোৱা হৈছিল। কিন্তু দলপতি হবলৈকে নিজেহে তেওঁ মান্তি হোৱা নাছিল। গ্ৰুপিঙৰ দৰে অসমৰ সৰ্বনাশী প্ৰস্তাৱৰ সময়তো তেওঁ নিজৰ বিশেষ কৃতিত্ব দেখুৱাব পাৰিছিল।

১৯৪৬ চনৰ সাধাৰণ নিৰ্ব্বাচনত তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছিল। এইদৰে তেওঁ অসমৰ বিধান সভাৰ সদস্য হিচাবে একেৰাহে ১৯৬২ চনলৈকে কাৰ্যনিৰ্ব্বাহ কৰিব লগীয়া হৈছিল।

১৯৬৭ চনৰ নিৰ্বাচনতো সেই পদ দাস ডাঙৰীয়াকে যচা হৈছিল। কিন্তু পুনৰাই তেওঁ তেনে কোনো বিষয়ৰ বাব লৈ থাকিবলৈ ইচ্ছা প্ৰকাশ নকৰাত সেই সমষ্টিৰ পৰা তেওঁৰ পত্নী শ্ৰীযুক্তা পুষ্পলতা দাস ডাঙৰীয়ানীকে নিৰ্বাচিত কৰা হৈছিল।



জেনেভাত বহা আর্ন্তজাতিক বনুৱা সম্মিলনত ভাৰতীয় বনুৱা সংস্থাৰ দলপতি হিছাপে ভাষণ দিয়া মুহূৰ্তত।

অমিয় কুমাৰ দাস ভাৰতীয় আন্তৰ্জাতিক বনুৱা সন্মিলনলৈ যাওঁতে লণ্ডনৰ বনুৱা নেতাসকলৰপৰা বিদায় লোৱাৰ সময়ত।

দিল্লীত বহা গণ-পৰিষদৰ অধিবেশণৰ পৰা উভতি আহি বৰঝাৰত নমা মুহূৰ্ত্তত : সোঁফালৰ ওপৰৰ পৰা (১) ৰোহিনী কুমাৰ চৌধুৰী (২) গোপীনাথ বৰদলৈ (৩) অমিয় কুমাৰ দাস। তেওলোকৰ তলৰ শাৰীত থকা দুগৰাকী সোঁপিনে শ্ৰীধৰণীধৰ বসুমতাৰী আৰু নিকলছ ৰয়। (এই বিমানখনে এখেতসকলক নমাই গৈয়েই নীলাচল পাহাৰত (কামাখ্যাৰ ওপৰত) দুভাগ্যবশত দুৰ্ঘটনাত ভূ-পতিত হয়।)

আগৰ শাৰীত বহি সোঁফালৰ পৰা অমিয় কুমাৰ দাস পুষ্পলতা দাস আৰু তেওঁৰ কোলাত নাতিনী শ্ৰীমতী মিতা ইন্দু প্ৰভা বৰুৱা। থিয় হৈ সোঁফালৰ পৰা শ্ৰীশশাঙ্ক কুমাৰ দত্ত শ্ৰীমতী শ্ৰীজাতা হাজৰিকা গীতিমা ভূঞা গৰিমা হাজৰিকা, তেওঁৰ কোলাত অভিজিৎ হাজৰিকা। গায়ত্ৰী হাজৰিকা কল্পিতা দুৱৰা নন্দিনী দত্ত কৃষ্ণমূৰ্ত্তি হাজৰিকা মাজৰ শাৰীত সোঁফালৰ পৰা শ্ৰীজয়দীপ ভূঞা পৰশ্ৰীভূঞা সুকন্যা দুৱৰা শ্বাশ্বতী হাজৰিকা সুনন্দনা দুৱৰা।

১৯৪৬ চনৰ পৰা ১৯৫৭ চনলৈকে তেওঁ মন্ত্ৰী হিচাবে দপ্তৰ চলাব লগীয়া হৈছিল। দলৰ খাম-খিয়ালিৰ কাৰণে পিছৰবাৰ যেথি মন্ত্ৰীসভাত সোমাবলৈ তেওঁ প্ৰথম অৱস্থাত অনিচ্ছা প্ৰকাশ কৰিছিল। তেওঁ মেধিদেৱতাওবীয়ালৈ লিখিছিল যে, তেওঁক মন্ত্ৰীপদত লব নেলাগে। উভয়দলবে (সেই সময়ত কংগ্ৰেছ বিধায়িনী দল দুটা ভাগত বিভক্ত হৈছিল) মানুহ লৈ মন্ত্ৰীসভা গঠন কৰক আৰু মিলিজুলি কাম কৰিবলৈ যত্ন কৰক।

১৯৪৬ চনত তেওঁ বৰদলৈ মন্ত্ৰীসভাত কৃষি আৰু যোগান মন্ত্ৰী ১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈকে মেধি মন্ত্ৰীসভাৰ শিক্ষা দপ্তৰৰ মন্ত্ৰী আছিল। তাৰ মাজতে তেওঁৰ ওপৰত শ্ৰম দপ্তৰো ভাৰ পৰিছিল।

মন্ত্ৰী হিচাবে অমিয়কুমাৰ দাস ডাঙৰীয়াৰ বিশেষ কাৰ্যদক্ষতা আৰু বিচক্ষণতা লক্ষ্য কৰা যায়। তেওঁ আছিল স্পষ্টবাদী আৰু নিৰ্ভীক। শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীডাঙৰীয়াৰ ভাষাত—"প্ৰশাসক হিচাপে তেখেতে যথেষ্ট সুনাম অৰ্জন কৰিব নোৱাৰিলেও তেখেত কেতিয়াও সৎপথৰ পৰা বিচলিত হোৱা নাছিল। দুৰ্নীতি, ব্যভিচাৰপূৰ্ণ আজিৰ সমাজত সদ্‌নাম ৰক্ষা কৰি মন্ত্ৰীৰ চলোৱা ভাৰতীয় মুষ্টিমেয় লোকৰ ভিতৰত তেখেত এগৰাকী আছিল। বিধান সভাত যেতিয়া মন্ত্ৰীত্বৰ গাদীত আছিল, তেখেতে সদনৰ পৰা কোনো কথা লুকাই নেৰাখিছিল—যিটো সচৰাচৰ মন্ত্ৰীসকলে কৰে। তাৰ বাবে তেখেত মাজে সময়ে বিধান সভাত বৰ বিমোৰত পৰা দৃশ্যও আমি দেখিছিলোঁ। যিয়েই নহওক তেখেতে জীৱনত কেতিয়াও সত্যৰপৰা আঁতৰি নগৈছিল।"

শ্ৰমমন্ত্ৰী হৈ থকাৰ কালতে তেওঁ বছৰাৰ নেতা হিচাবে জেনেভাত বহা আন্তঃৰাষ্ট্ৰীয় শ্ৰম সম্মিলনলৈ ভাৰতীয় দলৰ দলপতি হিচাবে প্ৰতিনিধিত্ব কৰি সেই অধিবেশনলৈ গৈছিল।

মন্ত্ৰী হিচাবে অমিয়কুমাৰ দাসৰ আদৰ্শ সম্পৰ্কে অমিয় কুমাৰৰ

প্ৰিয় কৰ্মী এজনে এইদৰে লিখিছে,—"১৯৫২ চনৰ সাধাৰণ নিৰ্ব্বাচনত ঢেকিয়াজুলি সমষ্টিত তেখেত প্ৰাৰ্থী আছিল। এখন জনজাতীয় গাৱত থকা এম ই স্কুলত নিৰ্ব্বাচনী সভা হৈছে। বাইজে সেই স্কুলখনৰ মঞ্জুৰী বিচাৰিছে। অমিয় দাদাই দৃঢ়মনেৰে ক'লে—'মোৰ সমষ্টি হলেও শিক্ষামন্ত্ৰী হিচাপে এই স্কুলে চৰকাৰৰ নিয়মমতে যেতিয়ালৈকে মঞ্জুৰী পোৱাৰ উপযুক্ত নহয় তেতিয়ালৈকে মই এই স্কুলক মঞ্জুৰী দিবলৈ কৰ নোৱাৰো। কিন্তু বাইজে অমিয় দাদাক ভোট দিলে।"

বৰ্ত্তমান সময়ত 'চাহ মজদুৰ ভবিষ্য নিধি ৰ বিৰাট সাফল্য আৰু প্ৰসাৰতা দেখা যায়। "চাহ মজদুৰ ভবিষ্য নিধি' এদিন এই অমিয় কুমাৰেই প্ৰতিষ্ঠা কৰিছিল।

১৯৫৫ চনত তেওঁ শ্ৰমমন্ত্ৰী থকা কালত চাহ মজদুৰসকলৰ অৰ্থনৈতিক নিৰাপত্তালৈকে চিন্তা কৰি মজদুৰ সকলৰ মাজত এই 'চাহ মজদুৰ ভবিষ্য নিধি আইন প্ৰণয়ন কৰিছিল। উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষৰ ভিতৰতে তথা এছিয়াৰ ভিতৰতে এই আঁচনিত অসমকে সৰ্ব অগ্ৰগণী বুলি কোৱা হয়। এই আঁচনিৰ প্ৰতি তেওঁ এনেধৰণে গুৰুত্ব দিছিল যে কেন্দ্ৰীয় চৰকাৰে এই আঁচনি অনুমোদন নকৰো বোলাত, নিজৰ মন্ত্ৰীত্বৰ গাদীয়ে এৰিবলৈ তেওঁ দৃঢ়সংকল্প হৈছিল।

কাৰাগাৰৰ জীৱন

১৯২১, '৩০ '৩২, '৩৩, '৪০ আৰু '৪২ ৰ আন্দোলনত সক্ৰিয় সহযোগিতা কৰা বাবে অসমৰ আন আন নেতাৰে সৈতে অমিয় কুমাৰেও জেললৈ যাবলগীয়া হৈছিল। বিশেষকৈ তেওঁ ৩০ ৰ আন্দোলনত ৬ মাহ, ৪০ ৰ আন্দোলনত ৬ মাহ ৪২ ৰ আন্দোলনত ২ বছৰ ধৰি কাৰাগাৰৰ জীৱন কটাব লগীয়া হৈছিল।

মহাত্মা গান্ধী, নেহৰু, অসমৰ নবীন বৰদলৈ, তৰুণ ফুকন, বিষ্ণুৰাম মেধি আদিয়ে যেনেকৈ জেলৰ নিয়ম নীতি মানি জেলৰ শৃঙ্খলতা অটুট ৰাখিছিল, তেনেকৈ অমিয় কুমাৰ দাস, তেওঁৰ বন্ধু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাইও জেলৰ অনুশাসন মানি চলিছিল। কিন্তু জেইলাৰক যেতিয়া বন্দী সকলৰ ওপৰত বেয়া ব্যৱহাৰ বা বেয়া চিন্তা কৰা দেখে, তেতিয়া জেইলাৰৰ সেই কথাৰ বিৰোধিতা কৰিবলৈ অমিয় কুমাৰৰ বেছি সময়ো নেলাগিছিল। জেলত থাকোতে তেওঁ মহাত্মাৰ নিৰ্দ্দেশ মানিছিল আৰু জেলৰ ভিতৰত নিয়মীয়াকৈ খদ্দৰ কাটিবলৈ লৈছিল। জেলত থাকোতে বেছিভাগ সময় তেওঁ মৌনভাৱেই থাকিব লগীয়া হৈছিল, আৰু সেই সময় তেওঁ সূতা কাটিয়ে সময় কটাইছিল।

জেলত থাকোঁতেও নিয়মীয়াকৈ তেও ডায়েৰী লিখিছিল। ডায়েৰীত আন কথাই ঠাই পালে, কৰ্তৃপক্ষই ডায়েৰীৰ সেই পাত বোৰ নষ্ট কৰাৰ ভয়ত জেল ডায়েৰী বোৰত কিছুমান সাধাৰণ কথা আৰু তেওঁ পঢ়া কিতাপৰ টোকাবোৰহে লিখিবলৈ আৰম্ভ কৰিছিল।

জেলত থাকিলেও সদায়ে তেওঁ আন বন্ধু-বান্ধৱৰ উপৰিও,

মহাত্মাৰ স্বাস্থ্যৰ খবৰ ৰাখিছিল আৰু মহাত্মাই ভাৰতবাসীলৈ কি নির্দেশ দিয়ে তাৰো খবৰ ৰাখিছিল।

জেলত থাকোতে নেহৰুজীৰ দৰে অমিয় কুমাৰেও কিতাপ লিখিবলৈ আৰম্ভ কৰিছিল। "মোৰ সত্য অন্বেষণৰ কাহিনী" তেওঁ জেলত থাকোঁতেই অনুবাদ কৰিছিল।

তেওঁৰ দৰে তেওঁৰ পত্নী পুষ্পলতা দাস ডাঙৰীয়ানীও বহুদিন ধৰি জেলতে কটাইছিল। ৪২ ৰ আন্দোলনত উভয়ে কাৰাবৰণ কৰিবলগীয়া হোৱাৰ কথা আগতে কৈ অহা হৈছে। '৪২ ৰ জেলত থাকোতে পুষ্পলতা দাসৰ হঠাৎ শাৰীৰিক অসুস্থতাই দেখা দিছিল আৰু তাৰ কাৰণে আঢৈ বছৰ জেলত ৰখাৰ পিছত তেওঁক খালাছ দিছিল। কিন্তু পুষ্পলতা দাসে আকৌ জেললৈ উভতি যাবলৈ মহাত্মা গান্ধীলৈ আবেদন কৰিছিল। কিন্তু তেওঁৰ স্বাস্থ্যৰ কাৰণে এবাৰ যাতে খালাছ দিছে পুনৰ আৰু জেললৈ যোৱাটো মহাত্মাই বিচৰা নাছিল।

জেলৰ ভিতৰতে উভয় স্বামী স্ত্রীৰ মাজত চিঠি পত্ৰৰ আদান প্রদান হৈছিল। কিন্তু বহু সময়ত তেওঁলোকৰ সেই চিঠি জেল কর্তৃপক্ষই খুলি চাইছিল আৰু চিঠিবোৰ পঢ়িব নোৱাৰাকৈ চিয়াহীৰে চিঠিৰ আখৰবোৰৰ ওপৰত ডাঙৰকৈ আঁক দিছিল। এনেবোৰ কাৰণতে পিছত তেওঁলোকে নিজে নিজেই চিঠি লিখা বন্ধ কৰিছিল।

অমিয়কুমাৰৰ জেল জীৱনৰ আভাস দি—মহেন্দ্ৰ মোহন চৌধুৰীয়ে লিখিছে,— আমাৰ বহুতৰে সৌভাগ্য হৈছিল যে তেখেতৰ লগত আমি একেলগে জেলত থাকিব পাৰিছিলোঁ আৰু তেখেতৰ সান্নিধ্যলৈ যাব পাৰিছিলোঁ। জেলত যিমানবিলাক ৰাজনৈতিক বন্দী আছিল, তেখেতে আটাইবিলাকৰে খবৰ ৰাখিছিল আৰু সকলোৰে অভাৱ অভিযোগবিলাক নিজৰ চেষ্টা আৰু খৰচেৰে পূৰণ কৰি দিছিল। তেখেত সেই সময়ৰপৰা অবিবাহিত আছিল।"

সাহিত্যিক অমিয়কুমাৰ

অসমীয়া ভাষা সাহিত্যলৈ অমিয়কুমাৰৰ বিশিষ্ট বৰঙণি আছে। লেখত যদিও তেওঁৰ ৰচনাৰ সংখ্যা কম কিন্তু যিখিনি আছে সেই খিনিৰ মূল্য হেমহাৰৰ সদৃশ। অমিয় কুমাৰৰ সাংবাদিকতা ৰাজ নীতি, সামাজিক দিশত যেনেকৈ এক স্বকীয় বৈশিষ্ট্যই ভুমুকি মাৰিছে—সাহিত্যক্ষেত্ৰতো এক নতুন ৰসাস্বাদ উপলব্ধি কৰা যায়। তেওঁৰ কলমে গতানুগতিক ভাবধাৰা আৰু বিষয়বস্তুৰ পৰা আঁতৰি আহি নতুনৰ সন্ধান দিছে। যাইকৈ যিবোৰ খুটি নাটিলৈ আমি মন নকৰো, সমাজৰ যিবোৰ মানুহলৈ সাধাৰণতে আওহেলা কৰা হয়, অমিয়কুমাৰৰ অমিয় কলমত সেইবোৰ চিত্ৰহে আকৌ সোণ যেন হৈ জিলিকি উঠে। সদায় সাহিত্যৰ মাজেৰে সৰ্বসাধাৰণৰ দুখ দৈন্য, হা হুতাশাকে তেওঁ প্ৰকাশ কৰিবলৈ বিচাৰিছিল। তেওঁ সাহিত্য সম্পৰ্কে বৰ আক্ষেপেৰে লিখিছিল,—"সাহিত্যও সেইদৰে ডাঙৰ ডাঙৰ মানুহৰ কথালৈ আৱদ্ধ আছে। প্ৰেম বুলিলে সাহিত্যিকে লিখিব কোনো ধনী মানুহৰ ডেকা, তেও পঢ়িছিল কলেজত, নাইবা আছিল ডাঙৰ চৰকাৰী বিষয়া, মটৰেদি যাওঁতে আন এখন মটৰত দেখা পালে আন এজন ধনী মানুহৰ ছোৱালী—ফুলৰ বা লাগি মুচকহু যোৱা, ড্ৰয়িংৰুমৰ শোভা হাৰমোনিয়ামেৰে সৈতে নাকী সুৰৰ গজল গান গোৱা ইত্যাদি, সাহিত্যিকৰ মনলৈ আহে। তাত দুখীয়া খেতিয়কৰ প্ৰেমৰ কাহিনী পোৱা নাযায়। মুনিহৰ লগত পথাৰত সমানে খোৱণী, ধানদাৱনী ছোৱালী, বিহুৰ বাহে বঁতৰৰ মধুৰ ধ্বনিৰ লগতে সুতা কটাত মগ্ন ছোৱালীৰ অন্তৰৰ কথা তাত একো নাথাকে। ধানদাই অ চৌৱা হলে গাঁৱলীয়া জীৱনৰ আনন্দৰ

নিখুঁত ছবি এখন আমাৰ সাহিত্যত নাপাওঁ। সাধাৰণ মানুহৰ জীৱনৰ মহিমা উপলব্ধি কৰিবলৈ আমি শিকা নাই। আমাৰ চকু যায় বুৰঞ্জীত খ্যাতি লাভ কৰা মুনিহ আৰু তিৰোতাৰ ফালে।

বীৰত্ব বুলিলে নেপোলিয়ান আৰু আলেকজেন্দাৰৰ কথাই মনলৈ আহে। ভৰ বাৰিষা লুইতৰ বানপানীত বেপাৰৰ বাবে বাঁহৰ ভুৰ লৈ অহাটো আমাৰ মনলৈ নাহে।”

তেওঁৰ লিখাৰ ঠাচ আছিল সদায় পোনপটিয়া আৰু বাগাড়ম্বৰহীন। চুটি চুটি বাক্যৰে সাহিত্যৰ তেওঁ মণিকুট সাজে। ভাব আৰু ভাষাৰ কোনো খকা খুন্দা নলগাকৈয়ে অনুবাদ সাহিত্যৰ নিচিনা টান সাহিত্যকো সুখপাঠ্য আৰু হৃদয়গ্ৰাহী কৰি তোলাত তেও আছিল সিদ্ধহস্ত। তেওঁ অনুবাদ কৰা তেওঁৰ সকলোবোৰ সাহিত্যকে তেওঁৰ মৌলিক ৰচনা যেনহে লাগে।

“আজি মাঘৰ বিহুৰ উৰুকা। তিল তিল আৰু মিতিল দুই ভাই ভনী ৰাতি বিছনাতে শুই আছে। দুয়োৰো চকুত টোপনি নাই, কাইলৈ মাঘৰ বিহু মাকৰ বেজাৰ। দেউতাক কামলৈ যাবপৰা নাই বিহুৰ পিঠাপনা একোৱেই কৰিব নোৱাৰিলে। আলিৰ সিপাৰে সিঘৰত কিমান ৰ ধেমালি, ভোগালী বিহুৰ বাবে আনন্দৰ উজান।’

সাহিত্যৰ জটিল আৰু অতি গভীৰ বিষয় বস্তুবোৰকো সাধাৰণ লোকৰ বাবে সাধাৰণ ভাষাৰেই প্ৰকাশ কৰিব পৰাটোত তেওঁ আছিল অতিকৈ নিপুণ।

বুৰঞ্জীত আমি পঢ়ো কিছুমান ৰজাৰ বীৰত্ব কাহিনী। ৰজা আলেকজেন্দাৰ কেতিয়া ওলাল বিশ্ববিজয় কৰিবলৈ কত কত কোন দিনা যুদ্ধ হৈছিল, তৰোৱালৰ আগৰে বিশ্ববিজয়ী চেঙ্গিজখাই পৃথিৱীৰ ইমূৰৰপৰা সিমূৰলৈকে কেনেকৈ মানুহৰ তেজৰ ঢল আনিছিল, বুৰঞ্জী তাৰে কাহিনী মাথোন। ৰজাৰ কৰৰ বোজা বব নোৱাৰি অশান্তিত দিন নিওতা খেতিয়কৰ করুণ কাহিনী আমি

তাত নাপাওঁ, কলঘৰৰ বাঁহী বজাৰ লগে লগে শোৱা পাটি এৰি দিনৰ দিনটো পৰিশ্ৰম কৰা বনুৱাৰ অন্তৰৰ কথা আমি তাত নাপাও ।"

তেওঁৰ ৰচনাবোৰ পঢ়িলে বিষয়টোৰ ওপৰত থকা তেওঁৰ অধ্যয়ণপুষ্টতা, প্ৰকাশত অসীম সাহসিকতা আৰু মহৎ ব্যক্তিত্বৰ আভাস তাত আমি পাওঁ । সংস্কৃত নাট্য সাহিত্যৰে সৈতে বাঁহী ৰ পাঠকক পৰিচয় ঘটাবলৈ গৈ 'ৰত্নাৱলী গ্ৰন্থৰ বিষয়ে তেওঁ লিখিছিল—"সংস্কৃত সাহিত্যত ৰত্নাৱলী এখন উৎকৃষ্ট নাটক। সপ্তম শতাব্দী মানত ৰজা শ্ৰীহৰ্ষই এইখন লিখা বুলি শুনা যায় । সংস্কৃত সাহিত্য সম্পৰ্কে গবেষণা কৰা পণ্ডিত সকলৰ ধাৰণা যে আচলতে এইখন নাটক ৰজা শ্ৰীহৰ্ষৰ বান নামেৰে এখন কবিয়ে লিখা। কালিদাসৰ মালবিকাগ্নিমিত্ৰৰ লগত ৰত্নাৱলীৰ যথেষ্ট সাদৃশ্য আছে। আকৌ "মৃচ্ছকটিকা" ৰ বিষয়ে তেও লিখিছিল, "মৃচ্ছকটিকা (মৃৎ মাটি, শকটিকা সৰুগাড়ী) ৰজা শূদ্ৰকে লিখা এখন প্ৰকৰণ — সংস্কৃত সাহিত্যত এখনি উৎকৃষ্ট দৃশ্য কাব্য ।'

অমিয় কুমাৰৰ প্ৰবন্ধৰ ভাষাত বাক্‌স্ফুৰণ আছে, কিন্তু শব্দবোৰত দুৰ্বোধ্যতা নাথাকে। সাহিত্যত থকা তেওৰ গভীৰ সৌন্দৰ্য্যবোধ আৰু কল্পনাপ্ৰবণতা নিজৰ লিখনীৰ মাজেৰে সুন্দৰকৈ প্ৰকাশ পাইছে।

জোনে নিজৰ লাৱণ্য দিলে তেওঁৰ মুখত ইয়াতে লগ লাগিলহি পদুমৰ সৌন্দৰ্য্য আৰু কমনীয়তা। ধেনুভিৰীয়া কপালৰ ওচৰত মদনৰ ধেনুয়েও হাৰ মানে। তেওৰ চুলি দেখি চামৰী হৰিণাই লাজত নিজৰ চামৰৰ যত্ন নোলোৱা হয়। খোজ দিওঁতে তেওৰ ভৰিয়ে মাটিত স্থল পদ্মৰ শোভা দিয়ে।"

বাঁহী আলোচনীত প্ৰকাশ হোৱা ৪১ খন ৰচনা 'বাঁহীৰ প্ৰতিধ্বনি' বুলি দুটা খণ্ডত (প্ৰথম খণ্ড, প্ৰকাশক অসম প্ৰকাশন পৰিষদ, ১৯৬৪ চন আৰু দ্বিতীয় খণ্ড, প্ৰকাশক লেখক ১৯৬৮ চন, মূল্য ৪ টকা)

সংকলিত কৰা হৈছে। ইয়াৰ প্ৰায়বোৰ প্ৰবন্ধই গ্ৰীক, ইটালীয়, ৰুচ, জাৰ্মান আদি প্ৰখ্যাত লেখকৰ। অনুবাদকে এইবোৰ খুব সৰল-সহজ ভাষাৰে অনুবাদ কৰি—'বাঁহী'ৰ পাঠকলৈ আগবঢাইছিল। ৰচনাবোৰ অনুবাদমূলক হলেও ই অনুবাদকৰ মৌলিক যেনহে লাগে। পৃথিবীৰ অমূল্য গ্ৰন্থৰাজিৰে সৈতে অসমীয়া জাতিক পৰিচয় ঘটোৱাৰ উদ্দেশ্য আগত ৰাখি, এনেবোৰ ৰচনা অনুবাদ কৰিবলৈ লৈছিল। তেওঁৰ 'বাঁহীৰ প্ৰতিধ্বনি'ৰ মূল্যায়ণ পণ্ডিত বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে এইদৰে কৰিছে—"বাঁহীৰ প্ৰতিধ্বনি অকল এনেকুৱা সাহিত্যৰ সঙ্কলন নহলেও তাত বিশ্ব সাহিত্যৰ মাজত ধ্বনিত হৈ উঠা মূল সুৰৰ স্পন্দন শুনিবলৈ পোৱা যায়। এইবাবেই তাত যেনেকৈ মেটাৰলিঙ্কৰ 'ব্লু বাৰ্ড'ৰ কথা পঢিবলৈ পাওঁ, সেইদৰে লেলিন জায়া ক্ৰুপাস্কায়াই-লেখা জীৱন্ত আত্মকথাও পঢিবলৈ পোৱা গৈছে। কুমাৰী মীৰা বেনৰ আত্মকাহিনীৰ এটি অধ্যায়, চি এফ এণ্ড্ৰুজৰ সম্পৰ্কে প্ৰবন্ধ বিজ্ঞানৰ ব্যৰ্থতাৰ বিষয়ে লেখা কথা আদি ৰচনাবো যথেষ্ট মূল্য আছে। নব্য ৰুছিয়াৰ চিত্ৰ গাজী মুস্তফা কামাল পাছা সংঘাতপূৰ্ণ ৰাজনৈতিক অৱস্থাৰ সৃষ্টি। এইবোৰত যেনেকৈ বিস্ময় আৰু আনন্দ আছে সেইদৰে শিক্ষাও আছে প্ৰচুৰ। 'পোষ্ট মাষ্টৰ'ৰ কৰুণ কাহিনী পঢিও মানুহে সেই যুগৰ কৰ্ত্তব্যপৰায়ণতা আৰু স্বেচ্ছাচাৰিতাৰ উজ্বল ছবি দেখিবলৈ পাব।"

"বাঁহীৰ প্ৰতিধ্বনি"ত সন্নিবিষ্ট হোৱা প্ৰত্যেকখন ৰচনাই তত্ত্ব গধুৰ, সজ আদৰ্শ আৰু গভীৰ চিন্তাধাৰাৰ অনুপম বাৰ্ত্তাবাহক। সাহিত্য সম্পৰ্কে একাষাৰ, কালিদাসৰ উমা, মই কিয় গান্ধীৰ শিষ্য হলোঁ, আদিম যুগৰ মানুহ শঙ্কৰ বুৰঞ্জী, উন্নতিৰ বাটত বুৰঞ্জীৰ পোহৰ আদি ইয়াৰ প্ৰত্যেকখন ৰচনাৰে সাহিত্যৰ কালৰ পৰা সুকীয়া সুকীয়া মূল্য আছে।

'বাঁহীৰ প্ৰতিধ্বনি'ৰ গুৰুত্ব সম্পৰ্কে কবলৈ গৈ অধ্যক্ষ শ্ৰীযুত তীৰ্থনাথ শৰ্মা ডাঙৰীয়াই লিখিছে—"বাঁহীৰ প্ৰতিধ্বনিত সংগৃহীত

বহুত প্ৰবন্ধই নতুন চিন্তাধাৰাৰ বাট মুকলি কৰি দিছিল। সেইবোৰৰ ভাষাৰ সৌষ্ঠৱ আৰু তেজস্বিতাও মন কৰিব লগীয়া। এই প্ৰবন্ধবোৰৰ ভাষাত বাগাড়ম্বৰ নাই কিন্তু বাক্ স্ফুৰণ আছে, শব্দৰ ধুৱঁলী কুৱঁলীৰে ভাৱৰ দাৰিদ্ৰ ঢকাৰ প্ৰচেষ্টা নাই। শব্দৰে কেনেকৈ ভাবক নিটোল কৰিব পাৰি তাৰ চানেকিহে এই প্ৰবন্ধ বোৰৰ ৰচনাশৈলীয়ে দাঙি ধৰিছে। উঠি অহা সাহিত্যিক সকলে মন দি পঢ়িলে 'ৰ'াহীৰ প্ৰতিধ্বনি ত জানিব লগীয়া, শিকিব লগীয়া আৰু সুষ্ঠ অনুকৰণৰ বহুত সমল পাব।"

দাস ডাঙৰীয়াৰ সাহিত্যিক জীৱনৰ আন এটা সৰ্বশ্ৰেষ্ঠ অৱদান হৈছে মহাত্মা গান্ধীৰ বিভিন্ন গ্ৰন্থমালা অসমীয়ালৈ অনুবাদ। যুগৰ সৰ্ব্বশ্ৰেষ্ঠ পুৰুষ মহাত্মা গান্ধীক আমাৰ সমাজত পৰিচয় কৰা আৰু তেওঁৰ নিজৰো মহাত্মাৰ প্ৰতি থকা বিশ্বাস আৰু প্ৰগাঢ় ভক্তিৰ চিন স্বৰূপে মহাত্মাৰ ওপৰত এলানি ধাৰাবাহিক ৰচনামালা আগবঢ়াই ছিল। "মোৰ সত্য অন্বেষণৰ কাহিনী" তাৰে এক মহৎ প্ৰচেষ্টাৰ ফল। 'My Experiment with Truth' আত্মজীৱনীমূলক এই গ্ৰন্থৰ সফল অনুবাদক তেওঁৰ জীৱনৰ এক সফল সাহিত্য কৃতীয়ে বুলি কব লাগিব। অসমত গান্ধী সাহিত্যৰ প্ৰৱৰ্ত্তক হিচাবে অমিয় কুমাৰৰ সুকীয়া যশস্যাও আছে। "মোৰ সত্য অন্বেষণৰ কাহিনী"ৰ কৃতকাৰ্য্যতা সম্পৰ্কে অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্ম্মা ডাঙৰীয়াই লিখিছে—"যোগ্যজনে এই গ্ৰন্থৰ অনুবাদ কৰিছে বুলি যথেষ্ট আত্ম প্ৰত্যয়েৰে সৈতে আমি কব পাৰো। যৌৱনৰ আৰম্ভৰে পৰা গান্ধীজিৰ আদৰ্শত নিজৰ জীৱন গঠিত কৰিবলৈ শ্ৰীঅমিয় কুমাৰ দাসে সাধ্য অনুসৰি চেষ্টা কৰি আহিছে। গান্ধী গ্ৰন্থৰ অনুবাদকৰ আটাইতকৈ ডাঙৰ যোগ্যতা এইটোৱেই।" আগতে এই গ্ৰন্থ খণ্ড খণ্ডকৈ দাস ডাঙৰীয়াৰে সম্পাদিত সাপ্তাহিক 'অসমীয়া কাকত'ত প্ৰকাশিত হৈছিল।

১৯২১, ২৬ '৩৪ আৰু ৪৬ চনত মহাত্মা গান্ধী অসম ভ্ৰমণলৈ আহিছিল। মহাত্মা অসম ভ্ৰমণ কৰি থকা সময়ত মহাত্মাৰ নানা

খবৰ সেই সময়ৰ বিভিন্ন কাকতে-পত্ৰে প্ৰকাশিত হৈছিল। মহাত্মাৰ বিষয়ে তেতিয়া প্ৰকাশিত হোৱা সকলো খবৰ গভীৰভাৱে উপলব্ধি কৰি, অমিয় কুমাৰ দাসে লীলাধৰ বৰুৱাৰে সৈতে সংগ্ৰহ কৰি আন এখন গান্ধী বিষয়ক শ্ৰেষ্ঠ গ্ৰন্থ উলিয়াইছিল "অসমত মহাত্মা (প্ৰথম প্ৰকাশ দুই অক্টোবৰ, ১৯৬৯ পোহৰ আহিন ১৮৯১ মূল্য বাৰ টকা, প্ৰকাশক, অসম প্ৰকাশন পৰিষদ)।

দক্ষিণ আফ্ৰিকাত মহাত্মা (প্ৰকাশক—অসম গান্ধী স্মাৰক নিধি, প্ৰথম সংস্কৰণ ১৯৬৫, মূল্য আঠ টকা) আন এখন তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। গান্ধীজিৰ "Satyagraha ın South Afrıca" গ্ৰন্থৰেই অসমীয়া অনুবাদ। এই গ্ৰন্থ সম্পৰ্কে প্ৰকাশকে নিজে লিখিছে,— "আজিও আফ্ৰিকাত কলা আৰু বগা মানুহৰ ভেদভাৱ দূৰ হোৱা নাই। আমেৰিকাতো নিগ্ৰোলৈ বিৰোধৰ ভাৱ থকাত মাৰ্টিন লুথাৰ কিংএ এই ভেদভাৱ দূৰ কৰিবৰ বাবে গান্ধীজীৰ নীতি অৱলম্বন কৰি সত্যাগ্ৰহ অভিযান চলাইছিল। আজিৰ পৃথিবীৰ মানুহে তেখেতক এই যুগৰ গান্ধী আখ্যা দিছে।

গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত পোন প্ৰথমে সত্যাগ্ৰহৰ পাতনি মেলিছিল। তাতে তেখেতে সত্যাগ্ৰহৰ অনুসৰণ কৰি সেই ক্ষেত্ৰত প্ৰশিক্ষণ লাভ কৰিছিল। দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ কাহিনী সম্বলিত পুথিখনিয়ে নিশ্চয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব।

"বিলাতত মহাত্মা আৰু "মেজ মেলত মহাত্মা" মহাত্মা গান্ধীয়ে (Round Table Conference) মেজ মেলত আৰু মেজ মেললৈ যোৱাৰ সময়ত দিয়া ইংৰাজী বক্তৃতামালাৰ ই অসমীয়া অনুবাদ। এই বক্তৃতামালাত (প্ৰথম প্ৰকাশ ১৯৩৩ চন (ভাদ—১৮৫৫শক), দ্বিতীয় প্ৰকাশ ১৯৬৩, মূল্য ৪ টকা) স্বাধীনতা সংগ্ৰামৰ আৰু মহাত্মাৰ কল্পনাৰ স্বৰাজৰ পূৰ্ণ চিত্ৰ এটা পোৱা যায়।

"গান্ধী কথামৃত," "অনশনত মহাত্মা আন দুখন তেওঁৰ অমূল্য গান্ধীগ্ৰন্থ। "মহাত্মা গান্ধী—আমি তেওঁক কিদৰে বুজিলোঁ"

মহাত্মা গান্ধী আৰু মহাত্মাৰ দৰ্শন আৰু সেই দৰ্শনত তেওঁলোক কেনেকৈ প্ৰভাবান্বিত হৈছিল, সেই সম্পৰ্কে অমিয় কুমাৰৰ নিজৰ দৃষ্টিভংগী এই আলোচনাৰ মাজত প্ৰকাশ কৰিছে। "গান্ধীজীৰ জীৱনী" খনো সকলো শ্ৰেণী পাঠকৰে প্ৰিয় গ্ৰন্থ।

"ক গ্ৰেছৰ বুৰঞ্জী" "ভাৰতৰ ৰাজকীয় ঋণ" আৰু তেওঁ অনুবাদ কৰা "চেখভৰ গল্প" এতিয়া দুষ্প্ৰাপ্য।

আমি শ শ বছৰ একেলগে একেখন আকাশৰ তলত একে বতাহ উশাহত লৈ একেখন পথাৰত চাউল খাই জীয়াই আছোঁ। তথাপিও আমি তেওঁলোকৰ কথা বিশেষ নাজানো। তেওঁলোকৰ মৰম প্ৰীতিৰ সম্বন্ধ স্থাপনৰ বাটত সংস্কৃতিৰ এই কিতাপখন যদি সহায় হয় তেন্তে মই কৃতাৰ্থ মানিম ইয়াকে আশা কৰি কিতাপ খন ছপা কৰি উলিওৱা হ ল' "পৰ্ব্বতে ৰিঙিয়ায় – মিকিৰ পাহাৰত ভুমুকি (প্ৰকাশ ১৯৭২ প্ৰকাশক লেখক মূল্য ২ টকা) "ৰ হাইৰ প্ৰতিধ্বনি'ৰ তৃতীয় খণ্ডৰ মুলভাৱ লেখকে নিজে এইদৰে ঘোষণা কৰিছে। কিতাপখনত বিস্তৃত নহলেও মিকিৰ সমাজৰ আচাৰ ব্যবহাৰ, ৰীতি নীতি প্ৰবাদ পটন্তৰৰ এটি পূৰ্ণাঙ্গ আলোচনা পোৱা যায়। তেওঁৰ আন গ্ৰন্থৰ দৰে, এই গ্ৰন্থৰো ভাষা প্ৰাঞ্জল আৰু অতি সাৱলীল। গবেষক সকলৰ কাৰণে এই গ্ৰন্থত যথেষ্ট সমল আছে।

অসহযোগ আন্দোলনত অসম (প্ৰকাশ ১৯৬৯) স্বাধীনতাৰ সংগ্ৰামৰ ২১ ৰ আন্দোলনৰ খুটি নাটি সামৰি লিখা এখন পুথি। অসহযোগৰ সূত্ৰপাত আৰু সেই অসহযোগ আন্দোলনত অসমৰ জিলা সমূহৰ ভূমিকা সম্পৰ্কে আভাস থকা এখন অনুসন্ধিৎসু পাঠকৰ প্ৰয়োজনীয় পুথি।

তদুপৰি তেওঁ কৰ্মবীৰ বৰদলৈ দেশভক্ত ফুকন বিষ্ণুৰাম মেধি লক্ষ্মীধৰ শৰ্মা, ত্যাগবীৰ বৰুৱাকে আদি কৰি অসমৰ কেইবাগৰাকীও দেশনেতাৰ সোৰঁৰণী হিচাবে আগবঢোৱা আলোচনাত্মক আন

এক শ্ৰেণীৰ প্ৰবন্ধমালা এতিয়াও গ্ৰন্থ হিচাবে প্ৰকাশ পোৱা নাই।

তেওঁৰ ডায়েৰীৰ পাতত থকা নানা কিতাপৰ চমু টোকা ভ্ৰমণ বৃত্তান্ত আৰু নিজৰ 'জীৱন স্মৃতি প্ৰকাশ হৈ ওলালে অসমীয়া সাহিত্যৰ এটা মূল্যবান সম্পদ হ'ব। বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ হৈ থকা তেওঁৰ ৰাজনীতি সমাজনীতিমূলক প্ৰবন্ধবোৰো সংৰক্ষিত হোৱা নাই।

উপনিষদ'ৰ ওপৰত তেওঁ অসমীয়া ভাষাত আলোচনাত্মক গ্ৰন্থ এখন লিখাৰ বহু দিনৰ পৰা চিন্তা কৰিছিল যদিও সেই কাম আধৰুৱা হৈয়ে থাকিল।

কিন্তু অতি সুখৰ কথা যে ১৯৭২ চনৰ ধুবুৰীত বহা অসম সাহিত্য সভাৰ অধিৱেশনত শ্ৰেষ্ঠ সাহিত্যিক হিচাবে তেওঁক সম্বৰ্দ্ধনা জনোৱা হৈছিল।

তেওঁ যিকোনো লিখাৰ আগতে কি লিখিব তাৰ আঁচনি এখন আগধৰি প্ৰস্তুত কৰি লৈছিল। 'জীৱন স্মৃতি কে ধৰি তেওঁ আন গ্ৰন্থবো এনে আঁচনি টুকুৰা কাগজত পোৱা গৈছে।

কুসংস্কাৰৰ এন্ধাৰে আৱৰা সমাজখনক উদ্ধাৰ কৰিবলৈ অমিয় কুমাৰে ভাগীৰথী হৈ কাম কৰিব লগা হৈছিল সামাজিক জীৱনৰ বহু দিশত। এই ক্ষেত্ৰত তেওঁৰ এপাত অমোঘ অস্ত্ৰ আছিল তেওঁৰ শক্তিশালী লেখনী। এই লেখনীয়ে তেওঁক অসমীয়া জাতীয় জীৱনৰ বিশিষ্ট আসনত আসীন কৰিলে।

সাংবাদিক অমিয় কুমাৰ

শিৱসাগৰৰ দিখৌৰ পাৰৰ আমেৰিকান বেপ্টিষ্ট মিছনেৰী প্ৰেছত ১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা 'অৰুণোদই সংবাদ পত্ৰ বুলি মাহেকীয়া আলোচনী এখন প্ৰকাশ পায়। সেই কাৰণেই যেনিবা অসমৰ সাহিত্য আৰু সাংবাদিকতাৰ দুৱাৰ প্ৰথমে মুকলি কৰিছিল। ৰাষ্ট্ৰগঠনত সংবাদ পত্ৰৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। সেই সময়ৰ 'অৰুণোদই আলোচনীৰ প্ৰেৰণাৰ উদ্বুদ্ধ হৈ পিছত - 'জোনাকী", "বাঁহী" বিজুলী" আদিৰ নিচিনা আলোচনী আৰু চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা হেমচন্দ্ৰ বৰুৱা পদ্মনাথ গোহাঞি বৰুৱা সত্যনাথ বৰা, ৰঘুনাথ চৌধুৰী দণ্ডিনাথ কলিতাৰ নিচিনা সাহিত্যিক আৰু সাংবাদিকবোৰৰ সৃষ্টি হৈছিল।

বাঁহী ত প্ৰথমে ফু দিছিল ৰসৰাজ বেজবৰুৱাই ১৯ ৯ চনত। বেজবৰুৱাই এই 'বাঁহী আলোচনী ১৯৩৩ চনলৈকে পৰম দক্ষতাৰে সম্পাদনা কৰি অসমীয়া সাংবাদিকতাৰ এক উজ্বল বাতাবৰণ সৃষ্টি কৰি গৈছে। 'বাঁহী ৰ যোগে বেজবৰুৱাই অসমীয়া সমাজখন নিকা কৰিবলৈ বিচাৰিছিল। এই 'বাঁহী আলোচনীৰ যোগেৰে তেওঁ সংস্কাৰধৰ্মী গল্প, প্ৰবন্ধ, উপন্যাস কেৰিকেচাৰ, কাৰ্টুন আদি প্ৰকাশ কৰি জনজাগৰণৰ সৃষ্টি কৰিছিল। অধ্যাপক শশী শৰ্মাৰ ভাষাত,—" জোনাকীযুগীয়া লক্ষ্মীনাথবো জীৱনৰ সৰ্ব্বপ্ৰধান লক্ষ্য আছিল যিহেতু অজ্ঞান আন্ধাৰাচ্ছন্ন অসমত জোনাকৰ চল বোৱৰা গতিকে 'বাঁহী'ৰ যোগেদিও দেশ-বিদেশৰ জ্ঞান বিজ্ঞানৰ আলোকত অসম উজলাই তুলিবলৈয়ে লক্ষ্মীনাথ চেষ্টা কৰি গ ল। যথাৰ্থতে 'বাঁহী যদিও 'জোনাকী'ৰেই পৰিপূৰক স্বৰূপ আছিল আৰু

'জোনাকী'ৰ অপূৰ্ণ কাম 'বাঁহী'য়েই পৰিপূৰ্ণ কৰি তুলিছিল, তথাপি 'বাঁহী'ৰ স্বকীয়া বৈশিষ্ট্য নথকা নহয়।"

কিন্তু এইখন বাঁহী' আলোচনী এদিন বন্ধ হোৱাৰ উপক্ৰম হৈছিল। সেই সময়ত্তে, ১৯৩৪ চনত, এই আলোচনীৰ দায়িত্ব কান্ধ পাতি লৈছিল অমিয় কুমাৰে। অৱশ্যে ১৯১৭ চনতো কলিকতাত থকা ছাত্ৰ অৱস্থাত তেওঁ বাঁহী পৰিচালনাৰ আংশিক দায়িত্ব বহন কৰিছিল।

দাস ডাঙৰীয়াৰ হাতত 'বাঁহী সম্পাদনাৰ দায়িত্ব ১৮৫৬ শকৰ বহাগৰ পৰা ১৮৫৮ শঁকৰ চ'তলৈকে (১৯৩৪—৩৬) আছিল। বেজবৰুৱাৰ এই বাঁহী দাসডাঙৰীয়াৰ হাতত্তো কোনো ক্ষেত্ৰতে ম্লান পৰা নাছিল। বৰ ই এক স্বকীয় বৈশিষ্ট্যৰে নিজৰ সম্মান বঢ়াইছিলহে। 'বাঁহী' সম্পাদনাত তেওঁৰ প্ৰধান সহায়ক হিচাবে আছিল ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা। দুয়োজনে পৃথিৱীৰ বিভিন্ন ভাষাৰ অমূল্য গ্ৰন্থৰাজি পঢ়ি, বাঁহীৰ পাঠকলৈ এক শ্ৰেণীৰ নতুন প্ৰবন্ধ মালা আগ বঢ়াইছিল। ইয়ে বাঁহীৰ যেনিবা সৌন্দৰ্য্য আৰু বৈশিষ্ট্য আছিল। সেই সময়ৰ ৰাজনৈতিক মতবাদ আৰু আন্তৰ্জাতিক সমস্যাবোৰৰ ওপৰত লিখিত সকলোবোৰ প্ৰবন্ধই 'বাঁহী পাঠকৰ প্ৰিয় আছিল। ফৰাচী, ইটালীয়, ৰুছ, জাৰ্মান আদিৰ মৰিচ মেটাৰ লিঙ্ক, এইচ জি বেলচ ব্ৰাউনিঙ ভিক্টৰ হিউগো চাৰ অলিভাৰ লজ, মৰিচ হিল্ডার্চ লেচিঙৰ অমূল্য চিন্তাধাৰা অসমীয়ালৈ সোঁত বোৱাইছিল। অকল যে পৃথিৱীৰ এনে গ্ৰন্থৰাজিৰে লৈতে অসমীয়াৰ পৰিচয় ঘটাই আদৰ্শ দেখুৱাইছিল এনে নহয়—ভাৰতীয় মহাকবি সকলৰো চিন্তাধাৰাক অসমীয়াক চিনাকি কৰাবলৈ তেওঁ চেষ্টা কৰিছিল বাঁহী'ত তেওঁ লিখিছিল "প্ৰাচীন গ্ৰীছৰ আৰু ভাৰতবৰ্ষৰ মহাকবিসকলে তেওঁলোকে আঁকা চৰিত্ৰৰ ভিতৰত যি আদৰ্শ পুৰুষ আৰু আদৰ্শ নাৰীৰ জ্যোতিৰ্ময় ছবি ফুটাই তুলিছিল সেই ছবিয়ে মানুহক সেই আদৰ্শত অনুপ্ৰাণিত কৰিছিল। সেইবিলাক আদৰ্শ

বৰ্ত্তমান সাহিত্যত বিচাৰি পোৱা টান। এই আদৰ্শৰ চানেকি ৰাইজক দিবলৈ ইয়াৰ আগেয়ে ৰত্নাৱলী, মৃচ্ছকটিকা, শিকলিৰ বান্ধোনত প্ৰমেথিয়াছ আৰু এন্টিগণী শীৰ্ষক প্ৰবন্ধ প্ৰকাশ কৰা হৈছে। এতিয়া 'কাদম্বৰী' আৰু 'ৰাণী হেকুবা ৰাইজৰ আগলৈ আগবঢোৱা হ ল।"

অমিয় কুমাৰৰ 'বাঁহী'ৰ কৃতকাৰ্য্যতা সম্পৰ্কে পণ্ডিত তীৰ্থনাথ শৰ্মা ডাঙৰীয়াই এইদৰে লিখিছে,—"দাস ডাঙৰীয়াৰ সম্পাদনাৰে বাঁহী দুবছৰ চলিছিল। এই দুবছৰীয়া বুৰঞ্জী সমৃদ্ধিপূৰ্ণ আছিল। পৃথিবীৰ বিখ্যাত সাহিত্যৰ আপুৰুগীয়া ভড়ালৰ সঞ্চিত সম্পদ বাজিৰ প্ৰতি ডেকা সাহিত্যিকসকলৰ উন্মুখ দৃষ্টি পেলাই দিছিল এই দুবছৰীয়া বাঁহীয়েই।"

'বাঁহী'ত তেওঁ "মণ্টেগুৰ ডায়েৰী—ভাৰতীয় স্মৃতি" ধাৰাবাহিক ভাৱে প্ৰকাশ কৰিবলৈ লৈছিল। ২৩ বছৰ ১৮৫৬ শক সংখ্যাত এই মণ্টেগুৰ ডায়েৰী প্ৰকাশ কৰা সম্পৰ্কে লিখিছিল—"বৰ্ত্তমান ভাৰতত প্ৰচলিত শাসন সংস্কাৰৰ নাম মণ্টেগু চেমছফোৰ্ড শাসন সংস্কাৰ বুলি সকলোৱে জানে। সেই সময়ত মণ্টেগু 'চেক্ৰেটাৰী অৱ ষ্টেট' আছিল। আৰু সেই হিচাবে তেওঁ ১৯১৭ ১৮ চনত ভাৰতবৰ্ষলৈ আহে। সেই সময়ত ভাৰতবৰ্ষ সম্পৰ্কে ডায়েৰী প্ৰতিদিনে লিখিছিল। সেই ডায়েৰী তেওঁ 'বাঁহী' পাঠকলৈ আগবঢাইছিল।

আসামত জীৱন বীমা 'বাঁহী'ৰ কেইবাটাও সংখ্যাত প্ৰকাশিত হৈছিল। বেজবৰুৱাৰ—ববৰুৱা লম্বাই সম্বাদ, কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবৰণি, সগুণ আৰু নিগুণ ধৰ্ম, কৃষ্ণ-কথা আদি 'বাঁহী'তে প্ৰকাশ হৈছিল। সেই সময়ৰ 'বাঁহী'ৰ ঘাইকৈ লেখকবোৰ আছিল—দণ্ডিনাথ কলিতা, কমলাকান্ত ভট্টাচাৰ্য্য, অতুলচন্দ্ৰ হাজৰিকা উমেশ চন্দ্ৰ চৌধাৰী, প্ৰসন্নলাল চৌধুৰী, তীৰ্থনাথ শৰ্ম্মা, মথুৰানাথ গোস্বামী, হৰেন্দ্ৰনাথ বৰুৱা, হেমচন্দ্ৰ বৰুৱা, ধৰ্মেশ্বৰী দেবী বৰুৱাণী যতীন দুৱৰা, ৰঘুনাথ চৌধুৰী, বিজয় ভাগৱতী প্ৰমুখ্যে প্ৰধান।

সেই সময়ত 'চিত্ৰদাস' নামলৈ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই তেওঁৰ ভালেমান কবিতা বাঁহীতে প্ৰকাশ কৰিছিল। লাজকুৰীয়া, শ্ৰীৰূপা, শ্ৰীৰমাপতি, শ্ৰী আদি ছদ্ম নামেৰে আন কেইবাজনেও বাঁহীত লিখিবলৈ আৰম্ভ কৰিছিল। শ্ৰীহৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্যৰ কাদম্বৰী, শ্ৰীতীৰ্থনাথ শৰ্মাৰ সাহিত্যৰ ৰস, কমলাকান্ত ভট্টাচাৰ্য্যৰ গীতাৰ ৰহস্য, যতীন দুৱৰাৰ কথা কবিতা 'সৰগৰ দান দণ্ডিনাথ কলিতাৰ ৰত্নাৱলী, প্ৰসন্নলাল চৌধুৰীৰ অভিযান সঙ্গীত আদি বাঁহী ৰ পাততে প্ৰকাশ পাইছিল।

বিশ্বজগতত এভুমুকি, সমাজ তত্বত ভুমুকি, মহিলাজগৎ, সাময়িক উক্তি আৰু মতামত, গ্ৰন্থ পৰিচয়, সানমিহলি আদিৰ এইবোৰ আছিল 'বাঁহী ৰ নিয়মীয়া শিতান। 'বাঁহী আলোচনীৰ প্ৰত্যেক খন সম্পাদকীয়ই আছিল ভাবগধুৰ আৰু মূল্যবান। বাঁহী ৰ দায়িত্ব লৈয়ে বাঁহী ৰ আকাঙ্খাৰ বিষয়ে তেওঁ ঘোষণা দিছিল "বৰ্ত্তমান জগতত এটা নৱ জাগৰণৰ সূচনা দেখা গৈছে। পৰাক্ৰমী জাতিসকলৰ গৰকাত পৰি থকা দুৰ্ব্বলীলোক সমূহে আজি মূৰ দাঙি উঠি জগতত আত্মপ্ৰতিষ্ঠাৰ বাবে ককাঁলত টঙালি বান্ধি লাগিছে। এই জাগৰণৰ চিন জগতৰ আন ঠাইতকৈ এচিয়াতেই বেচিকৈ দেখা গৈছে। অজ্ঞানতাৰ আন্ধাৰত টোপনিত অচেতন এচিয়াবাসী আজি নৱযুগৰ পোহৰত সাৰ পাই উঠিছে। সুপ্ত অন্তৰাত্মাক উপলব্ধি কৰি আত্মপ্ৰতিষ্ঠ হবলৈ এচিয়া আজি ব্যগ্ৰ।

"আজি অসমীয়ায়ো বিশ্বজগতৰ চিন্তাৰাজ্যৰ পোহৰ পৰিবলৈ খিড়িকীখন মেলি দিব লাগিব। বিশ্বজগতৰ ভাব ৰাজ্যৰ পোহৰত অসমীয়াই নিজৰ জাতীয় বৈশিষ্ট্য ৰক্ষা কৰি নিজৰ অন্তৰ আত্মাক উপলব্ধি কৰি জগতত যাতে আত্মপ্ৰতিষ্ঠ হবলৈ সমৰ্থ হয় তাৰ বাবে সাধনা কৰিব লাগিব। অসমীয়াই যাতে নিজৰ অন্তৰত থকা সঙ্গীতৰ প্ৰাণ দি মূৰ্ত্তিময়ী কৰি বিশ্ব-সভ্যতাৰ মন্দিৰত শুনাব পাৰে, সেয়ে 'বাঁহী ৰ আকাঙ্খা।"

এইজনেই আছিল 'বাঁহী'ৰ সম্পাদক অমিয় কুমাৰ।

ইয়াৰ আগতে কেইবা বছৰো ধৰি তেওঁ 'সাপ্তাহিক অসমীয়া' কাকতো সম্পাদনা কৰিছিল। ১৯১৮ চনৰ আগষ্ট মাহত চন্দ্ৰ কুমাৰ আগৰৱালাই এই কাকত প্ৰতিষ্ঠা কৰিছিল। সম্পাদনাৰ উপৰিও এই কাকতৰ মেনেজিং ডাইৰেক্টৰৰো কাম তেওঁ কৰিছিল। ১৯১৮ চনৰ ১ জুলাইলৈকে তেওঁ এই কাকতৰ সম্পাদনাৰ দায়িত্বত আছিল। তেওঁৰ সম্পাদনাৰ 'অসমীয়া'ৰ উদ্দেশ্য এনেদৰে ঘোষণা কৰিছিল, "সকলো সম্প্ৰদায়কে সামৰি ধৰি সমূহ অসমীয়াৰ সেৱা আৰু মঙ্গল কামনা কৰাই 'অসমীয়া'ৰ মূল উদ্দেশ্য। অসমীয়া ৰাইজৰ মাজত স্বৰাজৰ প্ৰবল স্পৃহা আৰু স্বাধীনতাৰ অদম্য আকাংক্ষা জন্মোৱাই 'অসমীয়া'ৰ মূল মন্ত্ৰ। যুগ যুগান্তৰৰ দাসত্ব ভাব গুচাই ৰাইজৰ মাজত আত্মবিশ্বাস জন্মাই মানৱত্বৰ অধিকাৰৰ দাবী কৰিবলৈ শিক্ষা দিয়াই 'অসমীয়া'ৰ লক্ষ্য।

য'ত ৰায়তৰ ওপৰত অন্যায় অত্যাচাৰ হৈছে, য'ত ৰায়তৰ ওপৰত অবিচাৰ হৈছে, য'ত ধনী সম্প্ৰদায়ৰ হেচাত দুৰ্ব্বলী বনুৱা নিষ্পেষিত হৈছে — তাতেই আমি সকলো বিপদকে তুচ্ছ কৰি দুৰ্দ্দান্ত শক্তিৰ বিৰুদ্ধে থিয় দিম।"

"ৰাজনীতিৰ ক্ষেত্ৰত অসমীয়াক চনকিয়াল কৰিবলৈ উদগণি দি আহিছোঁ। মানৰ আক্ৰমণৰ পাছত ইংৰাজৰ অধীনলৈ দেশ অহাৰ পাছত অসমীয়া সমাজ ভাগিল, অসমদেশ বকৰাণি হ'ল। বাকবিৰ মাজত দু এজোপা গছ পাব পাৰি কিন্তু অধিকাংশই দুৰ্ব্বল নিস্তেজ আওকঠীয়া গছ। দেশৰ শতকৰা ৯০ জনৰ অৱস্থা শোচনীয়। সেই পতনৰ শিক্ষাকে সাৰোগত কৰি লৈ যাতে বৰ্ত্তমানৰ অসমীয়া আগবাঢ়িব পাৰে তাৰ বাবেই আমি যত্ন কৰি আহিছোঁ।"

অমিয় কুমাৰৰ এই ঘোষণা অসমীয়াই বহন কৰিছিল। সমাজ সংগঠনৰ বাবে নিজে সংস্কাৰধৰ্মী সম্পাদকীয় প্ৰবন্ধ লিখিছিল।

তদুপৰি তেওঁ সমাজৰ অভাব অভিযোগ, চৰকাৰৰ নানা দুৰ্ব্বলতা মানুহৰ মাজত থকা নানা দুৰ্নীতি—তেওঁৰ বলিষ্ঠ সম্পাদকীয়বোৰৰ যোগে নিৰ্ভীকভাবে দেখুৱাব পাৰিছিল। ৰাজনৈতিক খা-খবৰৰ উপৰিও কৃষকৰাইজৰ খা খবৰো অসমীয়াই নিয়মীয়াকৈ বহন কৰিছিল।

প্ৰতি দেওবাৰে কাকত প্ৰকাশিত হৈছিল। ১ পৃষ্ঠা সামৰা কাকতৰ বেচি সংখ্যক পৃষ্ঠাতে বিজ্ঞাপনৰে ভৰি থকা বাবে ই দৃষ্টি কটু হৈছিল। কাকতখন তেতিয়া গুৱাহাটীৰ নিও প্ৰেছৰ পৰা পুৰ্ণচন্দ্ৰ কাকতীৰ দ্বাৰা মুদ্ৰিত হৈছিল।

মহাত্মা গান্ধীৰ আত্ম কথাৰ ভাঙনি এই কাকততে ধাৰাবাহিক হিচাবে ওলাইছিল। কথা প্ৰসঙ্গ, বিবিধ বাতৰি, সাময়িক জগত, পোৱা পুঁথিৰ চিনাকি, সান মিহলি আদি এনেবোৰ নিয়মীয়া শিতানেৰে কাকত সমৃদ্ধ আছিল।

অসমীয়াৰ বাতৰি পৰিবেশন ৰীতি পোনপটীয়া আছিল। এই কাকতে অসমীয়া সাহিত্যলৈ ৰাজনৈতিক চিন্তাধাৰাৰ সোঁত বোৱাই, ৰাজনীতিৰ সৈতে অসমীয়াক প্ৰত্যক্ষ সাক্ষ্য দিয়াৰ ইচ্ছা কৰাৰ কথা নিজৰ সম্পাদকীয়তে প্ৰকাশ পাইছিল। আমি এই কথা নি সন্দেহে কব পাৰো যে বাহীৰ দৰে অসমীয়াৰ সম্পাদকীয়বোৰৰো এক স্বকীয় বৈশিষ্ট্য আছে আৰু সেইবোৰৰ জাতীয়তাৰ ফালৰ পৰা এক স্বকীয় মূল্যও আছে। ইয়াৰ আগতে, তেওঁ কলিকতাত পটি থকা কালত দৈনিক বাতৰি কাকত 'Forwardৰ সম্পাদকীয় শাখাত কিছুদিন ধৰি কাম কৰা সুযোগ পাইছিল। আসাম সেৱক প্ৰেছৰ পৰা হেম বৰুৱা, বিজয় ভাগৱতীৰে সৈতে অমিয় কুমাৰে সম্পাদনা কৰিবলৈ লোৱা আনখন কাকত আছিল "আসাম সেবক" কাকত।

মহাত্মা গান্ধীৰ সংস্পৰ্শত

"সেইদিনা দেওবাৰ আছিল। ককাদেউতা দেওবাৰ হ'লেহে তেজপুৰৰ ঘৰলৈ আহে। ককাদেউতাই বাতৰি কাকত পঢ়ি থাকোতে হঠাতে উৎসাহেৰে সৈতে কলে, এজন মানুহ ওলাল।" আমি ওচৰতে কেইবাজনো সৰু লৰাই মাৰ্বল গুটি খেলি আছিলো। ওচৰ চাপি সুধিলো,—"ককাদেউতা, কি ওলাল?" ককাদেউতাই বহুতো কথা কলে কিন্তু একো কথা মনত নৰল। কেবল তিনিটা শব্দ মনত থাকিল "মোহনদাস কৰমচাদ গান্ধী।" এই তিনিটা শব্দ জানিবা আমাৰ জপমন্ত্র হল। মাৰ্ব্বল গুটি লক্ষ্যত লগাব লাগে—এই তিনিটা শব্দ উচ্চাৰণ কৰিলে যেন লক্ষ্যত লগাব পৰা হব। এই দৰে মোহনদাস কৰমচাদ গান্ধীৰ নামটো আমাৰ মনত দকৈ সোমাল।

লৰাহতে যুদ্ধৰ আখৰা কৰে। একো একোটা গাঁত কোনে আগতে লৰি গৈ দখল কৰিব পাৰে। তাতো সেই একে মন্ত্র "মোহনদাস কৰমচাঁদ গান্ধী।"

অমিয় কুমাৰ দাস ডাঙৰীয়াই মহাত্মা গান্ধীৰ নাম এইদৰে সৰুতে শুনিছিল আৰু এই নামটোৰ প্ৰতি তেতিয়াৰ পৰা যেন তেওঁৰ মন তেওঁৰ প্ৰতি আকৰ্ষিত হৈছিল। কিন্তু হঠাৎ এদিন যেতিয়া শৈশৱৰ মানুহজনক তেওঁ নিজে দেখিলে, সেই দিনাৰেপৰা সেইজন মানুহে তেওঁৰ অন্তৰত আৰু এনেকৈ দকৈ চাপ বহুৱালে, তাৰ পিছৰে পৰা যেন তেওঁৰ জীৱনৰ গতিটোৱে সম্পূৰ্ণ নতুনৰ কালে ঢাল খাই গৈছিল, আৰু তেতিয়াৰে পৰা মহাত্মাৰ নামত নিজক অৰ্পণ কৰিছিল। তেওঁ লিখিছে, "১৯১৫ চনৰ সেই দিনা মাৰ্চ্চ

সাহব ৫ ভাবিখে মহাত্মা গান্ধীক দেখিলোঁ হয়, কিন্তু মনত কেতিয়াও ভবা নাছিলোঁ যে এই চুটি-চাপৰ মানুহজনেই আমাৰ জীৱনত এনেদৰে প্ৰভাৱ পেলাব আমাৰ জীৱনৰ গতি সম্পূৰ্ণ নতুন খালে নিয়াব। নিয়তিয়ে বোধকৰো অলক্ষিতে সেই দিনা মোৰ জীৱনৰ জখীদাল গান্ধীক গতাই দিলে।”

ব্ৰাহ্ম সমাজৰ আমন্ত্ৰণক্ৰমে কলিকতালৈ আহি এখন সভাত মহাত্মাই হিংসানীতিৰ প্ৰয়োগ সমালোচনা কৰি উত্তেজিত ডেকা আৰু ছাত্ৰ সকলৰ মাজত যিদিনা ভাষণ দিয়া তেওঁ নিজে শুনিছিল, সেইদিনা তেওঁ দেখিছিল যে, সেই সভাত উপস্থিত থকা কোনো এজন ডেকায়ে তেওঁৰ ভাষণৰ প্ৰতিবাদ নকৰিলে সেইদিনাই অমিয় কুমাৰৰ মহাত্মা সম্পৰ্কে প্ৰশ্ন আহিছিল—“এই মানুহ গৰাকীৰ গাতনো কি শক্তি আছে যাৰ ফলত তেওঁ এই উতনুৱা ল ৰাবিলাকক নিস্তব্ধ কৰি ৰাখিব পাৰিলে ?’

একোজন মহান পুৰুষৰ একোটা আঙৰিত একোটা যুগ আগুৱাই যায়। সেই মহান পুৰুষবোৰ জাতিৰ একোটা সন্ধি ক্ষণতে জন্ম লাভ কৰে। সেই যুগাৱতাৰী পুৰুষবোৰে নিজৰ মহান ব্যক্তিত্ব সমাজলৈ আলোকপাত কৰি যোৱাৰ ওপৰিও তেওঁৰ প্ৰভাৱে তেওঁৰ আদৰ্শৰে উদ্বুদ্ধ হোৱা একশ্ৰেণী নতুন পুৰুষবো সৃষ্টি কৰি থৈ যায়।

ভাৰতৰ স্বাধীনতাৰ ইতিহাসত মহাত্মা গান্ধী এটি স্মৰণীয় নাম। পৰাধীন ভাৰতবৰ্ষলৈ স্বাধীনতা আনিবলৈ এই মহাত্মা গান্ধীয়ে ই ৰাজৰ বিৰুদ্ধে অবিৰাম অহিংসা আন্দোলন চলাইছিল। মহাত্মা আছিল অহিংসা আৰু সত্যপথৰ এজন সেৱক। সত্য আৰু ন্যায়-নীতিৰেই এদিন ভাৰতীয় জীৱনলৈ তেওঁ শান্তি আৰু স্বাধীনতা ঘূৰাই আনিছিল। এই বিৰাট পুৰুষ মহাত্মা গান্ধীকে যিবোৰ ভাৰতীয়ই মনে প্ৰাণে বুজিবলৈ যত্ন কৰিছিল, সেই কম সংখ্যালোকৰ ভিতৰত অমিয় কুমাৰো আছিল এজন।

মহেন্দ্ৰ মোহন চৌধুৰীৰ ভাষাত,—"গান্ধীবাদৰ বা গান্ধীজীৰ জীৱন-প্ৰবাহৰ লগত একমাত্ৰ ঘনিষ্ঠ সম্বন্ধ থকা নেতা আছিল অসমত অমিয় কুমাৰ দাস।" 'চাহ মজদুৰ কাকতৰ ভাষাৰে,—"তেখেত গান্ধীদৰ্শনৰ এজন বিশ্বস্ত প্ৰবক্তাই নাছিল, ব্যৱহাৰিক জীৱনতো তেখেত আছিল গান্ধীজীৰ একনিষ্ঠ অনুগামী- গান্ধীজীৰ আদৰ্শত তেখেত ইমান বিশ্বাসী আছিল যে এজন কৰ্মী হৈ থকাৰ বাহিৰে আনকি কংগ্ৰেছৰো বিষয়বাৰৰ প্ৰাৰ্থী নহৈছিল।"

১৯২১, ২২, ৩০, ৪০ আৰু ৪২ৰ প্ৰত্যেকটো আন্দোলনে আছিল মুক্তি আন্দোলন। সমূহ আন্দোলনবোৰ অহিংসা নীতিৰেহে চলাবলৈ প্ৰত্যেকজন ভলেণ্টিয়াৰকে মহাত্মাই নিৰ্দেশ দিছিল। এই আন্দোলনৰ মহাত্মাৰ সকলোবোৰ বাণী গভীৰ আন্তৰিকতাৰে উপলব্ধি কৰি সকলোবোৰ আন্দোলনতে সক্ৰিয় হৈ পৰাৰ কাৰণে অমিয় কুমাৰে নানা দুখ কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। আনকি কেইবাবাৰো তেওঁ জেললৈকেও যাবলগীয়া হৈছিল।

সেৱকক সত্যবাদী, মিষ্টভাষী, বাহ্যিক আড়ম্বৰশূন্য আৰু সবল হোৱাতো মহাত্মাই বিচাৰিছিল। মহাত্মাই সেৱকসকলক ইয়াকো কৈছিল যে, সেৱক সকলে সদায় মুৰৰ চুলি চুটিকৈ কাটিব কাৰণ দীঘলকৈ চুলি ৰাখিলে আচোৰোতে বহু সময় নষ্ট হয়।

মহাত্মাৰ এই সৰু উপদেশ অমিয় কুমাৰে সদায় নিজৰ জীৱনত পালন কৰিছিল। এইখিনিতে তেওঁৰ এটা কথা আমি উল্লেখ কৰিব পাৰোঁ—"পুৰা শ্ৰীকুমুদচন্দ্ৰ গোস্বামীৰ ঘৰলৈ গৈ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰি আছোঁ। এনেতে নাপিত এজন আহিল। তেওঁৰ দাড়ী খুৰোৱা হলত মযো বহিলোঁ। মুৰৰ চুলি খুৰাবলৈ। তেওঁ হাক দিলে—'মুৰ খুৰায় কিয় ?' মোৰ উত্তৰ হ'ল,—"মহাত্মা গান্ধীৰ ত্ৰিচিনপল্লীৰ বক্তৃতাৰ্ধ পাছৰ্ত অন্মীধৰ আৰু মই আঠুমুৰীয়া চুলিয়া

লৈছোঁ। আৰু আজি ক্ৰমনকে আদি কৰি নেতৃস্থানীয় লোকসকলৰ কাৰাগাৰৰ পাছত তুলি থবাবলৈ সংকল্প লৈছোঁ।"

মহাত্মাৰ অস্পৃশ্যতা বৰ্জন সম্পৰ্কে সময়ে সময়ে তেওঁলোকে কেনে কঠিন প্ৰশ্নৰ সন্মুখীন হৈছিল লিখিছে, '১৯২১ চনৰ মাৰ্চ মাহ। আমি বিহালীত অসহযোগ আন্দোলন সম্পৰ্কে বুজোৱাৰ পাচত দিনজয় গোসাইৰ শিষ্য এজনে তেওঁলোকৰ গাওঁলৈ আলহী থাকিবলৈ নিমন্ত্ৰণ জনালে আৰু ৺চন্দ্ৰনাথ শৰ্ম্মাইও সেই নিমন্ত্ৰণ ৰাখিবলৈ মান্তি হ'ল। ৰক্ষণশীল সমাজৰ নিন্দাসূচক মন্তব্যৰ মাজতো সেইখন গাওঁলৈ যোৱা হ'ল। কিন্তু তালৈ গৈ থকা মেলাৰ একোৱে বন্দোবস্ত দেখা নগ'ল। কাৰণ তেওঁলোক বিশ্বাস কৰিব পৰা নাছিল যে, আমি তেওঁলোকৰ নিমন্ত্ৰণ সচাঁকৈয়ে গ্ৰহণ কৰিম। আজি বুজিছিলো। যে কেৱল পৰীক্ষা কৰিবলৈহে তেওঁলোকে তালৈ আমাক নিমন্ত্ৰণ জনাইছিল। পাছত আমাৰ থকা-মেলাৰ ব্যৱস্থা কৰিবলগীয়া হোৱাত তেওঁলোকে আনকি বিমোৰত পৰিব লগীয়া হৈছিল।"

গান্ধী সাহিত্য বুলি তেওঁ যি একশ্ৰেণীৰ অমূল্য ৰচনা আগবঢ়াইছে, এইবোৰেও নিশ্চয় গান্ধীৰ প্ৰতি থকা তেওঁৰ অটল ভক্তি আৰু শ্ৰদ্ধাকে সোঁৱৰাইছে। গান্ধীৰ অন্তৰলৈ তেওঁ কিদৰে সোমাই পৰিছিল এঠাইত তেওঁৰ লিখাত উল্লেখ আছে—"আমি জীৱনৰ ভাটি বেলিকা গান্ধীদৰ্শন বা গান্ধীবিচাৰৰ আলোচনা কৰিবলৈ ওলাওঁতে অৱতাৰী শ্ৰীৰামৰ আলোচনা কৰিবলৈ আগবঢ়া কবি কালিদাসৰ মনলৈ অহা অনুভূতিবিলাক মোৰ মনলৈ আহিছে—

ক্ব সূৰ্য্য প্ৰভৱোবংশ ক্ব চাল্প বিষয়ামতি ।
তিতিৰ্ষু দুস্তৰং মোহাদুড়ুপেনাস্মি সাগৰম্ ॥

ক'ত সদায় আমাৰ চকুৰ আগত জিলিকি থকা হিমালয় সদৃশ গান্ধীৰ ব্যক্তিত্ব আৰু বিচাৰধাৰা আৰু ক'ত মই।"

মহাত্মাক তেওঁ কিদৰে বুজিছিল, সেই সম্পৰ্কে এনে চমু

আলোচনাত প্ৰকাশ কৰা টান। তলত কেইখিলামান ডায়েৰী পাতৰে অংশবিশেষ তুলি দিয়া হ'ল। মহাত্মা গান্ধীয়ে তেওঁক কেনেদৰে প্ৰভাৱান্বিত কৰিছিল সামান্যকৈ ইয়াৰ পৰাই তাৰ সবল আভাস এটা পোৱা যাব।

গান্ধীজিৰ লগত মোৰ নিজৰ লগত কি সম্পৰ্ক, কেনেকৈ ডেকা কালত গান্ধীজিৰ আদৰ্শত অনুপ্ৰাণিত হৈ মুক্তি যুঁজলৈ আগবাঢ়ি আহিলোঁ আৰু আজি এই বয়স পালোহি—সকলো কথা মনলৈ আহিছে—গান্ধীজিক ১৯২১ চনত তেজপুৰত ওচৰা ওচৰিকৈ পোনতে লগ পাওঁ—ইয়াৰ আগতেই দেখিছিলোঁ—কলিকতাত—বাটকৰাই দেখাৰ দৰে-১৯২১ চনত আহমদাবাদতো লগ পাওঁ—কংগ্ৰেছ অধিবেশনলৈ যোৱাত—ইয়াৰ পাছত দিল্লীত—ডাক্তৰ আনছাৰীৰ ঘৰত পাওঁ—তাৰ পাছতো পাইছোঁ—১৯৩৪ চনত ৭ দিন একেলগে ফুৰিব লগীয়া হয়—হৰিজন সকলৰ মাজত।"

[৩ জানুৱাৰী ১৯৫৮ চন]

খেকিয়াজুলীত থাকি গান্ধীজিৰ আদৰ্শ নিজৰ জীৱনত কেনেকৈ পালন কৰিব পাৰো। তাৰ বাবেই যত্ন কৰিছোঁ। য তৰত সূতাকটাৰ কথা জীৱনৰ অভ্যাসৰ মাজত থাকিলেও মাজতোখৰত এৰিছিলো—এতিয়া ঠিক কৰি লৈছো। খেকিয়াজুলীত মই বিটো ঘৰত আছোঁ (পঁজাঘৰ) তাতেই যেন আনন্দ পাওঁ।"

[১মাৰ্চ ১৯৫৮ চন]

"গান্ধীজিয়ে লিখা—Truth is God বোলা কিতাপখনৰ God is বোলা প্ৰবন্ধটো পঢ়িছো। মনতে ভাবো—ঈশ্বৰনো কি? ডেকা বয়সৰ এটা কথা মনলৈ আহে—বি এ পঢ়োতে দৰ্শন মোৰ বিষয় আছিল—সেই সময়ত মোৰ মনলৈ ন্যায়িকতাৰ আহিছিল—কিন্তু লাহে লাহে সেইভাৱবিলাক গ'ল—গান্ধীজিৰ আন্দোলনেও বোধকৰো মানসিক পৰিৱৰ্ত্তন আনিলে।' [৬ এপ্ৰিল, ১৯৫৮ চন]

" • মোৰ জীৱনতো আজি শ্ৰান্তি আৰু ক্লান্তি আহিছে—এনে এটা অৱস্থাত গান্ধীজিৰ জীৱনৰ কথাবিলাকে মনলৈ এটা নতুন প্ৰেৰণা আনিছে—মানুহ কেতিয়াও পুৰণিৰ ওপৰত জীয়াই থাকিব নোৱাৰে—যদি মানুহক সেৱা কৰিব পাৰে বুলি অনুভৱ কৰে তেন্তেহে তেওঁ জীয়াই থাকিবলৈ ইচ্ছা কৰিব পাৰে। গান্ধীজিৰ মাজতে ১২৫ বছৰলৈকে জীয়াই থকাৰ ভাব হৈছিল - কিন্তু ১৯৪৭ চনৰ সাম্প্ৰদায়িক মৰামৰি কটাকটিত তেওঁৰ তেনেভাৱ গুচিবলৈ ধৰিলে। ভগবানে যদি মোৰ পৰা আৰু কাম বিচাৰিছে তেন্তে মই সেই কাম কৰিব লাগিব—কিন্তু মই যদি কাম কৰিবলৈ অপাৰগ হওঁ তেন্তে ভগৱানে মোক সোনকালেই নিয়াটো শ্ৰেয়।"

[১৫ জুন ১৯৫৮চন]

"মহাত্মা গান্ধীয়ে লাখুটীৰ ওপৰত ভৰ কৰি সাম্প্ৰদায়িক বতাহৰ পাকত পৰি নোৱাখালিলৈ গৈ তাত কেনেকৈ শান্ত অৱস্থা আনিছিল —কলিকতাত কেনেকৈ ঠিক ১৫ আগষ্টৰ কেইদিনমান আগত হোৱা অৱস্থা সম্পৰ্কে সলনি কৰি নতুন এটা বতৰৰ সৃষ্টি কৰিব পাৰিছিল—তাকেই মনলৈ আহিছে। যিবিলাক সহকৰ্মীৰে সৈতে মহাত্মা গান্ধীয়ে ভাৰতৰ মুক্তিৰ অভিযান চলাইছিল—আজি মুক্তিৰ ভেওনা পাৰ হওঁতে সেইবিলাক পুৰণি সহকৰ্মী বন্ধুৰ লগত মহাত্মাজীৰ কি ব্যৱধান আহিছে - তাকেই মনলৈ আহিছে -

[১৩ জুন ১৯৫৮ চন]

"এই ১ বছৰ আমি গান্ধীজিৰ পৰামৰ্শ উপদেশ আদি বাজহুৱা জীৱনত কিদৰে পালন কৰিছে৷ সেই কথাই মনলৈ আজি আহিছে—"

[৩ জানুৱাৰী ১৯৫৮ চন]

"মহাত্মা গান্ধীৰ ঈশ্বৰবিশ্বাস সম্পৰ্কে মনতে ভাবিছোঁ। গান্ধীজিৰ সৃষ্ট জীৱবিলাকৰ ভিতৰত সকলোতকৈ ক্ষুদ্ৰ হলেও সকলোলৈকে সমানে মৰম আছিল—এইটো এটা সামান্য জীৱ

এইটোলৈ মোৰ একো কৰ্ত্তব্য নাই এনে এটা ধাৰণা তেওঁৰ মনলৈ অহা নাছিল।

সকলো জীৱলৈকে সমান ভাৱ বিজনলোকে আনিব বিচাৰে, তেওঁ জীৱনৰ সকলো ক্ষেত্ৰৰ লগত সম্পৰ্ক ৰাখে। তেওঁ আত্মজীৱনীত লিখিছিল—'সত্যলৈ মোৰ ভক্তি থকা বাবে মই ৰাজনীতিৰ ক্ষেত্ৰলৈ আহিছোঁ। মহাত্মাজী নিজৰ ৰাজনীতিলৈ অহাৰ কাৰণ এইদৰে লিখিছিল—কিন্তু আজি-কালি আমি ৰাজনীতিলৈ আহিছোঁ—শক্তিক্ষমতাৰ অধিকাৰী হবলৈ। আজি এইবাবেই কংগ্ৰেছত দুৰ্বলতা আহিব ধৰিছে। আজি-কালি বহুতে কয় ৰাজনীতিত ধৰ্মৰ সম্বন্ধ নাই, কিন্তু গান্ধীজিয়ে লিখিছিল যিসকলে এনেদৰে ভাবে তেওঁলোকে নাজানে ধৰ্ম্মৰ অৰ্থ কি? অতি বিনয়েৰে সৈতে এই কথাষাৰ তেওঁ কৈছিল। [৯ এপ্ৰিল ১৯৫৮ চন]

সোণালী সংগম

ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰে সৈতে

অসমীয়া সাহিত্যত বেজবৰুৱা আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী আদিৰ যেনে সংগম, ধৰ্মক্ষেত্ৰত যেনেকৈ অসমত শংকৰ মাধৱৰ মিলন, তেনেকৈ অসমৰ ৰাজনীতিৰ ক্ষেত্ৰতো ত্যাগবীৰ বৰুৱা আৰু লোকনায়ক দাস ডাঙৰীয়াৰ মাজতো সেই একে সৌহাৰ্দ্দই জাতিক মহীয়ান কৰিছিল।

দেশনায়কৰ কোনো দেশবাসীৰে সৈতে ভীন্নতা নেথাকে সঁচা, কিন্তু কাৰ্যক্ষেত্ৰত কিছুমান বিশেষ বিশেষ মানুহৰ সৈতেহে তেওঁলোকৰ গভীৰ আত্মীয়তা গঢ়ি উঠা দেখা যায়। তেওঁলোকৰ সেই সোণালী সংগমে দেশৰ দহজনকো গৌৰৱে উজলাই তোলে।

লোকবন্ধু ডা বৰুৱা পণ্ডিত বাণীকান্ত কাকতি, সিদ্ধিনাথ শৰ্মা, দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা হেম হাজৰিকা নিত্যানন্দ বৰদলৈ আদি অমিয় কুমাৰৰ অন্তৰংগ বন্ধু সঁচা, কিন্তু দেখা গৈছে ত্যাগবীৰৰ সৈতে থকা তেওঁৰ বন্ধুত্বৰ সম্বন্ধ অতিকৈয়ো গভীৰ যেন লাগে।

জীৱনৰ খোজে খোজে উভয়ে উভয়ৰ মৰম প্ৰীতি সহায় সহাযোগিতাৰে কৰ্মক্ষেত্ৰত আগবাঢ়ি যোৱা আমাৰ চকুত পৰে। হৃদয়ৰ যদি অমিয়কুমাৰৰ কাৰোবাৰ সৈতে সাল সালনি হৈছিল তেতিয়া হলে ত্যাগবীৰৰ সৈতেই হৈছিল। স্বাধীনতাৰ সংগ্ৰামত উভয়ে সক্ৰিয় হৈছিল। ধৰ্ম কৰ্ম উভয়তে দুয়োজন যেন সখা কৃষ্ণাৰ্জুন। ৰাজনীতি-সাহিত্য উভয়তে তেওঁলোকৰ মণি কাঞ্চন মিলন হৈছিল। ত্যাগবীৰ বৰুৱা ডাঙৰীয়া আছিল চিৰকুমাৰ আৰু নামত হলেও অমিয় কুমাৰ আছিল সংসাৰী। যি দুজন মানুহে এজন মানুহৰ পৰা টকাটোৰ চাবি অনা ৰাখি বাৰ অনা ঘূৰাই

সোফালৰ পৰা কেন্দ্ৰীয় বনুৱা সচিব শ্ৰীলাল জগজীৱন ৰাম (বৰ্তমান ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী) অমিয় কুমাৰ দাস কামাখ্যা প্ৰসাদ ত্ৰিপাঠী। পিছফালে থিয় হৈ মন্ত্ৰী দুগৰাকীৰ ব্যক্তিগত সচিব আৰু সহায়কসকল।



কহিমালৈ নগা ভাইসকলৰ লগত আলোচনা কৰিবলৈ যাওঁতে পণ্ডিত জৱাহৰলাল নেহৰুজীৰে সৈতে অমিয়কুমাৰ।



জেনেভাৰ বনুৱা সংস্থাৰ সভাগৃহৰ ওচৰত ভাৰতীয় প্ৰতিনিধি দলৰে সৈতে দলপতি অমিয় কুমাৰ দাস।

দিয়াৰ সময়ত ইজনে সিজনৰ কুৰলৈ চোৰা-চোৰি কৰিব লগীয়া হৈছিল—তেওঁলোক হৈছে ত্যাগবীৰ বৰুৱা আৰু আনজন অমিয়কুমাৰ দাস। সমাজৰ নানা সংগঠনমূলক কামবোৰ অমিয় কুমাৰৰ প্ৰিয় আছিল, কিন্তু সক্ৰিয়ভাবে ৰাজনীতিৰ মাজত সোমাই থাকিবলৈ তেওঁ বাঞ্ছা কৰা নাছিল। ত্যাগবীৰ সমাজ সংগঠক আছিল, কিন্তু প্ৰশাসক নাছিল। কিন্তু ৰাজনীতিৰ কূটনীতিত ত্যাগবৰুৱা আছিল অমিয় কুমাৰতকৈ অতিকৈ বিচক্ষণ। মহেন্দ্ৰ মোহন চৌধুৰীয়ে তেওঁলোকৰ বন্ধুত্বৰ কথা এইদৰে উল্লেখ কৰিছে—"এই দুগৰাকী নেতাৰ অভিন্ন হৃদয়তা মানুহৰ আদৰ্শণীয়। দুয়োগৰাকী নেতাই একেটা ঘৰতে থাকে। বান্ধনি নহলেও নিজেও বজাৰ কৰি বান্ধি বাঢি খাইছিল। দুয়োগৰাকী নেতাৰ ভিতৰত অকণো প্ৰভেদ কোনেও কোনো ক্ষেত্ৰতে কল্পনা কৰিব নোৱাৰিছিল। ১৯৩০ আৰু ১৯৩২ চনৰ স্বাধীনতা সংগ্ৰামত দুয়ো গৰাকীয়ে কাৰাবৰণ কৰিছিল।"

বেজবৰুৱাৰ সান্নিধ্যলাভ

কলিকতাত পঢ়ি থকা সময়তে তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ সান্নিধ্যলৈ যোৱাৰ সুযোগ পাইছিল। তেওঁ বেজবৰুৱা ডাঙৰীয়াক প্ৰথম লগ পাইছিল বিপণ কলেজৰ এখন সম্বৰ্দ্ধনা সভাত। সেইদিনা তেওঁক কবি যতীন দুৱৰাই বেজবৰুৱাৰ সৈতে পৰিচয় ঘটাইছিল।

তেওঁ সৰু কালৰেপৰা বেজবৰুৱাৰ কথা শুনিছিল আৰু বেজবৰুৱাৰ 'বাঁহী' আলোচনী মনোযোগেৰে নিয়মীয়াভাৱে পঢ়িছিল। স্কুলত বেজবৰুৱাৰ কিতাপ পাঠ্য পুথি হিচাবে পঢ়িছিল আৰু সেই পাঠ্যপুথিয়ে তেওঁৰ অন্তৰত দকৈ সাঁচ বহুৱাইছিল।

কিন্তু বেজবৰুৱাক ব্যক্তিগতভাৱে লগ পোৱাৰ পিছত ক্ৰমশঃ তেওঁৰ ৰসাল বেজবৰুৱাজনৰে সৈতে অন্য এটা নিবিড় সম্বন্ধ গঢ়ি উঠিছিল। অমিয়কুমাৰক বেজবৰুৱাৰে সৈতে চিনাকি কৰি দিছিল

বক্তীন হুৱবাই। সেইদিনা অমিয়কুমাৰৰ পৰিচয় পায়ে বেজবৰুৱাই কৈ উঠিছিল—"অ তুমিয়েই গুৱাহাটীত খ্যাতি আৰ্জি অহা অমিয় নেকি? কলিকতালৈ আহি ভালেই কৰিলা।" এই খ্যাতি কথাষাৰ বেজবৰুৱাৰ স্বভাৱসুলভ কৌতুক ৰসৰহে কথা আছিল।

কলিকতাত থকাৰ পিছৰে পৰা তেওঁৰ বেজবৰুৱাৰে সৈতে গভীৰ আত্মীয়তা গঢ়ি উঠিছিল। পিছত বেজবৰুৱাই তেওঁক 'বাঁহী'ৰ সহায়ক হিচাবে এদিন নিযুক্ত দিছিল। বেজবৰুৱাৰ সান্নিধ্যই আছিল অমিয়কুমাৰৰ সাহিত্যিক জীৱনৰ মূল প্ৰেৰণা।

বনফুলৰ কবি দুৱৰাৰে সৈতে

বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা ডাঙৰীয়াৰ সৈতেও তেওঁৰ ঘনিষ্ঠ সম্বন্ধ আমি দেখা পাওঁ। তেওঁ যিদিনা গুৱাহাটীৰ পৰা কলিকতালৈ পঢ়িবলৈ গ'ল, সেই খবৰ দুৱৰা ডাঙৰীয়াই পাই ভাবিছিল যে তেওঁৰ বন্ধু অমিয় কুমাৰ নিশ্চয় তেওঁৰ হোষ্টেলতে (সেই সময়ত দুৱৰা স্কটিছ চাৰ্চ কলেজৰ টমাৰী হোষ্টেলৰ সহকাৰী চুপাৰিনটেণ্ডেণ্ট আছিল) থাকিব। কিন্তু বিশেষ এটা অসুবিধাৰ কাৰণে তেওঁ যেতিয়া দুৱৰাৰ হোষ্টেলত নেথাকি, সেই কলেজৰে আইন এখন হোষ্টেলতহে থকাৰ বন্দোৱস্ত কৰিলে দুৱৰাই সেই খবৰ পোৱাৰ পিছত তেওঁৰ প্ৰতি যাৰপৰনাই অসন্তুষ্ট হৈছিল। আনকি এই কথাটোকে লৈ অভিমানী দুৱৰাই তেওঁৰ ওপৰত অভিমান কৰি প্ৰায় এবছৰ কাল ধৰি তেওঁক মাতিবলৈ মাত্তি হোৱা নাছিল। এনে কথাও শুনা গৈছে যে ধীৰেণ আগৰৱালাৰ সৈতে তেওঁ দুৱৰাৰ ঘৰলৈ ফুৰিবলৈ যায় দুৱৰাই আগৰৱালাৰ সৈতে কথা বতৰা পাতে, দুয়োজনকে চাহ-জলপানো দিয়ে অথচ অমিয় কুমাৰক নেমাতে। প্ৰায় এবছৰৰ পিছতহে তেওঁৰ অন্তৰ কোমলিছিল আৰু তেওঁৰ সৈতে কথা বতৰা হবলৈ আৰম্ভ কৰিছিল।

এদিন অমিয় কুমাৰ আৰু তেওঁৰ কেইবাজনো বন্ধুৰ অনুৰোধ ক্ৰমে তেওঁৰ কোঠালীতে দুৱৰাই "কোন স্বৰ্গৰ জেউতি নামিছে

উজলি পৰিল ধৰা" এনেধৰণে কবিতা এটা ৰচিবলৈ আৰম্ভ কৰিছিল। সেইদিনা আকৌ অমিয় কুমাৰ আৰু পুষ্পলতাৰ বিয়াৰ বাতৰি পাই কবি যতীন দুৱৰাই ৰচিছিল,—

"দিয়ক ঈশ্বৰে যেন মধুৰ জীৱন,
শৰতৰ সোণালী কিৰণ
অমিয়া প্ৰেমৰ সোঁতে জীৱন আবৰি ধৰি
কৰে যেন মধু বৰিষণ
—সৰগৰ নন্দন কানন
হক তেনে মধুৰ জীৱন,
শৰতৰ সোণালী কিৰণ।
মাকণক আৰু লগতে কওঁ—
পূৰ্ণিমাৰ জোনাক বাতিয়ে
ধৰণীত সুষমা ঢালক।
জীৱনৰ তোমাৰ পথত
সৰগৰ আশীষ নামক।"

ডা ভূৱনেশ্বৰ বৰুৱাই তেওঁ চিঠিত লিখিছিল—"অমিয়ই ইমান দিনৰ মূৰত যে সাগৰৰ পাৰ পালে জানি বৰ ৰ পাইছো। ঈশ্বৰে যেন তেওঁলোকৰ সকলোপিনে মঙ্গল কৰে। মাকণক (পুষ্পলতাক তেওঁ মাকণ বুলিছিল) মোৰ মৰম আৰু আশীৰ্ব্বাদ দিবা।"

দুৱৰাৰ আলমাৰিত থকা টুৰ্গেনিভ, শেকভ, পুস্কিন আদি বাছিয়ান সাহিত্যিক সকলৰ আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা লেখিকা অলিভ শ্ৰীনাৰৰ (Olive Schriner) গদ্য কবিতা ড্ৰীম (Dream) বোলা এই সকলো কিতাপ অমিয়কুমাৰক পঢ়িবলৈ দুৱৰায়ে উদ্গাইছিল।

জন্ম আৰু বংশ পৰিচয়

অমিয় কুমাৰ দাসৰ জন্মৰ সঠিক তাৰিখ পোৱা নাযায়। তেওঁৰ জন্মৰ তাৰিখ সম্পৰ্কে আনকি তেওঁ নিজেও নিশ্চিত নাছিল। তেওঁ লিখিছে,—

"মোৰ জন্মৰ তাৰিখ মই সঠিককৈ নাজানো। কাৰণ সৌৰৰণি আদিৰ কথা ব্ৰাহ্ম ধৰ্ম গ্ৰহণ কৰাৰ পাছত বৰ্জ্জিত হৈছিল। কিন্তু স্কুলত ভৰ্ত্তি হওঁতে মোমাইদেউৱে লিখি দিছিল ২৫ বহাগ, ৫ মে, ১৮৯৫ চন। অৱশ্যে নিজৰ স্মৃতিশক্তিত অবিশ্বাস নকৰিলেও এই বিষয়ত মই সঠিক বুলি ডাঠি কব নোৱাৰো।'

'মই যি মুহূৰ্ত্তত এই পৃথিবীলৈ আহিলো। সেই মুহূৰ্ত্তটো শুভই নে অশুভই মই ভাবি নাপাওঁ। কাৰণ মোৰ জন্মৰ কিছুদিনৰ পাছত মোৰ পিতৃবিয়োগ হয়। ময়েই ষষ্ঠ সন্তান আছিলো। চতীয়া, জামুগুৰি, কলিয়াবৰ আদিৰপৰা মোৰ আইৰ সম্পৰ্কীয় বুঢ়ী তিৰোতাসকল আহিলে মোক মৰম কৰাৰ লগতে সম্বোধন কৰে "বাপেৰৰ মূৰ খোৱাটো। শিশু মনে বুজি নাপায়। মইনো কেনেকৈ দেউতাৰ মূৰ খোৱা হলো।।

তেওঁৰ ককাদেউতাক ৺লক্ষ্মীকান্ত বৰকাকতী শক্তি উপাসকৰ ৰ শৰ বুলি পৰিচিত। তেওঁলোকৰ পূৰ্বপুৰুষ আছিল শিৱসাগৰৰ। মান অত্যাচাৰৰ সময়ত দৰঙলৈ আহি চতীয়াতে ঘৰ মাটি কৰি স্থায়ীভাৱে বস বাস কৰিছিল। লক্ষ্মীকান্ত বৰকাকতী ধম ৰ প্ৰতি বৰ উদাৰ লোক আছিল। তেওঁ চাহ বাগিচা আৰু ষ্টীমাৰ কোম্পানীত কাম কৰিছিল। তেওঁ বিশ্বনাথৰ পৰা এখন কাকতো উলিয়াই বাইজৰ সেৱা কৰিছিল।

তেওঁৰ দেউতাক আছিল ৺উদয় ৰাম দাস। গুৱাহাটীৰ ভৰলুমুখতে তেওঁৰ ঘৰ আছিল। উদয়ৰামে কামাখ্যাৰাম বৰুৱাক

দেউতাকৰ সৈতে ডবলুমুখত প্ৰেছ খুলি ইংৰাজী বাতৰি কাকত এখনো ছপাবলৈ আৰম্ভ কৰিছিল। উদয়ৰামে নগাওঁৰ কেলিডেন বাগিছাত কাম কৰিছিল আৰু তাৰপৰাই প্ৰেছলৈ ধন পঠাইছিল। 'জীৱন স্মৃতি'ত লিখিছে—, 'দেউতাও সৰুতে পিতৃহীন হৈছিল আৰু বুঢ়ী আয়ে সূতা কাটি কাপোৰ বৈ দেউতাক হেনো গুৱাহাটীৰ হাইস্কুলত পঢ়ুৱাইছিল এণ্ট্ৰেন্সলৈকে। এণ্ট্ৰেন্সৰ পাছত চৰকাৰী বৃত্তি পাই কলিকতাৰ কেম্পবেল মেডিকেল স্কুলত পঢ়ি ডাক্তৰী পাছ কৰে। চৰকাৰী চাকৰী নোপোৱাত বাগিছাৰ চাকৰী লয়। বেজবৰুৱাক পোন প্ৰথমতে ১৯১৪ চনত কলিকতাত লগ পাওঁতে আৰু মোৰ চিনাকি পাই বেজবৰুৱাই দেউতাৰ কথা কৈছিল। কলিকতাত ভোলা বৰুৱাৰ লগত চিনাকি হোৱাত তেখেতেও দেউতাৰ কথা কৈছিল—"আমি একেলগে পঢ়া দেউতা কলিকতালৈ গৈ ব্ৰাহ্মসমাজৰ প্ৰভাৱত পৰিল আৰু এইদৰে আমি গতানুগতিক অসমীয়া সমাজৰ পৰা আঁতৰিব লগীয়া হ'ল।

তেওঁৰ মাক আছিল সৰলা দেৱী। তেতিয়াৰ দিনতে তেওঁৰ মাক সৰলা দেৱীয়ে ৺স্বৰ্ণ কুমাৰী দেৱীৰে সৈতে কলিকাতালৈ গৈ বেথুন স্কুলত পঢ়িছিল। তেতিয়াৰ দিনত তেওঁলোকৰ নাবেৰে কলিকতালৈ পঢ়িবলৈ যাওঁতে প্ৰায় এমাহ সময় লাগিছিল। সৰলাদেৱীৰ সৰুৰেপৰা স গীতবিদ্যাত প্ৰবল ধাউতি আছিল। সেই সময়ত তেওঁৰ ভক্তিমূলক ব্ৰাহ্মস গীতবোৰে সমাজত খুব জনপ্ৰিয়তা অৰ্জন কৰিছিল। আনকি তেওঁৰ কণ্ঠক 'কিন্নৰী কণ্ঠ'ৰে অভিহিত কৰিছিল।

তেওঁ আছিল এগৰাকী স্নেহশীলা মাতৃ। "মানুহক সেৱা শুশ্ৰূষা কৰিবলৈ মোৰ আয়ে বৰ ভাল পাইছিল। তেজপুৰ নগৰতো সেই সময়ত নাৰ্ছ, মিডৱাইফ আদিৰ একো ব্যৱস্থা নাছিল। কেইগৰাকী মান মহিলাই বেমাৰীক শুশ্ৰূষা কৰিবলৈ যত্ন কৰিছিল। সেই সকলৰ লগৰ মোৰ আয়ো এগৰাকী আছিল। সেইদিনা

আমুগুৰিৰ উত্তৰে থকা মনাই বাগিচাৰ মেনেজাৰ ৺মতিলাল হালদাৰে টাইফয়েড বেমাৰ হোৱা জীয়েকক লৈ তেজপুৰ পাইছিলহি আৰু এই বেমাৰী শুশ্ৰূষাতেই মোৰ আই ব্যস্ত থাকিবলগীয়া হৈছিল। কিন্তু ৰাতি পা বেৱা লগাত ঘৰলৈ উভতি আহিব লগা হ'ল আৰু ইমান অকস্মাতে মই পৃথিৱীলৈ আহিলোঁ যে মোৰ মোমাইদেউৱে (৺ ব্ৰহ্মানন্দ বৰকাকতী) সাৰ পাই উঠি ভাবিলে ঘৰলৈ চোৰ আহিছে। তেওঁ বন্দুক হাতত লৈ চোৰ খেদিবলৈ আহিল।' সৰলাদেৱী এনেকুৱা মৰমীয়াল আছিল যে খাৱৈত পৰি থকা হুদু পোৱালি এটাকো বুটলি নি সন্তানৰ দৰে লালন পালন কৰিছিল। সাধাৰণতে মানুহে যক্ষ্মা ৰোগীক শুশ্ৰূষা কৰিবলৈকে টান পায়। সৰলাদেৱীয়ে আকৌ তেনে ৰোগীৰো শুশ্ৰূষা কৰিছিল।

অমিয় কুমাৰ দাসৰ তিনিজন ককায়েক আৰু দুজনী বায়েক আছিল। তাৰ ভিতৰত দুজন ককায়েক আৰু বায়েক দুজনী ঢুকাইছিল। ককায়েক বিনয় কুমাৰ দাসকো তেওঁ অকস্মাৎ এদিন হেৰুৱাইছিল। 'মোৰ পিতৃ বিয়োগ হোৱাৰ পাছত মোৰ আই নানান আহুকালৰ মাজত পৰিবলগীয়া হ'ল। তাৰ ভিতৰত মোৰ ককাইদেউৰ (বিনয় কুমাৰ দাস) কলাজ্বৰ হোৱাটো প্ৰধান। সেই সময়ত অসমত কলাজ্বৰে পোন প্ৰথমতে হেনো দেখা দিছিল।

সংসাৰত অমিয় কুমাৰৰ সন্তান বুলিবলৈ আছে একমাত্ৰ জীয়েক নন্দিনী দাস। যথাসময়ত তেওঁ জীয়েককো উপযুক্ত জনলৈ উলিয়াই দি সংসাৰ বন্ধনৰপৰা মুক্ত হৈছিল। তেওঁৰ পত্নী শ্ৰীযুক্তা দাস তাগুৰীয়ানী অবিৰতভাৱে দেশসেৱাতে আজিও লাগি আছে।

শৈশৱ কাল

সোণৰ চামুচ মুখত লৈ তেওঁ জন্মলাভ কৰা নাছিল। এশ এবুৰি অভাৱ অভিযোগৰে ভৰা এটি সৰু পৰিয়ালত তেওঁ জন্ম লাভ কৰিছিল। সৰুতে তেওঁৰ দেউতাক ঢুকুৱা বাবে ককাদেউতাকৰ আশ্ৰয়তে তেওঁ ডাঙৰ দীঘল হ'বলগীয়া হৈছিল। ইফালে ককাদেউতাকৰো ঘৰৰ অৱস্থা সেই সময়ত টনকিয়াল নাছিল। তেনেস্থলত তেওঁলোকৰ পৰিয়ালটোও আহি যেতিয়া ককাদেউতাকৰ ঘৰ সোমাইছিল, সেই সময়ত ককাদেউতাকৰ পৰিয়ালত তেওঁলোক গোটেই বিলাকক লৈ কেনে আলৈ আহুকালত পৰিবলগীয়া হৈছিল তেওঁ লিখিছে—"দেউতাই মৃত্যুৰ আগতে তেওঁৰ বাইদেউকৰ পৰিয়ালটো চপাই লবলগীয়া হ'ল। বাইদেউকো ঢুকাল ভিনীহিদেউকো ঢুকাল। দুজনী ছোৱালী আৰু এটি ল'ৰা থৈ। এই পিতৃ-মাতৃ হীন ল'ৰা ছোৱালী কেইটিৰ লগতে আমি দুটিও সৰু ল'ৰা। গোটেইবিলাক তেজপুৰলৈ আহিব লগা হ'ল। ইয়াতেই আমাৰ পৰিয়াল শেষ হোৱা নাছিল। নগাঁওৰ কেলিডেন বাগিচাত দেউতাই কাম কৰোঁতে আৰু কেইটিমান পিতৃ মাতৃহীন বমুৱা ল'ৰা ছোৱালী তুলি লৈছিল। সকলোকে লৈ এখন ডাঙৰ সংসাৰে সৈতে তেজপুৰলৈ আহিল। তেজপুৰতো দেউতাই ঘৰ সাজিবলৈ মাটি লৈছিল—বৰ্ত্তমানে পুলিচ থানাৰ দক্ষিণে। এনেতে তেওঁ সংসাৰ এৰিব লগীয়া হ'ল। ঘৰ সজোৱা হৈ নুঠিল। যি হওঁক, সকলো আহুকালৰ মাজত ককাদেউতাৰ পৰিয়ালত আমি সোমাবলগীয়া হ'ল। ককাদেউতাৰো পুতেকৰ (মোৰ মোমাইদেউৰ) বাহিৰে পৰিয়ালত আন কেও নাছিল। মোৰ পিতৃ-বিয়োগৰ পাছতেই মোমাইদেৱে কলিকতাৰ ছাত্ৰ জীৱনৰ অন্ত পেলাই তেজপুৰলৈ আহিবলগীয়া হ'ল সংসাৰৰ দায়িত্ব লবলৈ।

বাকী সাথিবলৈ দোকানী আছে। সোধে—"মোমাইদেউৰা আছেনে?' কওঁ, "নাই, ওলাই যোৱা দেখিছোঁ। দোকানীয়ে কয়, "মিছা কথা কৈছা?' আচৰিত হওঁ– "মিছা কথা কবলৈ আয়ে হাক দিছে।' দোকানীয়ে নুবুজে। উপলুঙা কৰি শুচি যায়—"বাকী শোধ কৰাৰ ভয়ত মিছা কথা কৈছা। ভিতৰলৈ গৈ আইক কওঁ দোকানীৰ কথা। আইৰ চকুলো বৈ যায়। কয়, 'বাপুটী সক ল'ৰা, এই বয়সত ইমান বিলাকৰ বোজা কেনেকৈ চম্ভালে! পঁচিশ টকা দৰমহাৰে অতখিনি মানুহ চলিব লগীয়া হৈছে। সকলো বস্তুৰ দাম।" ককাদেউতাই সেই সময়ৰ তেজপুৰৰ চাৰি পাঁচ মাইল আঁতৰৰ দোলাবাৰীত পামত থাকি খেতি কৰে। ঘৰৰ অভাৱৰ ছবিখন দেখি আমি আমাক যি খাবলৈ দিয়া হৈছিল তাতকৈ বেছি বিচৰাটো অপৰাধ বুলিয়েই ভাবিছিলোঁ।"

শিশুমনে দেউতাকক নেদেখি দেউতাকক বিচাৰে। 'মোৰ আয়ে ককাদেউতাক 'দেউতা' বুলি মাতে। ময়ো লগতে দেউতা বুলি মাতোঁ। বহুত দিনৰ মূৰত এদিনা ককাদেউতা ঘৰলৈ অহাত মই লৰি ওলাই গলোঁ। 'দেউতা দেউতা' বুলি চিঞৰি। ককাদেউতাই মোক মৰম কৰি সাবটি ল'লে। কিন্তু পাছত আয়ে মোক শুধৰাই দি কলে,— তই দেউতা নুবুলিবি তোৰ ককাদেউতাহে।' মই সুধিলোঁ,- মোৰ দেউতা ক'ত? মোৰ দেউতাক লাগে।" আয়ে মোক বুকুত সাবটি ললে, দুগালেদি চকুলো বৈ গল। "তোৰ দেউতা ঈশ্বৰৰ কোলাত!' শিশুমনে ঈশ্বৰক খাটে দেউতাক ঘূৰাই দিব লাগে।"

শৈশৱ কালতে তেওঁ, দাদাভাই নৌৰোজী গোপালকৃষ্ণ গোখেল, সুৰেন্দ্ৰনাথ বেনাৰ্জী, বাল গঙ্গাধৰ তিলক আদিকৰি এই সকল নেতাৰ নাম শুনিছিল। লোকমান্য তিলকৰ কেতিয়া কাৰাদণ্ড হৈছিল মনত নপৰিলেও মুক্তি দিয়াৰ পিছত তেওঁৰ

কথাবোৰ সাধুকথাৰ দৰে তেওঁ সকতে শুনিছিল। এই শৈশৱতে "মোহনদাস কৰমচাঁদ গান্ধী' এই তিনিটা শব্দই কেনেকৈ তেওঁক প্ৰভাৱ পেলাইছিল, আগতে আলোচনা কৰা হৈছে।

তেওঁৰ পাঁচ কি ছয় বছৰ বয়সত লৰ্ড কাৰ্জন বেতিয়া তেজপুৰলৈ আহিছিল, সেই সময়ত গোটেই তেজপুৰত উথল মাথল লাগিছিল। কাৰ্জনৰ বিষয়ে তেওঁৰ দুটা কথাই মনত ৰৈছিল। গুৱাহাটীৰ পৰা ইমান কম সময়ৰ ভিতৰত জাহাজ উজাই অহাটো আৰু আনটো তেওঁৰ মনত বোৱা কথা আছিল—"লৰ্ড কাৰ্জনক বালীপাৰালৈ নিবলৈ টি বি বেলৱেৰ ইঞ্জিনৰ চালক সেইদিনা স্বয়ং মেনেজাৰ ডি টিভোলী ছাহাবেই আছিল। সাধাৰণতে এনে কথা নহয় দেখি অবামনত বৰকৈ সোমাল। তেওঁনো কিয় বালীপাৰাৰ চাৰিছুৱাৰৰ ৰবৰ আৰু শালবনত দৰবাৰ পাতিছিল। পাছতহে বুজিবলৈ পালোঁ। সাম্ৰাজ্যবাদী কাৰ্জনে সাম্ৰাজ্য ৰক্ষাৰ দৃষ্টিৰে হিমালয়ৰ "সাগৰ ফেনৰ কাঁইটীয়া জেওৰা ৰ (Himalayan Cactus Hedge) সিফালে থকা তিব্বতলৈ অভিযান পঠোৱাৰ সুবিধা-অসুবিধা চোৱাটোও তেওঁৰ উদ্দেশ্য আছিল।

ভূটীয়াৰ সাতৰজা তেজপুলৈ অহা তেওঁলোকে সকতে দেখিছিল। "এইটো এটা বছৰেকীয়া উৎসৱৰ দৰে আছিল। ডফলা আঁকাই আহি পছা" লয়হি। 'পছা' না কি আমি একো নুবুজো। আৰু জাক জমকেৰে ঘোঁৰাত উঠি সাত ৰজা আহে। ঘোঁৰাৰ ডিঙিত ওলমি থকা জুনুকাৰ শব্দ আঁতৰতে শুনিবলৈ পাওঁ। বাটৰ কাষত ৰৈ থাকোঁ চাবলৈ। তেওঁলোকৰ পোছাক আন ৰকমৰ ডিঙিত মণি, লগত বহুতো মানুহ। আচৰিত হওঁ। মনলৈ নানান ভাৱ আহে—আমাৰনো ৰজা কোন ? শুনো আমাৰ ৰজা নাই, আমাৰ হেনো মহাৰাণী সাত সমুদ্ৰ তেৰ নদীৰ পাৰত থাকে—তাৰো মহাৰাণী এইদৰে অহা হলে আমি চাবলৈ পালোহেতেন। এনেতে এদিনা বাওৰি আহে মহাৰাণী হেনো ঢুকাল। কিছুমানে ক'লা ফিটা

হাতত থাকে—আমাৰো মন যায় সেইদৰে ক’লা কিটা মাৰিবলৈ। কিছুমানে কয়—চৰকাৰী চাকৰিয়ালেহে মাৰিব লাগে ; ভইভকো চৰকাৰী চাকৰিয়াল নহয়।

সপ্তম এডবাৰ্ডৰ অভিষেকৰ সময়ত তেজপুৰত হোৱা ৰং-ৰেমালি তেওঁ সকলো চাইছিল। বন্ধা চকুৰে কলহ ভঙা দৃশ্য চাই বিশেষকৈ তেওঁ মোহিত হৈছিল। জয়ন্তী চাহাব সিং কোপলেও কলহ ভাঙিবলৈ গৈ মানুহৰ গাতে কোৰ মাৰিবলৈ আগবাঢ়ি যোৱা দেখি তেওঁলোকে তেতিয়া খুবকৈ হাঁহিছিল।

ডফলা অভিযান, আঁকা অভিযান, ভূটীয়া অভিযানৰ কত কথা ককাদেউতাকৰ মুখেৰে সকলো তেওঁ শুনিছিল আৰু চাহ বাগিচালৈ ফুৰিবলৈ গৈ বনুৱাবিলাকক কেনেধৰণে গিৰ্মিটীয়া হিচাবে আনিছিল সেইবিলাক দুখৰ কথাও তেওঁ সকলোৱেই শুনিছিল।

শৈশৱৰ স্মৃতিলৈ মনত পেলাই কমলাকান্ত ভট্টাচাৰ্য্যই তেওঁক কেনেধৰণে আদৰ কৰি বুকুত সুমুৱাই লৈছিল, নিজে লিখিছে— “আহ ভই মোৰ নাতি বুলি চপাই লৈ চুমা খায়। কওঁ, “দাড়িয়ে বিন্ধিছে, দাড়িয়ে বিন্ধিছে।” কিন্তু তেওঁ যেতিয়া তেজপুৰৰ শিল-বিলাক লৈ কবিতা শুনাব তেতিয়া ওচৰ চাপি যাওঁ শুনিবলৈ, মনলৈ যে কত ভাব আহে! এই শিলবিলাক কত পুৰণি কথা লৈ কছাৰী ঘৰৰ ওচৰতে পৰি আছে!”

শিশুকালৰ আন স্মৃতি মনত পেলাই তেওঁ লিখিছে,—“ৰুছ-জাপান যুদ্ধৰ কথাই মন উতলা কৰে। ককাদেউতাই বাতৰি কাকত পঢ়ি কয়—জাপানে ভুল কৰিলে। উঠি অহা দেশখন ৰুছ দৈত্যৰ চেপাত মৰে নেকি? জাপানলৈ সহানুভূতি। জাপান যে লাঞ্ছিত, পদানত এচিয়াৰ গৌৰৱ। সোধোঁ—“জাপান ক’ত ককাদেউতা?” “বেলি ওলোৱা ঠাইত।’ পুবৰ বেলি ওলোৱা চাওঁ, আমোচা জাপান দেখোঁ। জাপানৰ কথাবিলাক, জাপানী সৈন্য বাহিনীৰ সাহ বীৰত্বই মনলৈ কিবা এটা প্ৰেৰণা আনে।

কেনেকৈ পোৰ্ট আৰ্থাৰৰ বন্দৰ জাপানী নৌ বাহিনীয়ে অৱৰোধ কৰিলে, কেনেকৈ দখল কৰিলে,মুকডেনৰ যুদ্ধত জাপানৰ সাফল্য বাতৰি কাকত পঢ়িব নোৱাৰিলেও ককাদেউতাৰ পৰা মনত দকৈ সোমায়। জাপানৰ মানুহ যেন আমাৰ বুকুৰ কুটুম—এনে এটা ভাব মনলৈ আহে।"

শৈশৱত মাকৰ পৰা লাভ কৰা বিভিন্ন সজশিক্ষাৰ ভিতৰত মাকৰ আন এদিনাৰ আন এটা মহত্বই তেওঁৰ গোটেই জীৱনলৈ মচিব নোৱাৰা সাঁচ বহুৱাইছিল। আইহঁতে চোতালত তাঁত বাটি কৰি বাছ চলাইছে ইমুৰৰ পৰা সিমুৰলৈকে। গোটেই চোতালখন জুৰি দীঘলীয়াকৈ থোৱা আছে। আমি বাহিৰত বল খেলি আছিলোঁ। এনেতে হঠাতে মই মৰা বল গৈ সুতাৰ ওপৰতে পৰিল। আইয়ে মোক একো ডাবি নিদিলে। কিন্তু তেওঁলোকে এইবাৰ যি দুখ শাস্তি পাবলগীয়া হ'ল সেয়ে মোৰ শিক্ষা হ'ল। বুজিলো মুখেৰে মাত নিদিয়াকৈও আনক শিক্ষা দিব পাৰি।"

আসাম ভেলিৰ দোকানলৈ যাওঁ, স্বদেশীৰ কথা শুনো। দেখোঁ বাগিচাৰ চাহাব আহে বস্তু কিনিবলৈ। তেওঁলোকে প্ৰতিটো বস্তু ইংলণ্ডত তৈয়াৰী নে চাই লয়। জাৰ্মানীত তৈয়াৰী হোৱা বস্তু নলয়। তেতিয়াৰ পৰা স্বদেশীৰ অৰ্থ বুজিবলৈ চেষ্টা কৰো। ।

অমিয় কুমাৰৰ শৈশৱৰ এনেবোৰ নানা কথা আমি পাওঁ।

শিক্ষা

সৰুকালতে কেতিয়া কেনেকৈ তেওঁ স্কুলত সোমাল, সেই সময়ৰ হেড মাষ্টৰ প্ৰসন্ন মুখাৰ্জীয়ে কেনেকৈ তেওঁক পঞ্চমমান শ্ৰেণীলৈ (বৰ্ত্তমান ষষ্ঠ) প্ৰমোচন দিলে, ছাত্ৰ থকাকালত তেওঁ যে অতি উগ্ৰ স্বভাৱৰ আছিল, তদুপৰি তেওঁৰ ছাত্ৰজীৱনৰ আন বিভিন্ন স্মৃতিও জীৱন স্মৃতিত তেওঁ উল্লেখ কৰি গৈছে। ছাত্ৰকালৰ তেওঁৰ তেনে কেইটিমান স্মৃতি জীৱন স্মৃতি'ৰ পৰাই তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

তেওঁ কেতিয়া স্কুলত সোমাল নিজে লিখিছে—"স্কুলত ভৰ্ত্তি হওঁতে বহুত দিন ৰ'ব লগীয়া হৈছিল। ঘৰৰ ওচৰৰ ছোৱালী স্কুলতেই পঢ়িলোঁ। মোমাইদেৱে কয়—"স্কুলৰ তলৰ শ্ৰেণীতো ডাঙৰ ডাঙৰ ল'ৰা বেয়া কথা শিকিবি,—ঘৰতে পঢ়া।" স্কুলৰ পাঠ্য পুথি ঘৰতে পঢ়ো। ১৯০৬ চন। এনেতে তেজপুৰলৈ প্ৰসন্ন মুখাৰ্জী নামেৰে এগৰাকী হেডমাষ্টৰ আহিল। তেওঁ শাসনত বৰ কঠোৰ আছিল। শ্ৰেণীয়ে শ্ৰেণীয়ে গৈ দুই তিনি বছৰ প্ৰমোচনে নোপোৱা ছাত্ৰসকলক বাছি উলিয়াবলৈ ধৰিলে। শ্ৰেণীৰ ভিতৰতেই বেতেৰে কোবায়েই এৰা নাছিল। স্কুলৰ সমুখৰ চাৰি-আলিতো থিয় কৰাই সকলোকে দেখুৱাই বেতেৰে কোবাব। স্কুলীয়া ল'ৰা ভয়ত ত্ৰস্তমান। এনেতে মই তেওঁৰ সমুখ হ'বলগীয়া হলোঁ। অন্তৰত ভয় হ লেও বাহিৰত আত্ম-বিশ্বাস আৰু সাহেৰে সৈতে তেওঁৰ সমুখ হ লোঁ। কেইটামান প্ৰশ্ন কৰিলে মাখোন আৰু তাতেই সন্তুষ্ট হৈ মোক পঞ্চম শ্ৰেণীত (বৰ্ত্তমান ষষ্ঠ) ভৰ্ত্তি কৰিলে। কিন্তু তেওঁ অলপ দিনতে স্কুলৰ পৰা গ'ল—ডেপুটী ইন্সপেক্টৰ হ ল আৰু কেশৱচন্দ্ৰ ফুকনেই স্কুলৰ হেড মাষ্টৰ হ'ল।

"হোৱালী স্কুলৰ পৰিবেশৰ অভিজ্ঞতাৰ পাছত হঠাতে ল'ৰাৰ স্কুললৈ আহিলোঁ। হোৱালী স্কুলত হোৱালীহঁতক সময়মতে কাৰো পাৰি দিব লগীয়া হয়।

ল'ৰাৰ স্কুললৈ আহিলোঁ। কেইজনমান ডাঙৰ ল'ৰা আছিল। তেওঁলোকে জোকাবলৈ আৰু বেয়া কথা কবলৈ সাহ কৰে। মই বৰ খঙাল স্বভাৱৰ ল'ৰা আছিলো। খং উঠিলে মই বলিয়াৰ দৰে হৈছিলোঁ। এদিন মোতকৈ বহুতো ডাঙৰ ল'ৰা এজনে শিক্ষক নথকাত মোক এটা বেয়া কথা ক'লে। মোৰ খং চুলিৰ আগ পালেগৈ। মই ক'ত আছো পাহৰিলো। বাঘে জঁপিয়াই পৰাৰ দৰে ময়ো গৈ ডাঙৰ লৰাজনৰ ঠেঁটুত চেপা মাৰি ধৰি মুখৰ ওপৰত কেইবাটাও ঘোঁচা মাৰিলোঁ। মোৰ উগ্ৰ স্বভাৱৰ আৰু কেইবাটাও ঘটনা হৈছিল। সেইবিলাকৰ বাবে ১৯২১ চনৰ আন্দোলনৰ সময়ত মই অহিংস হিচাপে থাকিম বুলি পুলিচে ভবা নাছিল আৰু মোৰ উগ্ৰ স্বভাৱ (Violent temparament) থকা বুলি মন্তব্যত লিখিছিল। স্কুলত ভৰ্তি হ'লো হয় আৰু নিয়মমতে প্ৰথম বছৰ প্ৰমোচনো পালো, কিন্তু পাছৰ বছৰ বছেৰেকীয়া পৰীক্ষাত মোৰ ভাল ন'হল। আজি মোৰ হাঁহি উঠে ইংৰাজীৰ ইমান সহজ অনুবাদবিলাক কিয় পৰা নাছিলোঁ। ঘৰত পঢ়া বাবে ইংৰাজীলৈ অনুবাদত মই দুৰ্ব্বল আছিলোঁ।"

"বোৰ্ডিঙত থকা সকলো ছাত্ৰৰে লগত আমাৰ ঘনিষ্ঠতা হৈছিল। এওঁলোকৰ মাজত চন্দ্ৰনাথ শৰ্মাৰ লগত ঘনিষ্ঠতা হোৱাৰ কাৰণ হৈছে তেওঁ নেতৃত্বৰ ক্ষমতা থকা দৃঢ় মনৰ লোক আছিল আৰু প্ৰমোচন পৰীক্ষাৰ পাছত নিজৰ বাবে নলগা কিতাপ আন ছাত্ৰক দি সহায় কৰিছিল। সেইবাবে মই ক্লাচ চেভেন পোৱাৰ লগে লগে তেওঁ মোক কিছুমান কিতাপ দিলে আৰু তেওঁ বোৰ্ডিঙত সংগঠন কৰা আলোচনী নদিভিলৈকো মোক কাঢ়ি দিলে। এনে নমিলিত

কিছুমানে কবিতা লিখি পঢ়ে। মই আচৰিত হওঁ, কেনেকৈনো কবিতা লিখিব পাৰে, কেনেকৈ ছন্দ মিলায়।"

এই স্কুলীয়া জীৱনতে তেওঁ জাতীয় পুঁজিলৈকে জাহাজঘাটত মুটিয়াৰ কাম কৰিও ধনগুণি যোগোৱাৰ দৃষ্টান্ত আছে। স্কুলীয়া জীৱনৰ আন ঘটনা কিছুমানৰে তেওঁ উল্লেখ কৰিছে, এইদৰে— "স্কুলত সোমোৱাৰ আগৰে পৰা কৰ্ম্মবীৰ চন্দ্ৰ শৰ্মাৰ লগত চিনাকি হৈছিলো। তেওঁ স্কুলৰ বোৰ্ডিংত থাকে। বয়সত আমাতকৈ ডাঙৰ হলেও ছাত্ৰবৃত্তি পাচ কৰি ইংৰাজী স্কুলৰ তল শ্ৰেণীত ভৰ্ত্তি হবলগীয়া হওঁতে আমাতকৈ দুই শ্ৰেণীৰ ওপৰত আছিল, কিন্তু তেওঁ আছিল সকলো কথাতে আগ ৰণুৱা।

এদিন স্কুলত সভা বহিল। আনন্দৰাম বৰুৱাৰ মৃত্যু তিথি। চন্দ্ৰনাথ শৰ্মাই এটা কবিতা পঢ়িলে। তেওঁ কল্পনা কৰিলে সৰগৰ পৰা অপেশ্বৰী সকলে ফুলৰ মালা লৈ আনন্দৰাম বৰুৱাক আদৰি নিবলৈ আহিছে। কবিৰ কল্পনা মই বাস্তৱত যেন দেখা পাম বুলি ভাবি আকাশলৈ চালো। ল ৰাকালৰ মনত সকলো কথা এনে-কৈয়ে দকৈ বহে।"

"মোৰ স্বৰ্গগত ককাইদেউৰ (বিনয় কুমাৰ দাস) বন্ধুসকলৰ ভিতৰত এজনৰ কথা মোৰ মনলৈ আহিছে। তেও বৰ মেধাবী ছাত্ৰ আছিল। সেই সময়ত কিছুমান ছাত্ৰই মূৰত দীঘল চুলি ৰাখিছিল। বঙ্গদেশৰ কবি মাইকেল মধুসূদন দত্তক তেও লোকে হেনো দীঘল চুলি ৰখাত আৰু অমিত্ৰাক্ষৰ ছন্দৰে কবিতা লিখাত অনুকৰণ কৰিছিল। তেও লোকৰ পাছতে আমাৰ সময়তো দুই এজনে এইদৰে দীঘল চুলি ৰখা আৰু অমিত্ৰাক্ষৰ ছন্দত কবিতা লিখা পাইছিলো। সেই সময়ত আমাৰ ঘৰত মোৰ আইহঁতৰ সম্পৰ্কীয় চতিয়াৰ কিছুমান ছাত্ৰও আছিল। কবলৈ গ লে আমাৰ ঘৰটো সকসুৰা এটা ছাত্ৰাবাস আছিল। মোৰ ককাইদেউৰ বন্ধু পদ্ম শৰ্মাৰ কথাই মনলৈ আহিছে। তেওঁ জাঁয়ুগুৰিৰ আছিল আৰু

স্বৰ্গীয় কেশৱ নাথ ফুকনৰ ঘৰত থাকি হাইস্কুলত পঢ়িছিল। সাহিত্যকে লৈ তেওঁলোকে নানান কথা প্ৰায়েই আলোচনা কৰিছিল। বঙালী সাহিত্যত যি সৃষ্টিশীলতা তেওঁলোকে সেই সময়ত দেখিছিল, সেয়েই তেওঁলোকৰ আলোচ্য বিষয় আছিল আৰু তাৰ তুলনাত অসমীয়া সাহিত্যৰ উন্নতি নোহোৱাত তেওঁলোকে বেজাৰ কৰিছিল। বঙালী কবি সকলৰ কবিতা আবৃত্তি কৰি তেও লোকে ৰস পাইছিল। মাইকেলৰ 'মেঘনাদ বধ আৰু নবীন সেনৰ 'পলাশীৰ যুদ্ধ' তেও লোকৰ মুখত শুনি শুনি আমাৰো ভাল লাগিছিল। এনেতে পদ্মনাথ গোহাঁই বৰুৱাৰ 'লীলা কাব্যখন প্ৰকাশিত হ'ল। এইখন কিতাপো তেওঁলোকে পঢ়ি আলোচনা কৰিছিল।

বেজবৰুৱাৰ 'লিতিকাই খন পঢ়ি তেও লোকে যিদৰে হাঁহিছিল সেয়ে আমাকো চুইছিল। ককাইদেউৰ বন্ধুসকলৰ মাজত পদ্ম শৰ্মালৈকে মোৰ বৰ শ্ৰদ্ধা আৰু ভক্তি আছিল। তেও অকল সাহিত্যৰ কথাই যে আলোচনা কৰিছিল এনে নহয়, ধৰ্মৰ কথাও আলোচনা কৰিছিল। ঈশ্বৰ সাকাৰ নে নিৰাকাৰ, ঈশ্বৰৰ উপাসনা সাকাৰ হিচাবে কৰা হব নে নিৰাকাৰ হিচাবে কৰা হ ব, এইবোৰো আলোচ্য বিষয় আছিল। ধৰ্মৰ কথাবাৰ লৈ সৰুৰে পৰা আমাৰ মনলৈ নানান ভাৱ আহিছিল। বাহিৰৰ সমাজখনে এটা বাট লৈছে, আমি ব্ৰাহ্ম হোৱা বাবে আন এটা বাট লবলগীয়া হৈছে। গোসানী পূজাৰ সময়ত আন সকলো উলাহতে মতলীয়া হয় আমি সেইবিলাকৰ পৰা আ াতৰত থাকিব লগীয়া হয়।"

"বয়সীয়াল কিছুমান লোকে অসমীয়া ছাত্ৰৰ সম্ভাৱনা সম্পৰ্কেও কৈছিল। আনন্দৰাম বৰুৱাৰ দৰে এজনা মানুহ অসমীয়াৰ মাজত ওলাইছে—এই কথাষাৰে আমাক সান্ত্বনা দিলেও তেখেতৰ অকাল মৃত্যুৰ শোক পাহৰিব পৰা নাছিলোঁ। সেই সময়ত 'গিল খ্ৰাইষ্ট' পুৰস্কাৰ মো কি আমি জনা নাছিলোঁ। কিন্তু ককাদেউতাই কলে,

তিনিজন অসমীয়া ছাত্ৰই প্ৰতিযোগিতাত ভাৰতৰ ভিতৰত এই পুৰস্কাৰ লাভ কৰিব পাৰিছে যেতিয়া অসমীয়া ছাত্ৰই ভৱিষ্যতলৈ যে নোৱাৰিব এনে কথা হব নোৱাৰে। ভাল শিক্ষানুষ্ঠান আৰু ভাল শিক্ষক হলে অসমীয়া ছাত্ৰয়ো বিশ্ববিদ্যালয়ত নিশ্চয় কৃতিত্ব দেখুৱাব পাৰিব। অসমীয়া ছাত্ৰই কলিকতালৈ গৈ পঢ়িবলগীয়া হৈছে। বহুতো ছাত্ৰই কলিকতাত বেয়া সঙ্গত পৰি বেয়া বাট লৈছে, অভিভাৱকৰ টকা অপব্যয় কৰা বুলিও বয়সীয়াল লোকসকলৰ আলোচনাত নুশুনা নহয়। সেইবাবে অসমত কটন কলেজ পতাত অসমীয়াৰ মনলৈ নতুন সাহ আহিল।”

“ছোৱালী স্কুলত পঢ়ি থাকোতে এদিন স্কুল পৰিদৰ্শন কৰিবলৈ ডিৰেক্টৰ চাহাব (মি বুথ) আহিল। ডিৰেক্টৰ চাহাব কি সোধে নোসোধে ঠিক নাই—অঙ্কশাস্ত্ৰত অগাধ পণ্ডিত, কিন্তু অলপ ছনকলীয়া বুলি সকলো ছাত্ৰ ছাত্ৰীকে সতৰ্ক কৰি দিয়া হৈছিল। তলৰ শ্ৰেণী বিলাকলৈ জানিবা চাহাব নাহিল। ওপৰৰ শ্ৰেণীত ডাঙৰ ডাঙৰ যোগ কিছুমান দিছিল। তেওঁ হেনো বাটেদি যাওঁতেও অঙ্ক কৰি যায়—ডাঙৰ ডাঙৰ যোগ হেনো মুখতে টপ কৰি কৰে। সেই সময়ত ল'ৰাবিলাকৰ মাজত এনে বিধৰ গল্প শুনিবলৈ পোৱা গৈছিল কেবা হেজাৰো টকা দি বুথ চাহাবৰ মূৰটো হেনো কোনোবাই কিনি থৈছে—মূৰত কিমান মগজু আছে চাবলৈ।” “হাইস্কুলত সোমাবলগীয়া নোহোৱাত বেয়া লগা নাছিল। কাৰণ শিক্ষক সকলৰ কিছুমানে সৌকাৰ ব্যৱহাৰ বৰ বেছি কৰিছিল। মোৰ লগৰীয়া এজনক শিক্ষকে “মই বাঘে ধৰা দি ধৰিম” বুলি বৰকৈ কোবালে। এইবাবে স্কুল সম্পৰ্কে মনলৈ এটি ভয়ো আহিল। স্কুলত ভৰ্ত্তি নহলো যদিও মোমাইদেৱে তলৰ শ্ৰেণীৰ পাঠ্য পুথি বিলাক যোগাৰ কৰি দিলে আৰু দুপৰীয়া বাতে অনাই-বনাই ঘূৰুৰো তাৰ বাবে অঙ্ক, হাতৰ লেখা আদি কিছুমান কাম দি যায়।”

ল'ৰাকালৰ তেওঁলোকৰ থিয়েটাৰ তোতাতো ঘৰৰ পৰা মাজা আছিল। সেই সময়ত তেজপুৰত অসমীয়া আৰু বঙালীয়ে লগ হৈ কৰা "অবৈতনিক নাট্য সমাজ" নামেৰে এখন থিয়েটাৰ আছিল। সেই থিয়েটাৰৰ দ্বাৰা অভিনীত হোৱা "যদুবংশ ধ্বংস" বোলা নাটখন চাবলৈ তেওঁৰ এবাৰ সৌভাগ্য হৈছিল আৰু সেই নাটে তেওঁৰ জীৱনত কেনে ধৰণে ৰেখাপাত কৰিছিল, তেওঁ লিখিছে,—" পূৰ্বতি নিশা উলটিলোঁ। কিন্তু এই থিয়েটাৰৰ পৰা মোৰ মন কেইবা-দিনলৈকে আঁতৰ কৰিব পৰা নাছিলোঁ। জীৱনৰ পুৱাতে বাওলী বেলিৰ পোহৰত হোৱা থিয়েটাৰৰ অভিজ্ঞতা আজি মাৰ যাবলগীয়া বেলিৰ ৰদ কাঁচলিত সুঁৱৰি নিজেই আনন্দ পাইছোঁ।" ইংৰাজ চাহ খেতিয়ক সকলৰ মাজত অনুষ্ঠিত হোৱা "ঘোৰা দৌৰ" আৰু "মুক্ ফাইট" চাই আন আন ল'ৰাইতৰ দৰে সেই সময়ত তেওঁও বিশেষভাৱে মোহিত হৈছিল। তিব্বত অভিযান সম্পৰ্কে সৰুৰে পৰা তেওঁৰ কৌতূহল আছিল আৰু সেয়ে মেট্ৰিকুলেশ্যন ক্লাছত থাকোঁতে তিব্বত অভিযানৰ নেতা কেপ্টেইন ইয়ং হাছবেণ্ডৰ কিতাপখন লাইব্ৰেৰীলৈ অহা মাত্ৰকে তেওঁ পঢ়িছিল। "আমাক বেহা-বেপাৰ একো নালাগে, আমি তোমালোকৰ খ পাত, মদ-কানি, বন্দুক বাৰুদ আনিবলৈ নিবিচাৰো। তোমালোকৰ সোণ ৰূপ লৈ যোৱা, কেৱল আমাক শান্তিৰে থাকিবলৈ দিয়া", কিতাপখনত উল্লেখ থকা লামা সকলৰ এই কথাই ৰহস্যময়ী তিব্বত, দলৈ লামাকে আদি কৰি সকলোকৈকে কিতাপখনে তেওঁৰ অন্তৰত এটা বেলেগ ভাব উপজাইছিল।

মেট্ৰিকুলেশ্যন পৰীক্ষাত তেওঁ উত্তীৰ্ণ হৈছিল ১৯১২ চনত। ইয়াৰ পিছত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ত বা আলিগড় মুছলীম বিশ্ববিদ্যালয়ত নাম লিখাব তেওঁৰ একান্ত ইচ্ছা হৈছিল। কিন্তু সেই সময়ৰ তেওঁৰ অভিভাৱক ৺ব্ৰহ্মানন্দ বৰকাকতীয়ে ইমান আঁতৰত থাকি পঢ়াটো পছন্দ নকৰিলে। সেয়ে তেজপুৰৰ পৰা

এদিন নাৱেৰে আহি গুৱাহাটীৰ কটন কলেজত ভৰ্ত্তি হৈছিলহি। সেই বছৰতে তেওঁৰ সৈতে কটনত পঢ়া আন কেইগৰাকী ছাত্ৰ হ'ল দেৱেশ্বৰ শৰ্মা, গোলাঘাটৰ হিৰেশ্বৰ দাস, নগাঁৱৰ কমলানন্দ ভট্টাচাৰ্য্য আৰু গুৱাহাটীৰ ৰাধিকা প্ৰসাদ।

কলেজত ভৰ্ত্তি হোৱাৰ পিছতে, তেওঁৰ এটা নতুন সমস্যাই দেখা দিছিল। হোষ্টেলত চিট লোৱাৰ পিছত হোষ্টেলৰ দুজনমান ৰক্ষণশীল গোড়া ছাত্ৰই তেওঁৰ সৈতে বহি ডাইনিং ৰুমত একেলগে খাবলৈ অস্বীকাৰ কৰিছিল। ইয়াৰ বাবে তেওঁ যথেষ্ট মনস্তাপ আৰু কষ্ট পাবলগীয়া হৈছিল।

সেইসময়ত কটন কলেজৰ অধ্যক্ষ আছিল চুদমাৰ্চন চাহাব। কটন কলেজত পঢ়ি থাকোতে শিক্ষক হিচাবে প্ৰফুল্লচন্দ্ৰ ৰায়, চুনীলাল, বনমালী বেদান্ত তীৰ্থ, সত্যনাথ বৰা লক্ষ্মীনাথ শৰ্মা, পদ্মনাথ বিদ্যাবিনোদ, শ্যামা দাস ভট্টাচাৰ্য্য আদি অধ্যাপক সকলক তেওঁ লগ পাইছিল।

কটন কলেজত পঢ়াৰ প্ৰথম বছৰত তেওঁ অকৃতকাৰ্য্য হৈছিল। পুনৰ তেওঁ সেই কলেজত নপঢ়ি, এইবাৰ কলিকতালৈ ৰাওনা হৈছিল। তেওঁ গৈ কলিকতাৰ চিটি কলেজত ভৰ্ত্তি হৈছিল আৰু ব্ৰাহ্ম হোষ্টেলত নাম লিখিছিল। গুৱাহাটীৰ দৰে কলিকতাত তেওঁ থকা মেলাৰ অসুবিধা পোৱা নাছিল। এনেধৰণৰ বেমেজালি নথকাৰ ফলতে তেওঁ মনোযোগেৰে পঢ়িবলৈ সুবিধা পাইছিল আৰু সেইবাৰৰ পৰীক্ষাৰ খবৰত তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল।

কলিকতাত পঢ়ি থকা এই কলেজীয়া জীৱনৰ পৰাই তেওঁৰ ৰাজনীতি, সাংবাদিকতা আৰু সাহিত্য জগতৰ সৈতে সম্বন্ধ ঘটিছিল। কলিকতাত পঢ়ি থকা সময়তে তেওঁ আনন্দৰাম বৰুৱা স্মৃতি ৰক্ষাৰ্থে কলিকতা বিশ্ববিদ্যালয়ত এটি প্ৰস্তৰ মূৰ্ত্তি নিৰ্মাণৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। ১৯১৭ চনতে কলিকতা কংগ্ৰেছ অধিবেশনৰ সময়ত কংগ্ৰেছৰ সাধাৰণ সম্পাদক সুৰবাৰাওক

লগ পাইছিল। সুব্বাবাওয়ে অমিয় কুমাৰক অসমৰ বুলি জনাৰ পিছত সুধিছিল, "—অসমৰ মানুহে কি ভাষাত কথা কয়, বঙ্গালী ভাষাত নেকি?" তেওঁৰ দৰে পদমৰ্য্যদা থকা লোক এগৰাকীৰ মুখত তেনে কথা শুনি, ক্ষুব্ধ হৈ তেওঁ কৈছিল, "আমাৰ ভাষা অসমীয়া আৰু অসমীয়া ভাষা বঙ্গালী ভাষাতকৈ বহুত বেলেগ।' পিছত সুব্বাবাওয়ে হেনো তেওঁক কৈছিল যে এই কথা আগতে তেওঁ জনাই নাছিল।

এই কলেজৰ পৰা তেও বি এ পৰীক্ষা উত্তীর্ণ হোৱাৰ পিছত, ১৯১৮ চনত তেওঁ আইন পঢ়িবলৈ লয়। আইনৰ প্ৰথমা আৰু মধ্যমা পাছ কৰি ১৯২১ চনত তৃতীয় বাৰ্ষিকত পঢ়ি থকা সময়তে অসহযোগৰ আহ্বান আহিছিল আৰু সেই আহ্বানত আন আন ছাত্ৰবন্ধুবে সৈতে কলেজ পৰিত্যাগ কৰি আন্দোলনত জপিয়াই পৰিছিল। ইমানতে তেও শিক্ষা জীৱনৰ অন্ত পেলাইছিল।

সাংসাৰিক জীৱন

অমিয় কুমাৰৰ সংসাৰ বন্ধনত সোমোৱা সেই শুভ দিনটো আছিল ১৯৪২ চনৰ ২৪ ফেব্রুৱাৰী। তেওঁলোকৰ এই বিবাহ, '৪২ চনৰ আন্দোলনৰ ঠিক আগে আগেয়ে সম্পন্ন হৈছিল। এই প্রসঙ্গতে শ্রীমহেন্দ্রমোহন চৌধুৰী ডাঙৰীয়াৰ এষাৰ কথা ইয়াত উল্লেখ কৰিব পাৰি,— "তেখেতে ১৯৪১ চনত জেলত থকা কালতে আমি পৰোক্ষভাৱে তেখেতৰ বিয়াৰ খবৰ পাওঁ। স্বৰ্গীয় দাসৰ আৰু এগৰাকী অন্তৰঙ্গ বন্ধু আছিল আমাৰ সৰবৰহী নেতা স্বৰ্গীয় সিদ্ধিনাথ শৰ্ম্মা। মাজে সময়ে স্বৰ্গীয় শৰ্মাই বং ধেমালিৰ মাজেদি ইঙ্গিত দিছিল যে, তেখেতৰ জেলৰপৰা ওলাই যোৱাৰ পিছতে বিয়া হব। স্বৰ্গীয় দাস বৰ লাজকুৰীয়া আছিল। গতিকে স্বৰ্গীয় শৰ্মাই তেখেতক ধেমালি কৰিলে তেখেতৰ কাণ মুখ ৰঙা হৈ উঠিছিল আৰু তেখেতৰ পৰা আঁতৰ হৈ গৈছিল। সত্যাগ্রহৰ পৰা জেলৰ মিয়াদ পূৰ্ণ কৰি আহি ১৯৪২ চনৰ গন আন্দোলনৰ ঠিক পূৰ্বে শ্রীমতী পুষ্পলতা দাসৰে সৈতে তেওঁৰ বিবাহকাৰ্য্য সম্পন্ন হৈ যায়। এই যোৰা স্বামী স্ত্রীক বহুতে হৰ গৌৰীৰ মিলনৰ লগত তুলনা কৰিছিল।"

তেওঁলোকৰ এই শুভমিলনৰ যাই যোগসূত্র আছিল প্রকৃততে ডা ভুৱনেশ্বৰ বৰুৱাহে। অমিয় কুমাৰ আৰু পুষ্পলতাৰ মাজত মিলন হোৱাটো ডা বৰুৱাৰে প্রধান আকাংখা আছিল। এই আকাংখা ফলৱতী হোৱা এদিন নিজ চকুৰে যেতিয়া ডা বৰুৱা দেখি গৈছিল, সেই দিনাৰ পৰাহে যেন তেওঁৰ মনলৈ এক অনাবিল শান্তি আহিছিল।

সাংসাৰিক হোৱাৰ পিছতো তেওঁৰ মনলৈ কোনো অৰ্থ লিপ্সাৰ

বিয়াৰ পিছত



জী জোঁৱাই, নাতিনী আৰু পত্নীৰে
সৈতে অমিয়কুমাৰ দাস।



শবৰীয়া আশ্ৰমত—সোফালৰ পৰা পুষ্পলতা দাস অমিয়কুমাৰ দাস আৰু অমল প্ৰভা দাস।

খাচী পাহাৰৰ নংপুত খাচী ভাই-ভনীসকলৰ হস্তশিল্পৰ এখন প্ৰদৰ্শনীত অমিয়কুমাৰ আৰু তেওঁৰ পত্নী পুষ্পলতা দাস।

তাৰ অভা নাছিল। জীৱনত যে নিজাকৈ কিবা মাটি-সম্পত্তি, টকা-পইচা কৰিব লাগে, লোকনায়কে তেওঁৰ জীৱনত কোনো দিনেই নোভাবলে। তেজপুৰ বা গুৱাহাটীত নিজাকৈ মাটি একঠাকে কৰি, তাত আনকি সামান্য ঘৰ এটাকে সজাই থৈ যোৱা আমি দেখা নাপালোঁ। সকলো লাহ বিলাহ পৰিত্যাগ কৰি খেকিয়াজুলিৰ নিচিনা পিচপৰা এলেকাটোতে জীৱনৰ তেওঁ শেষ আশ্ৰয় লবলৈ, আনন্দৰে তেওঁ সেই ঠাই বাচি লৈছিল। বাইজে সজাই দিয়া সামান্য ঘৰ এটিতে তেওঁ থাকিবলৈ লৈ, কেনেকৈ তাত তেওঁ যোগীৰ জীৱন কটাইছিল—সি সঁচাকৈয়ে আদৰ্শণীয়। তেওঁৰ হাতত যি অলপ অচৰপ টকা পইচাও আছিল, তাকো আনৰ উপকাৰতে খৰচ কৰিছিল। তেওঁলৈ আগবঢ়োৱা কোনো চৰকাৰী অনুদানকে তেওঁ গ্ৰহণ কৰা নাছিল। শেষ বয়সত তেওঁ কিতাপ লিখিহে যি দুই চাৰি পইচা প্ৰকাশকৰ পৰা পাব তাৰে স সাৰ চলোৱাৰ সংকল্প লৈছিল।

তেওঁ কেনে আদৰ্শৰে জীৱন যাপন কৰিছিল এঠাইত দেবেশ্বৰ শৰ্মা ডাঙৰীয়াই লিখিছে—"তেওঁ সম্পূৰ্ণ অনাড়ম্বৰ আছিল। তেওঁ প্ৰায়ে নিজহাতে কটা সূতাৰে কুৰ্তা, বনিয়ন আৰু ধুতি পিন্ধিছিল। বিয়াল্লিছ চনত সুদীৰ্ঘকাল জেলত থাকোতে তেওঁ নিজহাতে কটা সূতাৰ কুৰ্তা মোকহে উপহাৰ দিছিল। তেওঁৰ বোধকৰো তিনিটামান কুৰ্তা আৰু তিনিখনমান চুৰিয়াহে আছিল। তেওঁ মন্ত্ৰী হৈ থাকোতে শিলঙত তেওঁ থকা ঘৰলৈ গৈ দেখোগৈ যে তেওঁৰ পৰিবাৰ শ্ৰীমতী পুষ্পলতা দাসে চিমনিটোত পুৰণি খবৰ কাগজ পুৰি তাৰ জুইত অমিয়ৰ চোলা আৰু চুৰিয়া শুকুৱাইছে। মই শুধিলো—"কি কৰিছা?" শ্ৰীমতী দাসে উত্তৰ দিলে,—"কাইলৈ তেখেত মফচললৈ যাব—চোলা চুৰিয়া ধুই দিছিলো। ডাৱৰীয়া হেতুকে নুশুকালে।" সাধাৰণতে তেওঁ আছিল মিতব্যয়ী। কোনো বিলাসী জীৱন তেওঁ ভাল পোৱা নাছিল।

সাধাৰণতে ভৰিত এযোৰ 'কাবুলী চেণ্ডেল'হে তেওঁ ব্যৱহাৰ কৰিছিল। সময় গতিকে নিজৰ কাপোৰযোৰো নিজে ধুই নিকা কৰি লবলৈ তেওঁ কোনো কুণ্ঠা বোধ কৰা নাছিল।

মন্ত্ৰী থকা কালত তেওঁ লোৱা পাঁচশ টকাৰ ভিতৰত নিজে আঢৈশ খৰচৰ বাবে ৰাখি, বাকীখিনি দুখীয়া ছাত্ৰ আদিৰ মাজত ভগাই দিছিল।

তেওঁলোকৰ সা সাৰিক জীৱনৰ ওপৰত কৰা এক প্ৰশ্নৰ উত্তৰত তেওঁৰ পত্নী পুষ্পলতা দাস ডাঙৰীয়ানীয়ে আমাক কৈছিল—"মধুৰ শব্দটোৱে যদি মনৰ আটাইখিনি মিঠা ভাবকে প্ৰকাশ কৰিব পাৰে তেন্তে মধুৰ আছিল। কিশোৰীকালত প্ৰথম যেতিয়া দেখো গুৰুৰ দৰে শ্ৰদ্ধা কৰিছিলোঁ। তৰুণী মনটোৱে উজ্জ্বল ব্যক্তিত্বত বীৰৰস দেখি মুগ্ধ হৈছিল জীৱনৰ বাটত সহযাত্ৰী ৰূপে যিদিনা পালে। সেইদিনা মনত হৈছিল পৃথিবীৰ সকলো সুখী মনৰ ভিতৰত কিজানি আমাৰো অংশ আছে জীৱনৰ বিয়লি বেলাত স্বাস্থ্যই যেতিয়া ফাঁকি দিলে—সেই অসহায় মুখখনিলৈ চাই চাই ভাবিছিলোঁ। মোৰ এই অসহায় শিশুটিৰ মই মাক মই সকলো বিপদ, সকলো ধুমুহাৰে পৰা মোৰ এই পুত্ৰক আবৰি ৰাখিব লাগিব—মোৰ বাহিৰে যে তেওঁৰ কোনো আশ্ৰয় নাই! মই তেতিয়াৰে পৰা তেওঁৰ মাক হৈ গৈছিলোঁ।"

অমিয়কুমাৰ মানুহজন

অমিয়কুমাৰ দাস ডাঙৰীয়া আছিল এজন বিৰাট ব্যক্তিত্বশালী লোক। তেওঁ আছিল এজন প্ৰকৃত গান্ধীবাদৰ সাধক। মহাত্মাৰ অহিংসা, প্ৰেম, দয়া, সত্য, সত্যাগ্ৰহ অসহযোগ—এইবোৰ অমিয়কুমাৰৰ শিৰৰ ভূষণৰ নিচিনা আছিল। জীৱনত নানা কঠিন পৰীক্ষাৰ সন্মুখীন হৈছে, অথচ তেওঁ প্ৰাণীদয়া, সত্যপথ, অহিংসা ধৰ্মৰ পৰা কোনো দিনে বিচ্যুত হোৱা নাছিল। সত্যাগ্ৰহ বা অসহযোগৰ নিচিনা আন্দোলনবোৰত ন্যায়নীতি আৰু স্বাৱলম্বীতাৰ পথকে অনুসৰণ কৰি, জনতাৰ মাজত সত্যধৰ্মকে প্ৰচাৰ কৰিছিল। জাতীয় স্বাৰ্থৰ বাবে ১৯২১, ৩ , '৩২, ৪০, ৪২ চনৰ সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে ন্যায্যদাবীৰ আন্দোলনকে ব্ৰত হিচাবে গ্ৰহণ কৰি বিৰাট ত্যাগ আৰু দেশপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিছিল। গান্ধীবাদৰ প্ৰতি তেওঁৰ এনে প্ৰগাঢ় বিশ্বাস আৰু শ্ৰদ্ধা থকা বাবেই কোনো পধোই প্ৰথম অৱস্থাত এজন ক গ্ৰেছকৰ্মী হৈ থকাৰ বাহিৰে দেশৰ বিষয়বাব লবলৈ সমুলি বাঞ্ছা কৰা নাছিল। কংগ্ৰেছী দলৰ সংসদী নেতৃত্ব প্ৰত্যাখ্যান কৰি মুখ্যমন্ত্ৰীৰ নিচিনা পদকো লোভ নকৰাটোবে তেওঁৰ মহানুভৱতাৰে পৰিচায়ক। তেওঁ সেইদিনা কৈছিল—"মই সাধাৰণ সেৱক হৈ থাকিব খোজো। সংসদীয় ৰাজনীতিলৈ মই দলৰ আদেশ প্ৰত্যাখ্যান কৰিব নোৱাৰি আহিব লগীয়া হৈছে, কিন্তু মোৰ মনে গঠনমূলক কামতহে শান্তি পাব।" এজন বিশিষ্ট লোকে লিখিছে,—"সময়ৰ প্ৰয়োজনত তেখেতে মন্ত্ৰীৰ গাদী গ্ৰহণ কৰিছিল আৰু সেই গাদী আৰু কিছুদিনৰ কাৰণে ৰক্ষা কৰিবলৈ ইচ্ছা কৰাহলে তেখেতে নিশ্চয় অকৃতকাৰ্য নহলহেঁতেন। কিন্তু সেই ইচ্ছা তেখেতে বোধহয় নকৰিলে। মন্ত্ৰী, এম, এল, এ নোহোৱাকৈয়ো জনসাধাৰণৰ নেতা

হৈ জনসেৱা যে কৰিব পাৰি সেই কথাৰ দৃষ্টান্ত তেখেতে আমাৰ আগত ৰাখি থৈ গ'ল। গুৰুৰ পৰা যি দীক্ষা তেখেতে লৈছিল সেইটো তেখেতে আমৰণ পালন কৰি এজন 'মানুহ' হিচাবে ইহলীলা সম্বৰণ কৰিলে।"

তেওঁ আছিল শান্ত, ধীৰ স্থিৰ আৰু বিনয়ৰ মূৰ্ত্ত প্ৰতীক। কটন কলেজ ছাত্ৰাবাসত থাকোতে ব্ৰাহ্ম ধৰৰ ল বা বুলি আনে তেওঁক অহিন্দুৰ দৃষ্টিৰে চাইছিল সেইবুলি অমিয়কুমাৰে সেই সকলৰ ওপৰত কোনো বেয়াভাৱ ৰখা নাছিল। বৰং তেওঁলোকৰ সৈতে সহৃদয়তাহে স্থাপন কৰি চলিছিল।

আলহী অতিথিক শুশ্ৰূষা কৰিবলৈ পালে তেওঁ ভাল পাইছিল। কলিকতাৰ হেৰিশ্চন ৰোডত অসমীয়া ছাত্ৰাবাসত থাকোতে অসমৰ পৰা যোৱা বহুতো অতিথিক নিজৰ বিছনা এৰি দি নিজে মাটিত শুইছিল। কলেজত পঢ়ি থকা সময়ত ছাত্ৰাবাসৰ কোনো ছাত্ৰবন্ধুৰ অসুখৰ বাতৰি পালে, সেই ৰোগীক উজাগৰে থাকি হলেও শুশ্ৰূষা কৰি তেও তৃপ্তি লভিছিল। ডা ভুৱনেশ্বৰ বৰুৱা ডাঙৰীয়াৰে সৈতে প্ৰথম তেওৰ চিনাকি হৈছিল কলিকতাত, এনেকৈ ৰোগী পৰিচৰ্য্যা কৰা অৱস্থাত।

এই অমিয় কুমাৰে পাণবজাৰত এদিন বলিয়া কুকুৰ এটাৰ পৰা শিশু এটাক বচাবলৈ গৈ নিজে কুকুৰৰ কামোৰ খাইছিল। ব্ৰহ্মপুত্ৰত উটি যোৱা এজন লোকক সাঁতুৰি গৈ জীৱন বচাইছিল। ব্ৰহ্মপুত্ৰত উটি যোৱা জীৱন ফুকনৰো অনুসন্ধানত কেইবা মাইলো সাঁতুৰি, নিজৰ জীৱনলৈ আশঙ্কা নমাই অনা সেইজনেই আছিল অমিয় কুমাৰ। মানসিক শক্তিৰ দৰে তেওৰ শাৰীৰিক শক্তিও আছিল অশেষ। তেওঁ ব্ৰহ্মপুত্ৰ নৈ হেলাৰঙে সাঁতুৰি পাৰ হব পাৰিছিল, এখন হাতেৰে এজন মানুহক শূন্যতে ওলোমাই ৰাখিব পাৰিছিল। আনকি আচাৰ্য প্ৰফুল্ল ৰায়ে অমিয় কুমাৰৰ এদিন এনে

শাৰীৰিক শক্তিৰ প্ৰমাণো চাইছিল। আচাৰ্য্য ৰায়ক সহজতে তেওঁ কঁপো নথৰাকৈয়ে তিনি মহলীয়া বিল্ডিঙৰ ওপৰলৈ তুলি নি আকৌ নমাই আনিছিল। সেইদিনা আচাৰ্য্য ৰায়ে অসমীয়া ডেকাৰ শক্তিৰ শলাগ লৈছিল।

নেতা হিচাপে অমিয় কুমাৰৰ জনপ্ৰিয়তা এটা সামান্য দৃষ্টান্তৰে দেখুৱাব পৰা যায়। "অন্ধ বিশ্ববিদ্যালয়ত পঢ়ি থকা কালছোৱাত তাৰ বাতৰি কাকতত ওলোৱা খবৰ এটা পঢ়ি শ্ৰীযুক্তা দুৰ্গাবাই দেশমুখে মোক (অমিয় দাসৰ পত্নী পুষ্পলতাৰ এই উক্তি) সুধিছিল,—"তেজপুৰৰ অমিয় কুমাৰ দাস বোলা মানুহজনক তুমি চিনি পোৱানে?" মই "পাওঁ" বুলি কোৱাত তেওঁ কলে—"তেওঁৰ সমষ্টিত এটা আচৰিত ঘটনা ঘটিছে তেওঁৰ ভোটৰ বাকচতে বেলট পেপাৰৰ লগতে টকাৰ নোট আৰু খুচুৰা পইচাও ওলাইছে মানুহ জন চাগৈ ৰাইজৰ বৰ মৰমৰ।

তেওঁৰ জীৱন অধ্যয়ন কৰিলে দেখা যায় যে, তেওঁৰ জীৱনৰ বাণী আছিল অন্যায়ৰ লগত অহিংসভাৱে অসহযোগিতা। হৰিজন আৰু চাহ মজদুৰ সকলক তেওঁ এক উদাৰ মানৱীয় দৃষ্টিৰে বিচাৰ কৰি তেওঁলোকৰ আশা আকাঙ্ক্ষাবোৰ সদায় পূৰণ কৰিবলৈ চেষ্টা কৰিছিল। আমি পাওঁ, তেওঁ তেওঁৰ শেষৰ কালছোৱা ধেকিয়াজুলি চাহ মজদুৰ ৰাইজে সাজি দিয়া সাধাৰণ পঁজাঘৰটিত আনন্দৰে বাস কৰিছিল। সেইখন সমাজৰ সৈতে মিলিজুলি থাকি এক অনাড়ম্বৰ জীৱন কটাইছিল।

তলৰ কৰ্মচাৰী হলেও তেওঁ সেইসকলক নিজৰ তুলনাৰে চাইছিল। কৰ্মচাৰী আৰু তেওঁৰ নিজৰ মাজত কোনো ভিন্নতাৰ ভাৱ তেওঁৰ যে নাছিল এটা সামান্য উদাহৰণৰে আমি বুজিব পাৰো। "১৯৫৪ চনৰ সৰ্বভাৰতীয় বুনিয়াদী শিক্ষা সন্মিলন সেৱাগ্ৰামত বহিছিল। সেই সন্মিলনলৈ শিক্ষামন্ত্ৰী শ্ৰীঅমিয় কুমাৰ দাস ডাঙৰীয়া আৰু 'সেই সময়ৰ বুনিয়াদী শিক্ষাৰ ভাৰপ্ৰাপ্ত বিষয়া

মই (প্ৰবন্ধৰ লিখক) প্ৰতিনিধি হিচাবে গৈছিলোঁ। যাওঁতে একেখন উৰাজাহাজত আৰু একেখন ট্ৰেইনৰ একেটা প্ৰথম শ্ৰেণীৰ ডবাতে দুয়ো গৈছিলোঁ। সেৱাগ্ৰামত মন্ত্ৰীসকলে অতিথিশালাত আৰু বিষয়াসকলক বিষয়াৰ কেম্পত থাকিবলৈ দিয়া হৈছিল। আমি যেতিয়া সেৱাগ্ৰামত উপস্থিত হলোগৈ তেতিয়া সেৱাগ্ৰামৰ বুনিয়াদী শিক্ষাৰ অধ্যক্ষ ই, ডাব্লিউ আৰ্য্যানায়কম আৰু তেখেতৰ পত্নী আশাদেৱী আগবাঢ়ি আহি মন্ত্ৰী ডাঙৰীয়াক অভ্যৰ্থনা জনালে আৰু তেখেতৰ মালপত্ৰ অতিথিশালালৈ পঠাই দিলে আৰু তেখেতকো আদৰণি জনাই তালৈ লৈ গ'ল। মন্ত্ৰী ডাঙৰীয়াই অতিথিশালাত মোক আৰু মোৰ মালপত্ৰ নেদেখি নায়কমজীক সুধিলে মোক কত থাকিবলৈ দিয়া হৈছে। উত্তৰত নায়কমজীয়ে ক লে "বিষয়া সকলৰ কেম্পত।" তেতিয়া দাস ডাঙৰীয়াই কলে যে তেখেতে মোৰ লগত একেলগে থাকিব আৰু তেখেতে মোৰ মালপত্ৰ স্থানান্তৰিত কৰিবলৈ অনুৰোধ কৰিলে। নায়কমজী আৰু আশাদেৱী বিবুধিত পৰিল। তেতিয়া তেওঁলোক উপায়হীন হৈ মোকো অতিথি শালালৈ নিব লগীয়া হ ল। তেখেতে নায়কমজীক আৰু আশা দেৱীক কৈছিল যে, বুনিয়াদী শিক্ষাৰ পূজাৰী হৈ তেখেতে বুনিয়াদী শিক্ষাৰ কৰ্ম্মীসকলক আৰু নিজকে দুভাগ কৰিব নোৱাৰে।"

কৰ্ত্তব্যৰ দায়িত্ববোধ আৰু স্বাৱলম্বিতাই তেওঁক বিশেষভাৱে গুৱনী কৰিছিল। লাল বাহাদুৰ শাস্ত্ৰীৰ দৰে ৰাতি দুপৰলৈকে উজাগৰে থাকি, দিনৰ ফাইল দিনে চোৱা আৰু সকলো কামৰ পাট পিটকৈ হিচাব ৰখা অসমত সেই বিধৰ যি কেইজন নেতা আছিল তাৰ ভিতৰত অমিয় কুমাৰ দাস, বৰদলৈ আৰু মেধি ডাঙ-ৰীয়াৰ নামকে লব লাগিব। কৰ্ত্তব্যৰ প্ৰতি তেওঁৰ যিটো একাগ্ৰতা, সেই একাগ্ৰতাই তেওঁক অভিমানবলৈকে আগবঢ়াই নিছিল। সৰুতে পিতৃহীন হৈ আনৰ হাতত লালিত পালিত হোৱা এই শিশুটিয়ে শেষত কেনেকৈ দেশৰ কাণ্ডাৰী হবলৈ সুযোগ পালে,

সেইটো তেওঁৰ জীৱন সাধনাৰে কল। তেওঁৰ নিঃস্বাৰ্থ সমাজ সেৱাৰ কথা লৈ নীলমণি ফুকনে লিখিছে,—"মহাত্মাৰ আদৰ্শত অনুপ্ৰাণিত এইজন পুৰুষৰ কৰ্মই যোগ সাধন আদি, ঢোল নিপিতাকৈ কাম কৰি যোৱাই তেওঁৰ মৌনব্ৰত আছিল। সহকৰ্মী সকলক সকলো বিষয়তে অগ্ৰণী কৰি নিজে তেওঁলোকৰ পাছে পাছে গৈ অনিৰ্বচনীয় আত্মতুষ্টি লাভ কৰিছিল। সমাজ সেৱাৰ কোনো কামেই তেওঁৰ পক্ষে সামান্য নাছিল। সকলো কামকেই ত্যাগৰ ভাৱেৰে সম্পন্ন কৰি অতুল সম্পদ ভোগ কৰাৰ তৃপ্তি পাইছিল, গতিকে মানুহৰ জীৱনৰ তিতা কেহাই নোপোৱা তেওঁৰ জিভাই অপূৰ্ব অমৃতৰ আস্বাদন কৰি সদায় পৰমানন্দ সুখ লাভ কৰিছিল।"

আমাৰ দেশৰ পাহাৰীয়া ভাই ভনীসকলৰ প্ৰতিও অমিয় কুমাৰৰ গুৰুত্ব আছিল অধিক। তেওঁলোকৰ অভাৱ অভিযোগ, আশা আকাঙ্খাবোৰলৈ তেওঁ সদায় চকু ৰাখিছিল।

অকল সেয়ে নহয়, তেওঁ পাহাৰীয়া ভাইসকলৰ মাজলৈ গৈ তেওঁলোকৰ সৈতে ভাব আৰু ভাষাৰো আদান প্ৰদান কৰিবলৈ প্ৰায়ে যত্ন কৰিছিল। নিজে তেওঁ পাহাৰীয়া ভাষা শিকিবলৈ অসমীয়া আৰু পাহাৰীয়া ভাষা মিলাই এটা 'নোটবুক কৰি লোৱাও আমি দেখা পাওঁ।

অকল সেয়ে নহয়, মিছামাৰীত পৰ্ব্বত ভৈয়াম ভাষা সমন্বয় কেন্দ্ৰ প্ৰতিষ্ঠা কৰি, তালৈকে আমাৰ কেইবাগৰাকীও বিদগ্ধ পণ্ডিতক তেওঁলোকৰ সৈতে গভীৰ আত্মীয়তা গঢ়ি তুলিবলৈ পঠিয়াইছিল।

তেওঁৰ আন বিশেষ চাৰিত্ৰিক বৈশিষ্ট্যৰ ভিতৰত আমি কব পাৰো যে কোনোদিনে তেওঁ ত্যাগৰ বিনিময় বিচৰা নাছিল। স্বাধীনতা সংগ্ৰামত যোগোৱা অৱদানৰ কথা গৌৰৱণ কৰি ভাৰত চৰকাৰে তেওঁলৈ আগবঢ়োৱা পাঁচশ টকীয়া মাহিলী পেঞ্চনটি আদৰ্শৰ পৰিপন্থী বুলি তেওঁ হেলাৰঙে প্ৰত্যাখ্যান কৰিছিল।

আকৌ স্বাধীনতা আন্দোলনৰ মুক্তি যুঁজাৰু হিচাবেই, যিদিনা তেওঁক 'তাম্ৰ-পত্ৰ' লবলৈ আহ্বান জনোৱা হৈছিল, সেই আহ্বানো তেওঁ গ্ৰহণ কৰা নাছিল। সেইদিনা ইয়াৰ প্ৰত্যুত্তৰ হিচাবে তেওঁ লিখিছিল—"সমাজ জীৱনত আজি কোনো মানদণ্ড নাই, মূল্যবোধৰ অভাৱ—কৰ্মীসকলে সেৱাৰ বিনিময়ত প্ৰতিদানত কিবা স্বীকৃতি পোৱাৰ মনোভাৱটো অনুষ্ঠানৰ কাৰণে শুভ-লক্ষণ নহয়—তাৰেই প্ৰতিবাদত এই স্বীকৃতি লবলৈ অনিচ্ছা প্ৰকাশ কৰিছো।" আনকি চৰকাৰে তেওঁলৈ দিয়া 'পদ্ম বিভূষণ' উপাধিও প্ৰথম অৱস্থাত গ্ৰহণ কৰিবলৈ তেওঁ অনিচ্ছা প্ৰকাশ কৰিছিল।

অমিয়কুমাৰ মানুহজনেই আছিল সকলো ক্ষেত্ৰতে পৰিপাটি। কামত, কথাত খোৱা লোৱাত, চিন্তা চৰ্চাত, চলন ফুৰণত এই সকলো ক্ষেত্ৰতে তেওঁ একেৰে আৰ বাখি নচলিছিল। কোনো ক্ষেত্ৰতে তেওঁ ফাঁকি ফুকাটো ভাল পোৱা নাছিল। যি কৈছিল সকলো স্পষ্টভাৱেই কৈছিল বাহিৰত এটা, ভিতৰত এটা তেওঁৰ নাছিল।

আনহাতে তেওঁ আছিল এজন দূৰদৰ্শী আৰু ধৈৰ্য্যশীললোক। তেওঁ কেন্দ্ৰীয় চৰকাৰক নেফা-নীতি সম্পৰ্কে বহুদিন আগৰে পৰা সোঁৱৰাই আছিল। কিন্তু স চাকৈয়ে এদিন ইতিহাসে তেওঁৰ এই সোঁৱৰণি সত্য বুলি প্ৰমাণিতও কৰিছিল। ১৯৬২ চনৰ ২০ নবেম্বৰত তেওঁ কৈছিল, "নেফা সম্পৰ্কীয় কেন্দ্ৰীয় নীতিৰ সন্দৰ্ভত মই কেতিয়াবাই প্ৰধানমন্ত্ৰী নেহেৰুক সকিয়াই দিছিলো এনে এটা বিপৰ্য্যয়ৰ সম্ভাৱনা সম্পৰ্কে। মোৰ কথা শুনি তেওঁ অপলক দৃষ্টিৰে মোলৈ চাই আছিল।"

এই আক্ৰমণৰ সময়ত চীন আহি যেতিয়া তেজপুৰ সোমালহি, তেতিয়া প্ৰায়বোৰ মানুহে সেই ঠাই পৰিত্যাগ কৰিছিল। কিন্তু অমিয় কুমাৰে বাইজৰ মাজতে থাকি বাইজক ধৈৰ্য্য ধৰিবলৈ মাতুল দি পৰিস্থিতি সম্পৰ্কে কৈছিল— "যদি সঁচাকৈয়ে চীনা বাহিনী

এইখিনি পাৰহি তেন্তে আমি চহৰৰ পৰা দূৰৈত থকা কোনো এখন গাঁৱলৈ গুচি যাম। চহাৰ লেশেৰে থাকি বিদেশীৰ বিৰুদ্ধে স্বাধীনতা উদ্ধাৰাৰ্থে গোপন কাৰ্য্যকলাপ আৰম্ভ কৰিম।"

বিভিন্ন জনৰ অনুৰোধক্ৰমে এবাৰ তেওঁ নিজৰ ডায়েৰীখোৰ বাতৰি কাকতত ধাৰাবাহিক হিচাবে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু কেইটামান স খ্যাত ডায়েৰীখোৰ প্ৰকাশ পোৱাৰ পিছত, এটা সমস্যাৰ সন্মুখীন হৈছিল। বহুতো কংগ্ৰেছকৰ্মীয়ে তাৰ ভিতৰত তেও লোকৰ নাম নপৰা বুলি তেওঁলৈ আপত্তি কৰি লিখিছিল। তেও তেতিয়া তাৰ উত্তৰত কৈছিল,—"মোৰ ডায়েৰীত যি লিখা আছে তাকেহে প্ৰকাশ কৰিছোঁ। তোমালোকৰ নাম মোৰ ডায়েৰীত নাই। গতিকে মই দিব নোৱাৰোঁ। ইয়াৰ পিছতো যেতিয়া তেওঁলৈ তেও লোকৰ অনুৰোধ আহিয়ে আছিল, তেতিয়া আনকি ইয়াক ছপাবলৈকে তেও বন্ধ কৰি দিছিল।

১৯১৭ চনৰ কথা। তেও তেতিয়া কলিকতাৰ এ,এছ,এল ক্লাবৰ চেক্ৰেটৰী। সেই সময়তে অসমৰ ডেকাদলৰ মাজত উজনি নামনিক লৈ সামান্য এটা কথাতে হুলস্থুলৰ সৃষ্টি হৈছিল। ১৯১৮ চনত এই এ এছ এল ক্লাব গুৱাহাটীত অনুষ্ঠিত হবলৈ যো জা চলা অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশনৰ প্ৰবন্ধাৱলীখন প্ৰকাশ হৈ ওলাইছিল। তাত কামেশ্বৰ দাসৰ 'আকাশ ৰহস্য' বুলি এটা প্ৰবন্ধ ছপা হৈছিল। প্ৰবন্ধটোৰ 'তাৰা' আৰু হাথীপটা' শব্দৰ 'তৰা' আৰু "হাতীপটী" কৰাকে লৈ উভয়ৰ মাজতে বিৰোধ সৃষ্টি হৈছিল। পিছে একমাত্ৰ অমিয় কুমাৰৰ মধ্যস্থতাই এই কাজিয়াৰ ওৰ পেলাইছিল আৰু উভয়ৰ মাজত আগৰ বন্ধুত্বকে অটুট ৰাখিব পাৰিলে।

অমিয় মানুহজনৰ বিষয়ে শ্ৰীবিজয় ভাগৱতীয়ে লিখিছে,—"অকল মোৰ ক্ষেত্ৰতে নহয়, তেখেতে বহুজনক বহু প্ৰকাৰে কিন্তু সকলোৰে অজ্ঞাতসাৰে সহায় কৰিছিল আৰু অতি আপোনজনৰ কৰল অন্তৰ

এখনৰ মৰম ঢালি দিছিল। মোৰ মনত পৰে, এবাৰ তেজপুৰৰ গহপুৰৰ ফালৰ পৰা চাইকেল কৰি আহি যেতিয়া বুৰৈ নদীৰ ঘাটৰ পাৰৰ দীঘলীয়া বালিত চাইকেল টানি টানি পৰিশ্ৰান্ত হৈ পৰি, কণকৌৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অমিয়দাদাক সম্বোধন কৰি কৈছিল,—"দাদা, আপোনালোক যাওক, মই ইয়াতে আজি ৰাতি পৰি থাকিম, আৰু চাইকেল টানি টানি যাব নোৱাৰো।" তেতিয়া অমিয়দাদাই তেওঁক বোকোচাত তুলি দুয়োখন চাইকেলৰ সৈতে লৈ গৈছিল। কিন্তু এই কথাবিলাক ইমান সাধাৰণ ভাবে লৈছিল যে, কেতিয়াও তেখেতে এই বিষয়ে উল্লেখ কৰাও শুনা নগৈছিল। নিজৰ কাম সম্পৰ্কে, তেখেত সদায়েই নীৰৱ আছিল। বিশেষ টান আৰু অতি মহৎ কামবিলাকে তেখেতে এনে ধৰণে কৰিছিল যে মানুহে গমকে নেপাইছিল কিন্তু ৰাজনীতি সাহিত্য সমাজসেৱা আদি ক্ষেত্ৰত অমিয়দাদাৰ অৱদানে দেশক সকলো প্ৰকাৰে সমৃদ্ধ কৰিছে।"

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীৰ ভাষাৰে—'আমাৰ এগৰাকী গঠনমূলক কৰ্মী, স্বাধীনতা সংগ্ৰামৰ দুৰ্দ্ধৰ যোদ্ধা সুদক্ষ প্ৰশাসক, অসমৰ সাহিত্য জগতৰ খ্যাতনামা সাহিত্যিক, সৰল উদাৰ, অনাড়ম্বৰ আৰু অতি অমায়িক নেতা।"

তেওঁ নিয়মীয়াকৈ ডায়েৰী লিখিছিল, পুথি অধ্যয়ন কৰিছিল আৰু জীৱনৰ শেষ বয়সলৈকে লিখা মেলা পূৰাদমেই চলাই আছিল। প্ৰত্যেকদিনা পুৱাতে মহাত্মা আৰু বিনোৱাৰ গীতাৰ ব্যাখ্যাবোৰ তেওঁ কঁহিয়াই চাইছিল।

নীলাচল কাকতৰ সম্পাদক মুনীন দত্ত বৰুৱাদেৱৰ মুখৰ পৰা সেইদিনা এই বীৰ পুৰুষ জনাৰ এষাৰি কথা শুনিলো,—"কটন হোষ্টেলৰ সন্মুখৰ আমাৰ দোকানত মই মোৰ কোঁঠালীত বহি আছিলোঁ। এনেতে অমিয় কুমাৰ দাস ডাঙৰীয়া মোৰ কাষতে ওলাল। কথা মতবাৰ অন্তত তেখেতক মই আগবঢ়াই দিবলৈ আহিলোঁ। কিন্তু সন্মুখত তেখেতৰ গাড়ী নেদেখি মই আচৰিত

হ'লে।। 'গাড়ী ক ত ?' বুলি সোধাত তেখেতে হাঁহি মাৰি কৈছিল —সকলো সময়তে মই গাড়ীকে নির্ভৰ কৰি নচলোঁ। মন্ত্ৰীপদ গলে, মই জানো গাড়ী পাম ? সেয়ে সকলো মুহূর্ত্ততে সাধাৰণ ভাৱে থকাটোকে মই বিচাৰোঁ।। তাৰপৰা তেওঁ খোজ কাঢ়িয়ে গৈছিল। আমাৰ গাড়ীৰে থৈ আহিবলৈ খোজা স্বত্বেও তেওঁ ইচ্ছা প্ৰকাশ কৰা নাছিল। সেই সময়ত তেওঁ আছিল শিক্ষামন্ত্ৰী।"

এই অমিয়ক মতিলাল নেহৰুৱে মৰমতে মাতিছিল বমিঅ' বুলি। তেও অমিয়ক 'উৰ্দু ভাষা শিকিবলৈ কৈছিল। তেওঁৰ ইচ্ছাতে তেও যেতিয়া উৰ্দু ভাষা শিকিছিল তেতিয়া তেওক মতিলাল নেহৰুক Private Secretary হিচাবে নিযুক্তি দিব বিচাৰিছিল। আনকি তেওঁ ৰয়টাৰৰ প্ৰতিনিধি হোৱাৰো সুযোগ পাইছিল। কিন্তু ইউৰোপীয় ধৰণে তেওঁ সাজ পাৰ পিন্ধিবলৈ পছন্দ নকৰা হেতুকে ৰয়টাৰৰ প্ৰতিনিধি হিচাবে তেওঁৰ কাম কৰা নহ'ল।

বেমাৰৰ ভিতৰত 'বাতৰ বিষে তেওঁক বিশেষভাৱে জুলুম কৰিছিল। এই একে অসুখ তেওঁৰ মাকৰ গাতো আছিল। এই অসুখৰ কাৰণতেই কণী মা.স তেওঁ এৰিব লগীয়া হৈছিল। গাখীৰ তেওৰ প্ৰিয় খাদ্য আছিল। তেওঁৰ দৃষ্টিশক্তি অতিকৈ প্ৰখৰ আছিল। তেওঁৰ হাতৰ আখৰ অতি সৰু আছিল আৰু সেই আখৰ অত্যন্ত পকোৱা আছিল বাবে সৰ্বসাধাৰণে পঢ়িবলৈ যথেষ্ট অসুবিধা হৈছিল। সামান্য পোষ্টকাৰ্ড এখনতে তেওঁ ৪।৪৫ লাইনলৈকে লিখিছিল। তেও দৰকাৰী কথাবিলাকো সামান্য টুকুৰা কাগজতে লিখিছিল কিন্তু তাক অতি পৰিপাটিকৈ ৰাখিছিল।

"আমাৰ ঘৰ তালাছীতো ডেপুটী কমিচনাৰ মি লেইলীয়ে বৰ ভদ্ৰ ব্যৱহাৰ কৰিছিল হেনো। মোমাইদেউক (৺ব্ৰহ্মানন্দ বৰ কাকতি) ক'লে,—"মই আপোনালোকৰ গোটেই ঘৰ চাবলৈ নাযাও। কোনটো খোটালীত আপোনাৰ ভাগিন অমিয় কুমাৰ

দাস থাকে দেখাওক। তাকে লাই আমি যাম।" মোৰ শোৱা কোঠালী দেখি হেনো সুধিলে—'ইয়াতেই তেওঁ থাকেনে? এখন কম্বলতেই শোৱেনে?" "তেওঁ কথগ্ৰহ কেম্পতেই থাকে। মাজে সময়ে কেতিয়াবাহে আহে। আহিলে তাতেই শোৱে।"

এনেকুৱা আদৰ্শৰ সাধাৰণ জীৱন যাপন কৰা দৃষ্টান্ত অসমত কেৱল অমিয় কুমাৰকে দেখা গৈছিল। মানৱ প্ৰেমৰে ভৰা, আনক সহায়-সহানুভূতি কৰিবলৈ সদায়ে বাঞ্ছা কৰা এইজন মানুহৰ কাষলৈ যেতিয়া কোনো সাধাৰণ মানুহ যায়, তেওঁ আগতে শোধে— "আপুনি যে মোৰ ওচৰলৈ আহিল, কওঁকচোন মোৰ ক্ষমতাৰে আপোনাক কি সহায় কৰিব পাৰোঁ।"

এই মহান মানৱ দৰদী, শান্ত প্ৰকৃতিৰ নেতাজন আজি আমাৰ মাজত নাই। কিন্তু পৰৱৰ্তী সকললৈ তেওঁ দেখুৱাই যোৱা সজ আদৰ্শবোৰহে জিলিকি আছে। তেওঁৰ আদৰ্শবোৰে জাতিক প্ৰেৰণা যোগাব, ডেকা-ডেকেৰীবোৰক সু-নাগৰিক হবলৈ অনু-প্ৰাণিত কৰিব। অমিয়ৰ অমিয় ধ্বনিয়ে গোটেই দেশ মুখৰিত কৰক। সামৰণিত কৰা নীলমণি ফুকনৰ ভাষাৰে—

"এই মহান পুৰুষৰ আদৰ্শ গৌৰৱণত তেওঁৰ আত্ম শ্ৰাদ্ধৰ তৰ্পণ স্বৰূপে শ্ৰদ্ধাঞ্জলি দি দেশ আকৌ গান্ধীমুখী কৰিব বুলি আমি নিজেও এই ৯৫ বছৰ বয়সত এইজন অমৰ আত্মালৈ শ্ৰদ্ধাঞ্জলি যাচি তেওঁৰ আদৰ্শত বৰ্তমানৰ তৰুণশক্তি যেন অনুপ্ৰাণিত হৈ উঠে ভগৱন্তৰ চৰণত তাকেই প্ৰাৰ্থনা কৰিছো, যাতে এই কাৰ্য্যৰে এই পুৰুষৰ তৰুণশক্তিয়ে তেওঁৰ অমৰ আত্মাই তৃপ্তি দান কৰে। আজি দেশৰ জাতিধৰ্ম্ম নিৰ্বিশেষে সকলোজনে কিয়, যোৰকৰো অসমৰ হাবি বননিয়ে থকা চৰাই চিৰিকতিয়েও বিননিৰ সুৰ ধৰি আজি তেওঁলৈ শ্ৰদ্ধাঞ্জলি যাচিছে।

অমিয়! তুমি যথাৰ্থতে অমিয় জীৱন যাপন কৰি অকল দেশাত্মবোধতেই নহয় তাৰ সমাজ সেৱাত আৰু অমিয় কৰি তুলি

আজি অমৰলোকত মহাত্মা সমন্বিতে অমৰাত্মা সকলৰ চৰণৰ ছাঁয়াত আকৌ শান্তি লাভ কৰি পৰমানন্দ লাভ কৰিছে, সেই বিষয়ে কোনো সন্দেহৰেই কাৰণ থাকিব নোৱাৰে।

তৰুণ অসম আকৌ যেন তোমাৰ আদৰ্শত অমিয় হৈ উঠক, ইয়াকে আন্তৰিকভাৱে কামনা কৰিছো।

জয়তু অসম জননীৰ অমিয় সন্তান।"

ডায়েৰীৰ কেইখিলামান পাত

'স্বৰাজ আশ্ৰম'ৰ ব্যাখ্যা

অসহযোগ আন্দোলনৰ কামত আমি যিমানে একাগ্ৰতীয়াকৈ লাগিবলৈ ধৰিলোঁ, সিমানেই অসহযোগ আন্দোলনৰ প্ৰকৃত তাৎপৰ্য্য বুজিবলৈ আমাৰ আগ্ৰহ বাঢ়িবলৈ ধৰিলে। স্বকৰা জীৱনৰ পৰা আঁতৰি আমি একেলগে কংগ্ৰেছ কেম্পত থকা কৰিলোঁ। কংগ্ৰেছ কেম্পৰ নাম দিয়া 'স্বৰাজ আশ্ৰম আশ্ৰমৰ শব্দটোৱে সচৰাচৰ মনলৈ আনে এটা কঠোৰ জীৱনৰ ছবি এখন সংযমৰ সাধনা। 'আশ্ৰম শব্দটো লোৱাৰ আগতে আমাৰ মাজত আলোচনা নোহোৱাকৈ নাছিল। কিন্তু সকলোৱে এই শব্দটোতেই সম্মতি দিলে। দুখীয়া পৰিয়ালতেই আমাৰ সকলোৰে জন্ম হলেও, দুখীয়া অৱস্থাৰ মাজতে সংগ্ৰাম কৰি পঢ়া আৰু বাহিৰা খৰচলৈ মন দিব নোৱাৰা হলেও 'আশ্ৰম শব্দই যি ভাব মনলৈ আনে আমি তাৰ উপযুক্তনে? এনেভাব মনলৈ নহাকৈ নাছিল। বিশেষকৈ কেইজনমানে ঘনাই চাহ খাবলৈ ভাল পাইছিল, জুটি লগা সোৱাদ বস্তু খাবলৈ ভাল পাইছিল। আমাৰ কলেজীয়া জীৱনত এনে কিছুমান অভ্যাস গঢ়ি উঠিছিল। কিন্তু সকলো আমি স্বৰাজ আশ্ৰমত লগ হলোঁ। মুষ্টিভিক্ষাৰ চাউলেৰেই এই স্বৰাজ আশ্ৰম চলাৰ লগীয়া হ ল।

(ডায়েৰীৰ পৰা)

১৯৩০—২৭ জুলাই,

"২৭ জুলাই তাৰিখে বহা যেওবাৰে কাৰ্জন হলত গুৱাহাটী জিলা কংগ্ৰেছৰ সাধাৰণ অধিবেশন বহে . হেম বৰুৱা—সভাপতি, অমিয় উপসভাপতি, সিদ্ধি—সম্পাদক, লক্ষ্মী বৰা—সহকাৰী সম্পাদক। সিদ্ধিয়ে ১ আগষ্টৰ পৰা ওকালতি এৰিব বুলি কয়। হেমে মহাত্মাক গ্ৰেপ্তাৰ কৰাৰ দিনাৰে পৰা ওকালতি এৰিছে বুলি কয়।"

*　　*　　*

"৩ আগষ্ট তাৰিখে কাৰ্জন হলত অমিয় দাসৰ সভাপতিত্বত ছাত্ৰ সকলৰ সভা বহে।

*　　*　　*

১৯২১ চন, ১১ এপ্ৰিল,

"সমস্ত দিন ক গ্ৰেছ কমিটীৰ মেম্বৰ কৰাত নোটিচ জাৰি কৰাত আৰু অন্যান্য কাৰ্য্যত কটোৱা হয়। গধূলি সভা হয়। কংগ্ৰেছ কমিটীৰ উদ্দেশ্য ব্যাখ্যা কৰি দিয়া আৰু ৯৫ জন মেম্বাৰৰ সৈতে কংগ্ৰেছ কমিটী গঠন কৰা হয় শ্ৰীযুত অমিয় তাৰ সম্পাদক আৰু মই সভাপতি হওঁ।" (চন্দ্ৰনাথ শৰ্মাৰ ডায়েৰীৰ পৰা)

১৯৪২ চন, ২১ মাৰ্চ্চ,

"আজি হেম বৰুৱাৰ একো বাতৰি পোৱা নাই। সেইবাবে চিন্তিত আছোঁ। আজি শ্ৰীযুত বৰদলৈৰ লগত ৰোহিনী চৌধুৰীয়ে মেল কৰিলে। বহুতপৰ তেওঁ কথা হৈছিল। তেওঁ গভৰ্ণমেন্টৰ পৰা Special permission লৈ আহিছিল। "

*　　*　　*

২০ মাৰ্চ্চ,—

"আজি নগাঁৱৰ ৬০ জন আৰু যোৰহাটৰ ১২ জনক খালাছ

দিছে। আজি মেথিক মেৰিয়নীয়ে আহি দেখা কৰিলে—তেওঁ খবৰ দিছে যে, হেম বৰুৱাৰ অপাৰেশ্বন কৰিব লগীয়া হব পাৰে।

* * *

২০ ফেব্ৰুৱাৰী,

"আজি প্ৰায় ১০ বজামানতে শ্ৰীযুত বিমলা চলিহাৰ interview ৰ পৰা খবৰ পোৱা গ'ল যে গান্ধীজিৰ অৱস্থা সঙ্কটজনক salivation হৈ আছে আৰু তেওঁ যেনো নিজেই গিলাছ দাতি পানী খাইছিল। কালিৰেপৰা গান্ধীজীলৈ বৰ উদ্বিগ্ন হৈ আছো। ব্ৰিটিচ ৰাজশক্তিয়ে গান্ধীজীক এৰি নিদিব যেন লাগিছে। সিহঁত দৃঢ় হৈ আছে। এই অনশনৰ ফল স্বৰূপে গান্ধীজীৰ কিবা ঘটিব লগীয়া হলে ৰাজনীতি ক্ষেত্ৰত অহিংসাৰ চৰম পৰীক্ষাৰ অন্ত পৰিব। ব্ৰিটিচ ৰাজশক্তিৰ লগত হিটলাৰৰ দানবীয় শক্তিৰ যে পাৰ্থক্য একো নাই তাতেই প্ৰমাণ হব।

মানৱীয় সভ্যতাৰ কালৰ পৰা ব্ৰিটেইন ভৱিষ্যৎ বুৰঞ্জীত দোষী প্ৰমাণিত হব এইটো ধ্ৰুপ।

* * *

২৬ ফেব্ৰুৱাৰী,

"গান্ধীজীৰ বাতৰি পোৱা গৈছে—তেওঁৰ ভাল গান্ধীজীয়ে নিজৰ আধ্যাত্মিক শক্তিৰে এই বয়সতো ২১ দিনৰ অনশন নিৰ্ব্বিঘ্নে পাৰ হব বুলি মনত যিটো ভাৱ হৈছিল—সেই ভাৱটো এতিয়া ভাঠ হব ধৰিছে। আৰু মাথোন ৫ দিন আছে, এই ৫ দিন পাৰ হব পাৰিব যেন লাগিছে। জেইলত আমি বন্দী—আমি কি কৰিব পাৰো—একমাত্ৰ বিশ্ব নিয়ন্তাৰ চৰণত শক্তি বিচাৰি প্ৰাৰ্থনা জনাব পাৰো—ভাৰত মাতৃক মুক্ত কৰিবলৈ আমাক দিয়া শক্তি।"

* * *

৫ মাৰ্চ্চ,

"গান্ধীজিয়ে অনশন ব্ৰত ভঙ্গ কৰাৰ বাতৰি আজিৰ কাকতত

আছিছে। সুমথিৰা টেঙাৰ ৰস অলপ পানী মিহলাই খালে বুধবাৰে ৯ বজাত। ডাক্তৰ বয়ে কৈছে যে ১১ দিনৰ পাছত তেওঁৰ সঙ্কট বৰ টানেই হৈছিল। গান্ধীজীৰ অনশন শেষ হ'ল, কিন্তু ভাৰতীয় সমস্যাৰ সমাধান নহ'ল। ব্ৰিটিচ ৰাজশক্তি অলপো লৰচৰ নহ'ল। এতিয়া প্ৰশ্ন হৈছে - তত কিয়? গান্ধীজীয়ে ইয়াৰ পাছত কি কৰিব? স্বাভাৱিক অৱস্থালৈ আহি পাবলৈ তেওঁৰ প্ৰায় ১ মাহ মান লাগিব। আমি জেইলত বহি নিজ্ৰীয় পৰ্য্যবেক্ষকৰ বাহিৰে আৰু নো কি কৰিব পাৰো।"

৯ এপ্ৰিল,

এই আন্দোলন আৰম্ভ হোৱাৰ আজি ৮ মাহ হ'ল। এই ৮ মাহৰ ভিতৰত বন্দী অৱস্থাত গান্ধীজীৰ সোঁহাত মহাদেৱ দেশাই ঢুকাল, তাৰ পিছত সিদিনা মাদ্ৰাজৰ নেতা সত্যমূৰ্ত্তি ঢুকাল। ৰাষ্ট্ৰপতি আজাদৰ ঘৈণীয়েক মৃত্যুশয্যাত, শ্ৰীযুতা সৰোজিনী নাইডুৰ টান বেমাৰ হোৱাত মুক্তি দিয়া হৈছে কস্তুৰীবাইৰ হৃদৰোগ কথা। আনফালে ব্ৰিটিচ ৰাজশক্তিৰ ৰুদ্ৰমূৰ্ত্তি। তেওঁলোকৰ ভাৰতবাসীলৈ দায়িত্ব, যুদ্ধ পৰিচালনাৰ নাম লৈ ৰুদ্ৰৰূপত নগ্নভাৱে আমাৰ ওচৰত প্ৰকাশ কৰিছে। একালে ভাৰতবৰ্ষত আজি হাহাকাৰ খাদ্যদ্ৰব্যৰ দাম শত গুণে বাঢ়িছে। এই হাহাকাৰ গুচাবলৈ দায়িত্ববিহীন আমোলাতন্ত্ৰৰ চেষ্টা ফলৱতী হোৱা নাই। বাতৰি কাকতত পোৱা যায় বহুতো ঠাইত বিশেষকৈ বঙ্গদেশত চাউলৰ দাম মোনে ১৫ টকা হৈছে, ডাইলৰ দাম ২০ টকা। গুৱাহাটীৰ পৰাও এইদৰে বাতৰি পোৱা হৈছে।

তেজপুৰলৈ মহাত্মা আহোতে অমিয়ৰ ডায়েৰীত

১০ আগষ্ট।

"দহ আগষ্ট। প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ পৰা তাৰ আহিছে মহাত্মা গান্ধী ১৮ আগষ্ট তাৰিখে আহিব। প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে ১২ জন ভলন্টিয়াৰ বিচাৰিছে। তেজপুৰত আমি দল হিচাবে ভলন্টিয়াৰ সংগঠন কৰা নাছিলোঁ। আমাৰ সকলোৰেই ভলন্টিয়াৰ। কলেজ আৰু স্কুল এৰি আহি যিসকল ছাত্ৰই অসহযোগ আন্দোলনৰ কামত লাগিছে, সকলোৰেই কৰ্মী আৰু সকলোৰেই ভলন্টিয়াৰ। উকীল সকলৰ ভিতৰত শ্ৰীচন্দ্ৰ নাথ শৰ্ম্মাই ওকালতি এৰিছে। তেওঁতো কেউখন জিলালৈকে গৈ আছে। এই ছাত্ৰসকলৰ কাক বাদ দিয়া যায় আৰু কাক বছা যায়? ছাত্ৰসকলৰ মাজত ৫০ জনৰ ওপৰ অসহযোগৰ কামত লাগিছে। যিসকলে ঘৰ এৰি আহিব পৰা নাই তেওঁলোকেও ঘৰত খেতি বাতিৰ কামত সহায় কৰি যি অলপ আজৰি পায় কংগ্ৰেছৰ কামত সহায় কৰি আছে, তথাপিও ১২ জন বছা হ'ল আৰু ভাইটিৰ (দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা) নেতৃত্বত তেওঁলোকক গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা হ'ল।

২০ আগষ্ট।

'২০ আগষ্ট। পুৱাৰ জাহাজত গুৱাহাটীৰ পৰা লক্ষ্মীধৰকে আদি কৰি সকলো তেজপুৰৰ সেৱক পালেহি গুৱাহাটীৰ সকলো বাতৰি পোৱা হ'ল। তেওঁ কলে, মহাত্মা গান্ধী যদিও এদিনলৈ বুলি অহাৰ কথা আছিল তথাপি পিচত সাতদিন থাকিবলৈ স্থিৰ কৰিলে। পোনতে গুৱাহাটীত কিছুমানে তেওঁক সাতদিন ৰখাৰ ব্যৱস্থা কৰিবলৈ যত্ন কৰিছিল। মহাত্মাই ক'লে, "আপোনালোকে মোক গুৱাহাটীত সাত দিন ৰাখি কি দেখুৱাব? মই অসমলৈ আহিছো অসমীয়াৰ লগত চিনাকি হবলৈ। আপোনালোকে

মোক গুৱাহাটীত থৈ এই বিশাল ব্ৰহ্মপুত্ৰ আৰু কাষত থকা পৰ্বতমালাৰ প্ৰাকৃতিক সৌন্দৰ্য্য দেখুৱাই পঠিয়াই দিয়লৈ বিচাৰে নে ? অসম, অসমীয়া মানুহক মই চাবলৈ বিচাৰো। (I want to have a glimpse of the land and the people of Assam)", তেখেতে এইদৰে খেমালিৰে সৈতে ক'লে। অসমৰ মানচিত্ৰখন লৈ যাতায়তৰ সুবিধা অসুবিধাৰ বুজবাজ লৈ ভ্ৰমণৰ কাৰ্য্যসূচী প্ৰস্তুত কৰাত লাগিল।"

* * *

আজি ২২ আগষ্ট। মহাত্মাজীৰ মৌনব্ৰতৰ দিন। যদিও মৌন, তথাপিও কাম কৰি আছে—লিখা কাম, সূতা কটা আদি সকলো হৈ আছে। মুখেৰে কথা নকলেও লিখি জনাই আছে। ২৪ ঘণ্টাৰ বাবে আজি লঘোন ৬ বজাত আহাৰ গ্ৰহণ কৰি মৌনতা ভাঙিব। যমুনালাল বাজাজে মাৰোৱাৰী ব্যৱসায়ী সকলৰ লগত কথা হৈ আছে। পূজাৰ সময়ত বিলাতী কাপোৰ নেবেচিবলৈ প্ৰতিশ্ৰুতি লোৱাৰ ব্যৱস্থা কৰি আছে।"

বিভিন্ন জনৰ আৰু বিভিন্ন সংবাদপত্ৰৰ দৃষ্টিত

প্ৰাত স্মৰণীয় অমিয়কুমাৰ দাসদেৱৰ অমৰ আত্মাই তেওঁৰ সুযোগ্যা সহধৰ্ম্মিণীক আৰু কন্যাৰত্নক এৰি থৈ গ'ল, কিন্তু দেশবাসীয়ে এজন একনিষ্ঠ আজন্ম গান্ধীবাদী আৰু গান্ধীদৰ্শনৰ অদ্বিতীয় টীকাকাৰক, দাৰ্শনিক, সাহিত্য লেখকক হেৰুৱালে। কিন্তু যাইকৈ তেওঁ আজন্ম নিজমনে আত্মপ্ৰসাদেৰে, অটল আত্মবিশ্বাসেৰে সমাজ সেৱাৰ কামত সমস্ত জীৱন তিল তিলকৈ আহুতি দি সেই দৰ্শন আৰু সাহিত্যৰ বিশদ ব্যাখ্যা এৰি থৈ গ'ল বুলি কব লাগিব। মহাত্মাৰ আদৰ্শত অনুপ্ৰাণিত এইজন পুৰুষৰ কৰ্ম্মই যোগ সাধন আদি ঢোল নিপিটাকৈ কাম কৰি যোৱাই তেওঁ মৌনব্ৰত আছিল।

মহাত্মাৰ স্বাধীনতা সংগ্ৰামত অসমৰ তৰুণশক্তিৰ একনিষ্ঠ আত্মোৎসৰ্গ কৰা তেওঁৰ এক ৰকম স্বাধীনতা যুদ্ধৰ আনখন ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ বণত আমি নিজ চকুৰে দেখা আছে অমিয়, হেম, চন্দ্ৰনাথ, লক্ষ্মীধৰ, ৰোহিণী প্ৰমুখ্য তৰুণৰ এই কেইজন সেনানীয়ে কিদৰে সপ্তৰথীৰ লগত "সপ্ত অভিমন্যুৰ" দৰে ৰুটিচৰ কুটনীতিৰ ব্যূহত প্ৰবেশ কৰি বীৰত্ব দেখুৱাইছিল। তেওঁৰ লগৰ কেইজন আজি ইহ জগতত নাই। তেওঁৰ দৰেই অমৰাত্মা লাভ কৰি এতিয়া অশৰীৰি হিচাবে তৰুণ অসমক কিয় তৰুণ ভাৰতকো অনুপ্ৰেৰণা দি আছে। সিদিনা 'দৈনিক জন্মভূমি' ত তেওঁৰে আজন্ম সহকৰ্মী অবিসম্বাদী নেতা দেবেশ্বৰ শৰ্মাদেৱে অমিয়ক বৰ্তমান এই পুৰুষৰ আদৰ্শ বুলি তৰুণ সম্প্ৰদায়ক তেওঁৰ আদৰ্শ লবলৈ সোঁৱৰাই দিয়া কথা অলপো অতিৰঞ্জিত হোৱা নাই॥

Nilmani Phookan Fellow, Sahitya Akademy Jorhat, Assam Dated 31 1 75	শ্ৰীনীলমণি ফুকন

তেওঁ আমাৰ মাজত নাই, এই কথাটোকে ভাবিব নোৱাৰো। নশ্বৰ দেহা এৰি গলেও, আমি যিসকলে তেওঁৰ অতি ঘনিষ্ঠ সান্নিধ্য লাভৰ সুবিধা পাইছিলোঁহঁক সেই বিলাকৰ মাজত এই জীৱনলৈ তেওঁ থাকিয়েই যাব। ৰাজনীতি আৰু ভাৰতৰ স্বাধীনতা নিমিত্তে সক্ৰিয় আন্দোলনে অমিয়ৰ জীৱনৰ অধিক সময় লৈছিল। অমিয় ১৯২১, ৩০।৩৩ আৰু ৩৯।৪২ চনৰ এই আটাইকেইটা আন্দোলনতে সক্ৰিয়ভাবে যোগ দিছিল আৰু জেইল খাটিব লগীয়া হৈছিল। অমিয়ই প্ৰকৃত অৰ্থত গান্ধীজীৰ অহিংস আদৰ্শ আৰু কাৰ্য্যপদ্ধতি তেওঁৰ জীৱনত অনুসৰণ কৰিছিল।

তেওঁক সম্বৰ্দ্ধনা জনাবলৈ তেজপুৰত যি বিৰাট সভা আয়োজন কৰি তেওঁক পুঁজি এটা দিয়াৰ হেতুকে যি ৩৭ হেজাৰ টকা সংগ্ৰহ কৰি তেওঁৰ হাতত অৰ্পণ কৰা হৈছিল, সেই গোটেইখিনি টকা তেওঁ ৰাজহুৱা কামত উৎসৰ্গা কৰিছিল।

দেৱেশ্বৰ শৰ্মা।

শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী, ২৬।১।৭৫ নতুন দিল্লী।

"নিজৰ কামৰ সম্পৰ্কে তেখেতে সদায়েই নীৰৱ আছিল। বিশেষ টান আৰু অতি মহৎ কামবিলাকো তেখেতে এনে ধৰণে কৰিছিল যে মানুহে গমকে নেপাইছিল কিন্তু ৰাজনীতি, সাহিত্য, সমাজসেৱা আদি ক্ষেত্ৰত অমিয়দাদাৰ অৱদানে দেশক সকলো প্ৰকাৰে সমৃদ্ধ কৰিছে। অসমত যি কেইজন পুৰুষে কংগ্ৰেছ গঢ়ি তোলাত নেতৃত্ব দিছিল, তাৰ ভিতৰত অমিয়দাদা আছিল অন্যতম।"

*   *   *

নলিনীবালা দেৱী,—২৬।১।৭৫ দক্ষিণ শৰণীয়া।

"মোৰ সহোদৰ প্ৰতিম সত্যপথৰ চিৰসাধক দাসদেৱে মৰমী দেশৰ মাটিৰ মৰম এৰি মহাপ্ৰয়াণ কৰিলে। যদিও জন্ম মৃত্যু বিশ্বৰ নিয়তি, তথাপি এনে একোটি আদৰ্শণীয় জীৱন হেৰুৱাই মাতৃভূমিয়ে কান্দিব।"

*   *   *

হিৰণ্য বৰা

"তেখেত আছিল ত্যাগৰ মূৰ্ত্ত প্ৰতীক।"

*   *

মহেন্দ্ৰ মোহন চৌধুৰী

"অসমৰ গান্ধীযুগৰ প্ৰথম কালছোৱাৰপৰা আৰম্ভ কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে নেতৃত্বৰ উচ্চ শিখৰত উঠাইলৈকে স্বৰ্গীয় দাসেই অসমৰ একমাত্ৰ নেতা, যি গৰাকী নেতাই অনিৰ্দ্ধাৰে

গান্ধীজীৰ কাষ চাপিব পাৰিছিল আৰু কেইবাটাও সংজাতি দলৰ নেতৃত্ব লৈছিল।"

"সাপ্তাহিক নীলাচল —১৯ জানুৱাৰী ১৯৭৫ চন।

"গান্ধীবাদৰ মহত্তম শিক্ষাৰে পৰিপুষ্ট হোৱা যি কেইজন মুষ্টিমেয় মানুহৰ নাম আমাৰ মনলৈ আহে, যি কেইজন মানুহৰ ব্যক্তিত্বত এক নতুন সংস্কৃতি আৰু নতুন জীৱন চৰ্য্যাৰ জেউতি ফুটি উঠিছিল, সেইসকলৰ ভিতৰত অমিয়কুমাৰ দাসো নিঃসন্দেহে অন্যতম। তেওঁৰ জীৱন আৰু কাৰ্য্যাৱলী সম্পৰ্কে বিতৃতভাৱে আলোচনা কৰাৰ প্ৰয়োজন আছে।' (সম্পাদকীয় স্তম্ভৰপৰা)

* * *

"নতুন অসমীয়া"—(ষ্টাফ ৰিপোৰ্টাৰ) ২৪ জানুৱাৰী ১৯৭৫।

শ্ৰীঅমিয় কুমাৰ দাসে অসমৰ জাতীয় জীৱনৰ এছোৱা গুৰুত্বপূৰ্ণ কালত কাণ্ডাৰী হোৱাৰ সুযোগ পাইছিল। কংগ্ৰেছৰ কৰ্মী আৰু নেতা হিচাবে তেওঁ প্ৰায় ছয় দশকৰো ওপৰকাল অসমৰ ৰাজনৈতিক জীৱনৰ বিভিন্ন দিশত বিশিষ্ট ৰৰঙণি আগবঢ়ায়। গান্ধীজীৰ আদৰ্শ আৰু অহিংসা আন্দোলনৰ প্ৰেৰণাৰে তেওঁ অসমৰ জাতীয় জীৱনৰ সোঁত পৰিবৰ্তনৰ বাবে তৎপৰ হয়।"

* * *

মহাজাতি"—২৬ জানুৱাৰী ১৯৭৫,

"শ্ৰীদাস যে ষোল অনাই দুৰ্নীতিমুক্ত, ত্যাগী আৰু পৰাৰ্থে উৎসৰ্গাকাৰী লোক আছিল সেই স্বীকৃতি তেওঁৰ দলৰ উগ্ৰতম শত্ৰুৱেও দিব। আজিৰ ক্ষমতা দুৰ্নীতি ভ্ৰষ্টাচাৰিতাৰে দুষ্ট পৰিস্থিতিত শ্ৰীঅমিয় কুমাৰ দাসৰ আদৰ্শ আৰু জীৱন এটা বিৰাট প্ৰত্যাহ্বান।" (সম্পাদকীয় স্তম্ভৰপৰা)

জীয়েকলৈ লিখা এখন চিঠি

মৰমৰ জীউমা,

তোমাৰ চিঠিখন (১৫ তাৰিখৰ) পালোঁ – এইখন পোৱাৰ আগতে ইংৰাজীতেই এখন চিঠি লিখি পোষ্ট কৰিছিলোঁ। বোধকৰোঁ যথাসময়ত পাবা। তুমি মোৰ অসমীয়া প্ৰকোৱা আখৰ ভালকৈ পঢ়িব নোৱাৰা বোলাত আজি এইখন চিঠি ভালকৈ কপি কৰাইছোঁ—এতিয়া তোমাৰ অসুবিধা নহব। তুমি হিন্দী পঢ়িব লগীয়াহে অসমীয়া পঢ়িবলৈ আৰু লিখিবলৈ পাহৰিবা বুলি সময়ে সময়ে মোৰ আশঙ্কা হয়। সেইবাবে তুমি সময়ে সময়ে অসমীয়াত লিখিবা। তুমি খেতাৰ শিকিবলৈ লোৱাত ভাল পাইছো। আঙুলীত দুখ পোৱা বুলি লিখিছা—আঙুলীৰ মূৰত পিন্ধিবলৈ তাৰৰ আঙুঠী দিয়ে—সেইটো তুমি লোৱা নাই নেকি? ভাৰতীয় সঙ্গীত যন্ত্ৰবিলাকৰ মাজত খেতাৰ এটা উত্তম যন্ত্ৰ। তুমি এইটো ভালকৈ শিকিব পাৰিলে ভাল কথা হব।

তুমি হোষ্টেলত নতুন দেখি এতিয়ালৈকে মন বহুৱাব পৰা নাই। জয়পুৰত যিদৰে আহল বহল ঠাইত থাকিব পাৰিছিলা ইয়াত সেইদৰে নোৱাৰাত পোনতে বেয়া লগাটো স্বাভাৱিক, লাহে লাহে মন বহিব।

চাৰ্লট ব্ৰন্টেৰ উপন্যাসখন মই পঢ়া নাই। ইংৰাজী সাহিত্যত তেওঁ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক—তুমি বন্ধত আহিলে চাম। প্ৰাচীন ভাৰতৰ বুৰঞ্জী এতিয়া বহলকৈ পঢ়িব লগীয়া হৈছে, ভাল কথা। প্ৰাচীন ভাৰতত আৰ্য্যসকলে বসতি পতাৰ আগতে সংস্কৃতি গঢ়ি উঠিছিল, সেই সম্পৰ্কে পূৰ্ণ বুৰঞ্জী এতিয়ালৈকে আমি পোৱা নাই। মাহেঞ্জোদাৰো আৰু সাচী আদিতেই তাৰ চিন পোৱা যায়। আৰ্য্য সংস্কৃতি আৰু সভ্যতাৰ আৱশ্যক ৰূপৰ মাজেদি কেনেকৈ বিকাশ

হ'ল—তাৰো ভাল যুক্তি আমি নাপাওঁ। কিছুমান গৱেষকে বেদ অধ্যয়ন কৰি বিজ্ঞানৰ দৃষ্টিভঙ্গীৰে সকলো কথা বিশ্লেষণ কৰি যুক্তি উলিয়াবলৈ যত্ন কৰিছে। এইদৰে Indology বোলা এটা নতুন বিষয়ৰ সৃষ্টি হৈছে। এটা কথা আমি মন কৰিব লাগে—ভাৰততকৈও পাশ্চাত্য দেশ বিলাকতহে এই বিষয়টো লৈ বেছিকৈ গুৰুত্ব দিয়া হৈছে। তুমি সৰু থাকোঁতে কুতবুমিনাৰলৈ যোৱাৰ বাটত ডাক্তৰ ৰঘুবীৰৰ অনুষ্ঠানলৈ তোমাক লৈ গৈছিলোঁ, তোমাৰ মনত আছেনে? আমি ৭ জন জেকোস্লোভাক ছাত্ৰক লগ পাইছিলোঁ, তোমাৰ মনত আছেনে? আৰণ্যক যুগত (অৰণ্য অৰ্থাৎ বনৰ মাজত আশ্ৰম পাতি) ভাৰতে কেৱল জ্ঞানৰেই অনুসন্ধানত নাছিল তেওঁলোক আত্মজ্ঞানেৰে সকলো কথা খুঁধি চোৱাৰ সাধনাত লাগিছিল। মন্ত্ৰবিলাক বুজি মন্ত্ৰবিদ হোৱাৰ সাধনাই তেওঁলোকৰ আছিল। ওপনিষদত পঢ়িছিলোঁ। তৰতি সোকম আত্মবিদ—আত্মবিদ হলে দুখৰ সাগৰ পাৰ হব পাৰি—মই সকলো বেদ পঢ়ি চালোঁ—কিন্তু কিয় দুঃখ শোকৰ সাগৰ পাৰ হব নোৱাৰিলোঁ—এই প্ৰশ্ন মনলৈ অহাত মনলৈ উত্তৰ আহিল—মই বুদ্ধি যুক্তিৰে মন্ত্ৰবিলাক বুজি পাইছোঁ, মই মন্ত্ৰবিদ হব পৰা নাই। এইবিলাক উপনিষদত পঢ়িবলৈ পোৱা যায়। মই "ইণ্ডোলজী" বিষয়টোৰ কথা যিমান ভাবোঁ মনলৈ অনুতাপ হয়—ভাবো ভৱিষ্যতৰ ভাৰতে ইয়ালৈ মন দিব। তোমালৈ আৰু বিশেষ কি লিখিম। যেতিয়া যিটো বিষয়লৈ মন দিয়া সেই সময়ত তাতেই মন সম্পূৰ্ণতে দিবা। মন বিক্ষিপ্ত হ'লে কোনো কথা বুজি নাপাবা। তোমালোকৰ বন্ধ কিমান দিন হব?

কোলাত জীয়েক শ্ৰীমুতী মিতাক লৈ দাস ডাঙৰীয়াৰ জী শ্ৰীমতী নন্দিনী দত্ত।

বনুৱা নেতাসকলৰ সৈতে লণ্ডনৰ বনুৱাসকলৰ আবাস স্থানত উপস্থিত হওতে।

বিভিন্নজনলৈ তেওঁ লিখা চিঠি

শ্ৰীশৰৎচন্দ্ৰ সিংহ, মুখ্যমন্ত্ৰী, অসম চৰকাৰ, শিলং।

মৰমৰ শৰৎ,

আজি তোমালৈ এই চিঠিখন লিখিবলৈ লৈছোঁ। সিদিনা শ্ৰীমতী পুষ্পলতা দাসলৈ Political Sufferers' Relief Committee ৰ কাৰ্য্যবিৱৰণী এখন আহিছে। এইখন মিটিং শিলঙত ২৩ জুন তাৰিখে বহিছিল। এইখন মিটিঙলৈ তেওঁ ২২ তাৰিখে পুৱা যাবলৈ ওলায়ো মোৰ অসুস্থতাৰ বাবে যাব নোৱাৰিলে। যি হওক, কাৰ্য্যবিৱৰণীত মোৰ সম্পৰ্কে আলোচিত হোৱা এটা কথালৈ তেওঁ আঙুলিয়াই দেখুৱাইছে—মোৰ বাবে এটা ৰাজনৈতিক বৃত্তিৰ ব্যৱস্থা হোৱা সম্পৰ্কে। এইবাবে মই মনত শান্তি পোৱা নাই। মই যি জীৱন দৰ্শন লৈ জীৱনৰ বাটত আগবাঢ়ি আহিলোঁ, ভগৱানৰ আশীৰ্বাদত জীৱনৰ শেষ দিন কেইটাও সেই বাটেৰে নিয়াব পাৰিম বুলি আশা কৰিছোঁ।

মোৰ বয়স আৰু অসুস্থতালৈ চাই, কাম কৰিবলৈ শক্তিহীন হোৱা যেন ভাবি তোমালোকে যি সহানুভূতিৰ ভাবেৰে মোৰ কথা চিন্তা কৰিছা সেইবাবে কৃতজ্ঞ হলেও মই লোৱা জীৱন দৰ্শনবে সৈতে এইদৰে বৃত্তি লোৱাটো সঙ্গত্যপূৰ্ণ নিশ্চয় নহব।

১৯২১ চনত যেতিয়া আমি অসহযোগ আন্দোলনত যোগ দিছিলোঁ, তেতিয়া আমি কাঁইটীয়া বাট হলেও আমাৰ কৰ্তব্য বুলিয়েই লৈছিলোঁ।

আজি আমি দৰিদ্ৰতাৰ বিৰুদ্ধে অভিযান চলাবলৈ, নিবনুৱা সমস্যা সমাধান কৰিবলৈ কৃতসংকল্প হৈও আৰ্থিক সমস্যাৰ বাবে আগবাঢ়িব পৰা নাই। আনফালে ৰাজনৈতিক বৃত্তি পাবলৈ বহুতোলোকে আবেদন দিয়া সত্বেও তেওঁলোকক সেই বৃত্তি দিব পৰা হোৱা নাই। এনে অৱস্থাত মোক বাছি লোৱাটো সমীচিন হোৱা নাই।

ইয়াৰ আগৰখন চিঠি তুমি পাইছা। মই বেমেৰীয়াত পৰা

আশ্ৰমত থাকি এতিয়া প্ৰতিৰক্ষা বিভাগে লোৱা বাবে মূল্য প্ৰায় ৩২ হেজাৰ টকা দিয়াত মই কেনেকৈ খৰচ কৰিবলৈ স্থিৰ কৰিছো। সেই চিঠিৰ পৰা বুজিব পাৰিবা। ইতি

থেকিয়াজুলি ৭ ৭ ৭২ স্বাঃ শ্ৰীঅমিয় কুমাৰ দাস

শ্ৰীহোমেন বৰগোঁহাই, নীলাচল, গুৱাহাটী-১১

মৰমৰ হোমেন,

ই বাজীত লিখা চিঠিখন পালোঁ। বোধকৰোঁ বহুতোলৈকে লিখিব লগীয়া হোৱাত টাইপৰ সুবিধাৰ বাবে ই বাজীত লিখা হৈছে। মই অসমীয়াতে উত্তৰ দিবলৈ ওলাইছো। ১৫ আগষ্ট তাৰিখে প্ৰকাশ কৰিবলগীয়া নীলাচললৈ প্ৰবন্ধ বিচাৰিছা। মই লিখিবলৈ যত্ন কৰিম। যদি নোৱাৰো তেন্তে জানিবা যে মোৰ স্বাস্থ্যৰ বাবে তোমাৰ অনুৰোধ ৰক্ষা কৰিবলৈ অসমৰ্থ হ লোঁ।

কি বিষয়ত প্ৰবন্ধ লিখিম, সেই সম্পৰ্কে তুমি একো জনোৱা নাই যদিও লিখিব লগীয়া প্ৰবন্ধৰ আভাস দিওঁ। ভাৰতে মহাত্মাক কিদৰে অনুসৰণ কৰিছিল আৰু স্বাধীনতাৰ পাছত কিদৰে কৰিবলৈ লৈছে তাকে আলোচনা কৰিবলৈ বিচাৰিছো। এই সম্পৰ্কে তোমাৰ মতামত জনাবা। ৩ জুনৰ ভিতৰত পঠাবলৈ যত্ন কৰিম। যোৰহাটত সাপ্তাহিক জন্মভূমি খন দৈনিক হব। অহা ১ জুন তাৰিখে উদ্বোধন কৰিবলৈ মোক ধৰৰকৈ ধৰাত যাব লগীয়া হৈছে। তাৰপৰা উভতি আহি লিখিবলৈ লম। বিষয়টো তোমালোকে ভাল পাবানে—মতামত জনাবা। মৰম সম্ভাষণ জানিবা।

ইতি

থেকিয়াজুলি, ২৭ মে স্বাঃ শ্ৰীঅমিয় কুমাৰ দাস

ডক্টৰ সত্যেন শৰ্ম্মা M A, কোৱাৰ্টাৰ ৪০, গুৱাহাটী—১৪

মৰমৰ সত্যেন,

তোমাৰ চিঠিখন পোৱা কেইবা সপ্তাহো হ'ল উত্তৰ দিওঁতে পলম হ'ল, বেয়া নাপাবা। Social Education Officer ৰ জৰীয়তে আৰু D P I অফিচৰ জৰীয়তে তুমি দিয়া স্মৃতিগ্ৰন্থৰ দাম সিদিনা draft ত আহিছে। Bank ত জমা দিয়া হৈছে। তুমি হিচাপৰ সকলো কাকত মোলৈ নপঠোৱা হলেও হলহেঁতেন। তোমাৰ কাগজপত্ৰৰ পৰা প্ৰায় বুজিলো। যে তুমি এতিয়া মোৰ পৰা সাত টকা পাব লগীয়া হৈছা। সেই টকা M O কৰি পঠাব ধৰিছো।।

নবজীৱন প্ৰেছলৈ ২ হেজাৰ টকা লৰালৰিকৈ পঠোৱা হৈছিল। (তোমালৈ যাতে বাৰে বাৰে চিঠি লিখি আমনি নিদিয়ে বুলি) তেওঁলোকৰ সৰ্ব্বমুঠ বিল আহিল ৪০৩২ টকা। তাৰে তোমাৰ জৰীয়তে ১৮ টকা পঠোৱা হৈছিল। মই draft ত ২ হেজাৰ টকা পঠোৱাৰ পাছত ৫০২ টকা বাকী আছে। এই টকাও এতিয়া পঠাই সকলো লেঠা মাৰো বুলি ভাবিছো।। তুমি দিবলৈ ক'লে পঠাই দিম। এই সম্পৰ্কে সোনকালে পৰামৰ্শ দিবা।

গুৱাহাটীত New Book Stall, Baniprakash Bhavan, Lawyers' Book Stall এশকৈ ৪ কিতাপ দিয়া হৈছিল। তাৰ লয়াছ বুক ষ্টলে বোধকৰোঁ এশখন বেচি ৫ কপি (অতিৰিক্তকৈ) বিচৰাত তোমালৈ তাঁৰ কৰি জনাইছিলো।। তুমি সেইমতে ৫০ কপি দিছিলা। এতিয়া তেওঁলোকৰ পৰা টকা পালে চন্দ্ৰনাথ শৰ্ম্মাৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাত সহায় হয়। তুমিও অলপ খবৰ কৰিবা। আশা কৰো তোমালোক সকলোটি ভালেই আছা। মৰম সম্ভাষণ জানিবা।

ইতি

ঢেকিয়াজুলি, ১৫।১।৭২ অমিয় কুমাৰ দাস

শ্ৰীতীৰ্থনাথ শৰ্ম্মা, ভৰলুমুখ, গুৱাহাটী—১

মৰমৰ তীৰ্থ,

তোমাৰ চিঠিখন পোৱা এমাহৰ ওপৰ হ'ল। উত্তৰ দিওঁতে যথেষ্ট পলম হ'ল, বেয়া নাপাবা। উত্তৰৰ লগতে প্ৰবন্ধটো পঠাম বুলি ভাবি লিখিবলৈ লৈছিলোঁ। কিন্তু শেষ নৌকৰোতে পা বেয়া হ'ল। ৺বৰুৱা MLC থাকোতে শ্বিলঙত আমি একেলগে থাকিব লগীয়া হৈছিল। সেই সময়ত অসমীয়া কাকতৰ সম্পাদক আছিলো। সেই সময়ত এবাৰ ৺হেম বৰুৱাক পাইছিলো। তাৰ পিছত তেওঁ কলিকতালৈ যাব লগীয়া হোৱাত ময়ে যাব লগীয়া হৈছিল। মই যাওঁতে স্বৰাজিষ্ট মেছত আছিলোঁ দেখি একেলগে আছিলোঁ। তেখেত ৰাজনীতিলৈ যাবলৈ বৰ মন কৰা নাছিল। কিন্তু ফুকনৰ হেঁচাৰ কাৰণে নিৰ্ব্বাচনত প্ৰাৰ্থী হ'ব লগীয়া হৈছিল। তেখেতৰ প্ৰতিদ্বন্দী আছিল ৰাধিকানন্দ চৌধুৰী। পাছৰ বাৰ ৺ৰোহিনী চৌধুৰী নিৰ্ব্বাচন প্ৰাৰ্থী হ'ল। তেখেতে ওকালতিত একাগ্ৰতীয়াকৈ লাগিবলৈ সুবিধা পালে। সেই সময়ৰ কাউন্সিলৰ বক্তৃতাবিলাক উলিয়াব পাৰিলে ভাল হব।

তেখেতে যেতিয়া বাহাদুৰ বাগিছাৰ দায়িত্ব লয় সেই সময়ত প্ৰায়েই অধিক অনটন তথাপিও দায়িত্বলৈ ভালকৈ চলালে।

যিহওক মই সৰু প্ৰবন্ধ এটা পঠাবলৈ যত্ন কৰিছো। আশা কৰোঁ তোমাৰ ভাল।

মৰম সম্ভাষণ লবা।

ইতি

ধেকিয়াজুলি

শ্ৰীঅমিয় কুমাৰ দাস

যেকিয়াজুলি
২০-৮-৭৪

নিবেদন,

আপোনাৰ চিঠিখন পালোঁ। শ্ৰীযুত মেধিৰ জীৱনচৰিত লিখা বুলি জানি ভাল পাইছোঁ। কিতাপখন লিখা হৈছে যদি চাবলৈ পালে ভাল পাম। মই সোনকালে গুৱাহাটীলৈ যোৱাৰ কথা। সেই সময়ত ভাগৱতীয়ে মোৰ লগত কোনেবে কথা হব— তেওঁক জনাইছে।। কিতাপখন চাই মন্তব্য লিখিম। ১৯২০ ২১ চনৰ পৰা শ্ৰীযুত মেধিৰ লগত কাম কৰিব লগীয়া হৈছিলো। পাছে মোৰ অসুবিধা হৈছে, হাতৰ কঁপনি হোৱা বেমাৰ। সেইবাবে লিখা কাম কৰিবলৈ টান পাওঁ। যি হওঁক forward লিখিবলৈ যত্ন কৰিম।

মৰম সম্ভাষণ জানিবা। ইতি—

শ্ৰীসমীন কলিতা স্বা অমিয় কুমাৰ দাস

কুত্ৰদখি

P O Kulhatı

Hajo

Kamrup

*   *   *

শ্ৰীশশী শৰ্ম্মা এম এ, নলবাৰী কলেজ, নলবাৰী।

প্ৰিয় শৰ্ম্মা

আপোনাৰ ২২ তাৰিখৰ চিঠিখন সিদিনা (২৭ ফেব্ৰুৱাৰী) পালেঁা। আজি কিছুদিনৰপৰা হাতৰ কঁপনি হোৱাত লেখিবলৈ নোৱাৰা হৈছেঁা। সেইবাবে আপুনি বিচৰা প্ৰবন্ধ সময়মতে লিখিব পাৰিম নে নাই কব নোৱাৰোঁ। তথাপিও যত্ন কৰি চাম। ৺ভাণ্ডাৰী ১৯৩৩ চনৰ মাৰ্চ্চ মাহত জনম পাইছিলহি। ৺অমৃত

লাল ভিখলভাই ঠাকুৰে পঠাইছিল। ১৯৩৪ চনত মহাত্মা গান্ধী অসমলৈ অহাৰ সময়ত হৰিজন সেৱাৰ কামৰ বাবে আশ্ৰম পাতি পিছপৰা লোকসকলৰ মাজত থাকিবলৈ উপদেশ দিছিল। কিন্তু ৺ভাণ্ডাৰী আমাৰ মাজলৈ আহি নোপোৱালৈকে একো কৰিব পৰা নাছিলোঁ। ৺ভাণ্ডাৰী আহি পোৱাত তেওঁক কত কাম কৰিবলৈ ব্যৱস্থা কৰিব পাৰি এয়ে আমাৰ সমস্যা হ'ল। ৺গোপীনাথ বৰদলৈ ৺ডা ভুৱনেশ্বৰ বৰুৱা, ৺সিদ্ধিনাথ শৰ্ম্মা ৺ডা হৰেকৃষ্ণ দাসৰ লগত আলোচনা কৰি তেওঁক লৈ বৰমী পালোগৈ, আৰু এখন ৰাজহুৱা সভা পাতি ভাণ্ডাৰীক থৈ আহিছিলোঁ। আশ্ৰমৰ দৰে অনুষ্ঠান পতা হব বুলি শুনাত ৰাইজৰ উৎসাহ হ'ল আৰু আশ্ৰমৰ ঠাই নিৰাকৰণ কৰি মাটিৰ দিহা হ'ল। বৰ্ত্তমানৰ এম, এল, এ শ্ৰীসুৰেন্দ্ৰ দাস (বৰমাৰ) সেই সময়ত স্কুলীয়া ছাত্ৰ আছিল। তেওঁ আশ্ৰমত থাকিবলৈ মান্তি হ'ল। আশ্ৰমৰ আঁচনিমতে কেইজন কছাৰীৰ ছাত্ৰক গোটোৱা হ'ল। এইদৰে ৺ভাণ্ডাৰীক তাত থৈ আহোতে আমাৰ মনলৈ নানা শংকা হৈছিল— দক্ষিণ ভাৰতৰ এজন ডেকাই বৰমাৰ দৰে পাছ পৰা অঞ্চলত কেনেকৈ থাকিব ? ভাষাৰ সমস্যাই ডাঙৰ। তেওঁক থৈ অহা হ'ল।

লোকেলবৰ্ডৰ নানা কামত ৺সিদ্ধিনাথ শৰ্ম্মাই সেই অঞ্চললৈ প্ৰায়ে যাবলগীয়া হৈছিল আৰু তেওঁ ভাণ্ডাৰীক লগ পাই আছিল। কিছুদিনৰ পাছত এটা সমস্যা হ'ল সকলোৱে একেলগে খোৱাত। আশ্ৰমত থকা শৰণীয়া সম্প্ৰদায়ৰ ছাত্ৰসকলৰ অভিভাৱক সকলৰ আপত্তি হ'ল—কছাৰীৰ ছাত্ৰ সকলৰ লগত একেশাৰীত বহি একেলগে কেনেকৈ খাব পাৰে ? জাতিভ্ৰষ্ট নহবনে ? আশ্ৰমত থাকিলেও তেওঁলোকৰ বান্ধনিৰ বেলেগ হব লাগিব। কিন্তু এয়ে আশ্ৰমৰ মূল কথা—সকলো মানুহ সমান, তলখাপৰ মানুহ বুলি কিছুমানলোকক ঘিণ নকৰাটো।

এইমাহে মাজে সময়ে আমি ববমা আশ্ৰমলৈ যাবলগীয়া হৈছিল। এদিনা আশ্ৰমৰ সমুখ পাওঁতে দেখো—৺ভাণ্ডাৰী আশ্ৰমৰ এটা ঘৰৰ ছালৰ ওপৰত বডাহে ছালৰ খেৰ উবাই নিয়াত, তেওঁ নিজে ছালখন ভাল কৰাত লাগিছে। তেওঁ সকলো কাম কৰিব জানিছিল। ছালৰ কামৰ পৰা আৰম্ভ কৰি মটৰ মেৰামতি কৰা লৈকে সকলো কাম কৰাত পাৰ্গত আছিল। কোনো কাম, এইটো তলখাপৰ কাম, আনে কৰিব, এনে ভাৱ মনলৈ নাছিল। পাইখানা চাফ কৰি মল মূত্ৰক পঁচান সাৰত পৰিণত কৰাৰ কাম তেওঁ নিজেই কৰিছিল আৰু তেওঁৰ লগত থকা ছাত্ৰসকলেও এই কামলৈ ঘিণ নকৰিছিল। ৱাৰ্দ্ধাৰ মহাত্মা গান্ধীৰ সেৱাশ্ৰমত এনেবিলাক কাম কেনেকৈ সহজভাৱে কৰিব পাৰি তাৰ ব্যৱস্থা কৰা হৈছিল। মহাত্মা গান্ধীৰ ভাৱ আছিল—পেলাই দিয়া সকলোবস্তুৰ সদ্‌ব্যৱহাৰ কৰি এইবিলাকৰ পৰা কেনেকৈ উৎকৃষ্ট সাৰ তৈয়াৰ কৰিব পাৰি তাৰ বাবে যত্ন কৰাটো। ববমাৰ আশ্ৰমত তেওঁ এইবিলাক মল মূত্ৰৰ পৰা পঁচনিয়া সাৰ কৰি তাৰে শাক পাচলিৰ খেতি ভাল মতে কৰিছিল।

১৯৩৮ চনত তেওঁ বিয়া কৰাবলৈ মাঙ্গালোৰলৈ গৈছিল আৰু বিয়া কৰি তেওঁ ঘৈণীয়েকক লৈ আহি আশ্ৰমতে আছিল— কিন্তু অলপ দিনৰ পাছত তেওঁৰ ঘৈণীয়েক মেলেৰীয়া বেমাৰত আক্ৰান্ত হৈ মৃত্যু হ'ল।

কেইবা বছৰো তেওঁ বিয়া নকৰাই আছিল। তাৰ পাছত দ্বিতীয় বিয়াখন হ'ল। তেওঁ দেশলৈ ইয়াৰ বাবে যোৱা নাছিল কন্যাপক্ষই কন্যালৈ ববমালৈ অহাত ববমাৰ আশ্ৰমতে বিয়া পতা হৈছিল।

১৯৪২ চনৰ গণআন্দোলনত তেওঁ আশ্ৰমখন ৰক্ষা কৰোতে নানান বিপদৰ সন্মুখীন হৈছিল। সেই সময়ত শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে এই আশ্ৰমত থাকিব লগীয়া হৈছিল।

১৯৫০ চনৰ আগষ্ট মাহত হোৱা ভূঁইকঁপত উত্তৰ লক্ষীমপুৰ মহকুমা বৰ ক্ষতিগ্ৰস্ত হোৱাত আমি তেওঁক উত্তৰ লক্ষীমপুৰত কাম কৰিবলৈ পঠাইছিলোঁ। উত্তৰ লক্ষীমপুৰত তেওঁ প্ৰায় তিনি বছৰ থাকি, ক্ষতিগ্ৰস্ত ৰাইজক সহায় কাৰ্য্যত ব্যস্ত আছিল।

সেই সময়ত Service Sivil International নামৰ এটা অনুষ্ঠানে কৰ্মীৰ দল এটা পঠোৱাত (এই দলটোত বৃটেইন, ফৰাচী, ফিনল্যাণ্ড, আমেৰিকা প্ৰভৃতি নানান দেশৰ লোক আছিল) তেওঁলোকে পাঁচখন স্কুলৰ ঘৰ সাজি দিয়াৰ দায়িত্ব লৈছিল। এই দলটোত মহিলা কেইবা গৰাকীও আছিল। তেওঁ লোকৰ লক্ষ্য আছিল—বিশ্বমানৱৰ সংহতি অনা আৰু এইবাবে বিশ্বৰ যিকোনো দেশত বিপদগ্ৰস্ত হোৱা ৰাইজৰ মাজত থাকি তেওঁলোকক সহায় কৰা।

পথালিপাম পানীগাওঁ আদি ঠাইত তেওঁলোকে আশ্ৰম পাতি স্কুল ঘৰ পাঁচোটা সাজি দিলে।

এইবাবে তেওঁ উত্তৰ লক্ষীমপুৰত থাকি সাহায্যৰ কাম কৰিলে। প্ৰায় তিনি বছৰ তেওঁ উত্তৰ লক্ষীমপুৰত আছিল—ছাবটীত তেওঁ আশ্ৰমত পাতি তাত এখন স্কুল পাতিলে।

১৯৫২ৰ পাছত তেওঁক Asstt commissioner for the welfare of schedule casts and tribes নিযুক্ত কৰা হ'ল। তেওঁক পূৰ্বাঞ্চলৰ দায়িত্ব দিয়া হ'ল।

আপোনাৰ চিঠিখন দিয়াৰ পিছত লৰালৰিকৈ এইখিনি কথা জুকিয়াই পঠালো।

মোৰ সম্ভাষণ লব।

ইতি—

৪ ২ ৭৫ আপোনাৰ

স্বাঃ শ্ৰীঅমিয় কুমাৰ দাস।

গুৱাহাটী ১৩-৮-৭৫

মৰমৰ নিৰু

যোৱা ১১ তাৰিখে গধূলি ৯ বজাত ৺হেম বৰুৱা স্বৰ্গী হল। কথাখাৰ লিখি মনলৈ প্ৰশ্ন হৈছে—সঁচানে? কাৰণ সকলো কথা চিনেমাৰ দৰে লাগিছে। তেওঁ বেছ ভালেই আছিল, ১১ তাৰিখে দিনটোৰ কথা পাতিছো। তেনে একো অসুখ নাই। আবেলি সিদ্ধিও আহিল, একেলগে চাহ জলপান খাওঁ। সিদ্ধি ৬॥ বজাত যোৱাৰ পাছত প্ৰায় ৭ বজাত দেবেশ্বৰ আহি পায়। দেবেশ্বৰক চাহ দিওঁতে তেওঁকো সোধা হয় চাহ খাব নেকি বুলি। তেওঁ চাহ নাখাই ছৰবত খায়। তেওঁৰ তাত আমি গল্প কৰিলে তেওঁৰ অসুবিধা হব পাৰে বুলি ভাবি দেবেশ্বৰক লৈ মাজৰ খোটালীত বহোঁ। তাত আমি কথা পাতি আছিলোঁ। এনেতে এখন টেলিগ্ৰাম আহিল। তাত আছিল "Pashupati Sarma, Student, Nalbari High School badly be laboured by Ry Police force please take steps" এইখন আমি ইটো খোটালীত পঢ়িছিলোঁ। অলপপৰ পাছত তেওঁৰ খোটালীলৈ যোৱাত তেওঁ Telegram-ৰ কথা সোধাত তেওঁকো জনাও। তাৰ পিছত আমি ৰেডিঅ' শুনিবলৈ বহো, এনেতে বেলিৰাম আহি পায়। তেওঁ হেম বৰুৱা ছাটি ফুটি কৰা দেখি মোক জনালত মই ওচৰলৈ যাওঁ আৰু তেওঁ 'uncomfortable feel কৰিছোঁ' বুলি কয় ইয়াৰ দুই মিনিটমান আগতে ডঃ কনক বৰুৱা আহি পাইছিল। তেওঁক ততালিকে জনালত তেওঁ আহি চাই মোক জনালে "It is a severe heart attack, and probably he will not survive' এই বুলি তেওঁ car খন লৈ এটা Injection আনিবলৈ যায়। তেওঁ উলটি আহি Injectionটো দিওঁতে ১৫ মিনিট মান সময় লৈছিল যেন পাওঁ, কিন্তু সেই পোন্ধৰ মিনিট এটা যুগ যেন লাগিছিল। শ্ৰীমতী মাকণ, মই, দেবেশ্বৰ আৰু

বেলিবাম। তেওঁ ইমান uncomfortable feel কৰিছিল যে কেনেকৈ তেওঁক relief দিম বুজি পোৱা নাছিলো।। যেনেকৰে ভৰিখন মোহাৰি, মাকণে বুকু মোহাৰি, মই আৰু বেলিবামে বিছি আছিলো। তেওঁ কেৱল কৈছিল "উস্ কিখন হ'ল একো বুজিব পৰা নাই—এইদৰেতো আগেয়ে হোৱা নাই'। বেজি দিলেহি জানিবা, কিন্তু তাৰ দহ মিনিট মান পাছত তেওঁ মুক্তি পালে। ড দাস ইতিমধ্যে আহি পাইছিল। তেওঁ ঘড়ী চাই ক'লে ৯টা। মোৰ মনটো যে কি লাগিছে বুজিবা। লবালবিকৈ হুযাবি লিখিলো।। সকলোকে জনাবা।

অমিয় দাস

মৰমৰ সৰুমণি,

আসাম সেৱক প্ৰেছৰ কথালৈ তোমালৈ এইখন চিঠি লিখিছো।। তুমি জানাই ✓দেউতাবাই এই প্ৰেছটো আৰম্ভ কৰিছিল আমাক লৈয়েই। ১৯১৮ চনৰ ডিচেম্বৰ মাহত এই প্ৰেছটো তেজপুৰলৈ আনিব লগীযা হয়। ✓দেউতাবাৰ এয়ে ইচ্ছা আছিল যে আমি (মই, ✓হেম বৰুৱা আৰু বিজয় ভাগবতী) আসাম সেৱক কাকতখন যেন চলাই থাকো। কিন্তু প্ৰায় ১ বছৰৰ ওপৰ হ ল আমি কাকতখন বন্ধ কৰিলো। কাৰণ কাকত চলাবলৈ যিমান মূলধন লাগে সিমান নাই। কাকত বন্ধ কৰাৰ পাছত কেইবাবাৰো ✓দেউতাবাৰ লগত ছপাখানাটো ঘুৰাই দিয়াৰ কথা কৈছিলো কিন্তু সেই সময়ত "মইনো লৈ কি কৰিম" এনে এটা ভাৱত প্ৰেছটো কি কৰা হব, সেই সম্পৰ্কে খাটাংকৈ একো কথা কৈ যাব নোৱাৰিলে। আজি কিছুদিনৰ পৰা এই কথাষাৰেই মোৰ মনলৈ আহি আছে। আইনমতে Keeper of the press মই। কিন্তু কিছুমানে এই ছপাখানাটো চলাই তেওঁলোকৰ জীৱিকা উলিয়াই আছে। বৰ্ত্তমান জীৱন শৰ্মাই চলাই আছে।

এই প্ৰশ্নটো পুনৰ মনলৈ অহাত ছপাখানাটো তোমালোকক খুৱাই দিয়াবেই সিদ্ধান্ত কৰিছো (বিজয় ভাগৱতী আৰু মই)। এইটো সৰ্ব্বসেৱা সংঘক দিয়াতো ভাল হব। বাইজৰ কাম বিশেষকৈ আদৰ্শৰ লগত মিলা কামত ছপাখানাটো লাগিলে ৺দেউতাৰাৰ ইচ্ছাও পূৰণ হব। সেইবাবে তোমালৈ লিখিলোঁ। এই চিঠিৰ নকল এটা বৰ আইকণলৈকো পঠাম। আশা কৰো তোমাৰ ভাল। মৰম লবা। ইতি—

ধেকিয়াজুলি ১২ আগষ্ট শ্ৰীঅমিয় কুমাৰ দাস

* * *

শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, শ্ৰীগুৰু প্ৰেছ, গুৱাহাটী ১১

মৰমৰ মুনীন,

তুমি যে মাহত লিখা চিঠিখন জুন মাহৰ শেহত পালো। পলম হোৱাৰ কাৰণ—নাম আৰু ঠিকনাতে বৰষুণৰ পানী পৰি বিয়লি গৈছিল। তাৰ পাছত কেনেকৈ মোলৈ লিখা বুলি ধৰিলে কব নোৱাৰোঁ। এখন Printed slip-ত মোৰ নাম ঠিকনা লিখি পঠোৱা হৈছে—যিহওক পোৱা হ'ল। তোমালোকে Socio economic survey কৰিবলৈ লোৱাত ভাল পাইছো। ইয়াৰ পৰা নিশ্চয় বহুতো লাগতিয়াল তথ্য ওলাব।

বাহীৰ প্ৰতিধ্বনিৰ যিখিনি কপি বিক্ৰি নোহোৱাকৈ পৰি আছে সেইখিনি গুৱাহাটীলৈ গ'লে লৈ আহিম্। বিক্ৰি হোৱা কিতাপৰ পাওনা হিচাপ কৰি দিলে ভাল পাম। ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতিগ্ৰন্থ ৬৩ কপি বিক্ৰি হৈছে বুলি লিখিছা—তাৰো হিচাপ দিলে ভাল পাম।

বৰ্ত্তমানে চন্দ্ৰনাথ স্মৃতিগ্ৰন্থখন হাতত লোৱা হৈছে। তাৰ বাবেও ধনৰ প্ৰয়োজন হব। মৰম সম্ভাষণ লবা। ইতি—

ধেকিয়াজুলি ১৭-৭-৭২ স্বা অমিয় কুমাৰ দাস

অমিয় কুমাৰ দাসৰ হস্তাক্ষৰ



[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible] - Final Proof [illegible] ৩২০।

[illegible] Estimate [illegible]

[illegible] estimate [illegible]

[illegible]

[illegible]

ইতি

[illegible]

বিভিন্নজনে তেওঁলৈ দিয়া চিঠি

Jorhat

N Phookan, B A Date 21-2 1942

শ্রীমান অৰুণ আৰু বাবুল,

শ্রীমতী মা ৰুণৰ বিয়াৰ কথা গুৱাহাটীতে খবৰ পাই আহিছিলো। পাৰিতপক্ষে যাম বুলি মনতে ভাবি থৈছিলো। কিন্তু যাবৰ সুবিধা হৈ নুঠিল। সেইবাবে বেয়া নোপোৱা হক যেন। অন্তত মাৰুণৰ বিয়ালৈ যাব পৰা সুবিধা কৰিব পৰা হলে নগৈ নেথাকিলোহেতেন এই কথা ভাবি লবা।

মাৰুণ! তোমাৰ বিয়ালৈ ঠে দাডি থাকিও যাব নোৱাৰিলো। সেইবাবে দপদপাই নুঠিবা। দেশসেৱিকা হিচাবে তোমাক দেখি আহিছো। এতিয়া গৃহিনী হিচাবেও আদর্শস্থল হবা বুলি ঈশ্বৰৰ চৰণত প্রার্থনা কৰিলোঁ। তোমালোকৰ এই শুভ পৰিণয়ত পৰমেশ্বৰৰ শুভ ইচ্ছাকে মই দেখিছো। শ্রীযুত অমিয় কুমাৰ দাসৰ স্বার্থত্যাগ মই অনুভব কৰা টান যদিও তেওঁৰ দৰে স্বার্থত্যাগী সকলৰ বুজিবলৈ বাকী নাই।

এতিয়া এই দম্পতীযুগলৰ পৰা দেশে, পৰিয়ালে, সমাজে সর্ববিধ মঙ্গল লাভ কৰিব বুলি মোৰ আনন্দ হৈছে। ঈশ্বৰে তোমালোকৰ বৈবাহিক জীৱন মধুময়, শুভময় কৰি তোলক এয়ে তোমাৰ বিজুহাত ককাৰ দুই হাত ভৰি দিয়া আশীর্ব্বাদ গ্রহণ কৰিবা।

তোমালোকৰ
স্বা শ্রীনীলমণি ফুকণ

দেশৰ সেৱাকে সঙ্গিনী কৰি অতদিনে কংগ্ৰেছৰ বাণী আৰু প্ৰচাৰ কাৰ্য্যকে মূলমন্ত্ৰ কৰি লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে গাঁৱে-ভূঞে নগৰে চহৰে যিটি অসম কুমাৰে ভাৰতী আইৰ অমিয়া ৰূপ জপ কৰি আহিছিল সেই অময়াপুৰীৰ অমিয়কুঁমাৰে আজি অময়া অসমী আইৰ লাহতী খোপাতে দেশসেৱাৰ উজ্বল আদৰ্শৰে মেৰ খোৱা এধাৰী পুষ্পলতাৰ মালা সন্ধান পাই থমকি ৰৈ একেখোজী একেৱতী হৈ ধৰ্ম্ম কৰ্ম্মক্ষেত্ৰতো একেটি হৈ আগ বাঢ়িবলৈ যোৱাত আজি অসমীয়া মাত্ৰৰে আনন্দ, উলাহত আশা উদ্বেগত অধীৰ। এনে শুভলগনৰ মিলন ক্ষেত্ৰৰ পৰা সুদূৰ আতৰত বিদেশত প্ৰবাস খটা অসমীয়া ডেকা গাভৰু এহালৰ আজি এয়েই কামনা শুভ-ইচ্ছা—

—ভগৱন্ত পূৰুষে এনেদৰে মিলন হোৱা পুষ্পলতাৰ অমিয় সৌৰভ গোটেই ভাৰত জুৰি যেন আমোলমাল কৰি তোলে।

(শ্ৰীযুত মাধৱ বেজবৰুৱা আৰু তেওঁৰ পত্নী) "উষা মাধৱ"। কলিকতা
১ ফাগুন, ১৮৬৩ শক

Suite No 20
123।1।1, Upper Circular Road
Calcutta 28 2-42

মৰমৰ অমিয়,

বহুত দিনৰ মূৰত তোমাৰ চিঠিখন পাই বৰ ৰং পালোঁ। তুমি ইমান দিনৰ মূৰত সাগৰৰ পাৰ পোৱা দেখি আৰু ৰং পালোঁ। তিক্তিত ফুলৰ লতা মেৰিয়াই লৈছা। আশাকৰে। তাৰ সুৰভিয়ে যেন তোমাৰ জীৱন আমোদিত কৰে। অকণৰ পৰা তোমাৰ বিয়াৰ এখন চিঠি পাইছিলোঁ। মঞো উত্তৰ দিছিলোঁ আৰু তাত তোমাৰ কথাও লেখিছিলোঁ। গান্ধক্ৰ আল সমকাৰ কাৰণে এবাৰ আসামৰ পৰা

পাক মাৰি আহিব খুজিছো। দুটা পাৰে মোৰহঁত মাৰ্চ মাহৰ ভৰ তাৰিখ মানে ইয়াৰ পৰা যাম। গুৱাহাটীত ২।৩ দিন মান থাকি ঘৰলৈ যাম বুলি ভাবিছো। দুটা অৱশ্যে দেড় মাহৰ কাৰণে বিচাৰিছো। পাব লাগে দেখোন। মাকণক মোৰ কথা ক'বা আৰু ক'বা, চেনেহ কুসুম পাহি, যদি ফুলনিৰ জেউতি চৰা'লে দুগুণে মুখৰ হাঁহি। চেনেহ কুসুম পাহি। তোমাক আৰু ক'ত লগ পাম। গুৱাহাটীলৈকে বাৰু ক'ত আহিবা। সাধন মোৰ লগতে যাব, যদি মোৰ যোৱা হয়। মোৰ মৰম লবা। মাকণক মোৰ মৰম আৰু আশীৰ্ব্বাদ দিবা। একৰকম চলিছে৷

ইতি— তোমাৰ মৰমৰ

স্বাঃ শ্ৰীযতীন্দ্ৰনাথ দুৱৰা

Sreejut Omeo Kumar Das, B A
Tejpur (Assam)

* * *

The Assam Tribune
(The Independent Newspaper)

Rehabari P O, Dibrugarh, Assam
21st February, 1942

Ref No

মৰমৰ দাস,

আপোনাৰ চিঠিখন আৰু লগতে প্ৰবন্ধটো পালোঁ। অহা সংখ্যাত প্ৰবন্ধটো প্ৰকাশ হব।

আপোনাৰ বিয়াৰ কথা শুনি বৰ আনন্দ লাগিছে। সুবিধা কৰিব পৰা হলে বিয়াত যোগকে দিলোঁহেঁতেন। কেতিয়াবা তেজপুৰলৈ গ'লে আপোনাৰ আৰু নিচেই নতুন অতিথি হব আশা ৰাখিলোঁ। আপুনি বঢ়িয়া সহধৰ্মিণী আৰু সহকৰ্মিণী

পাইছে। আপোনালোকৰ বৈবাহিক জীৱন যেন মধুৰিমাময় হয়। যেশে আপোনালোকৰ পৰা বহুত আশা কৰে।

কিনো আৰু লিখিম? ৰবি ঠাকুৰৰ কবিতা এফাকি মনত পৰিছে তাকে এইখিনিতে তুলি দি আজিলৈ বিদায় লওঁ।

প্ৰেমময় ফাঁদ পাতা ভুবনে
কে কোথা ধৰা পৰে কে জানে?

ইতি—আপোনাৰ
স্বা° শ্ৰীলক্ষ্মীনাথ ফুকণ

Mahendra Mohan Chaudhury

Gauhati—8
21-7 72

পৰম শ্ৰদ্ধাভাজনেষু,

আপোনাৰ ৭ ৭ ৭২ তাৰিখৰ চিঠিখন পালোঁ। আমাৰ আলোচনীখনৰ গুৰুত্ব আপোনাৰ প্ৰবন্ধ এটা পোৱা হলে বাঢ়িল হেতেন। কিন্তু সেইটো আমাৰ ভাগ্যত নঘটিল। পৰমেশ্বৰে আপোনাক সুস্থ শৰীৰে দীৰ্ঘায়ু কৰি ৰাখক তাকেই প্ৰাৰ্থনা জনাইছোঁ। মই ২৭ তাৰিখে দিল্লীলৈ যাম। তাত বোধকৰো অলপ দীঘলীয়াকৈ থাকিব লাগিব। দিল্লীত আপোনাক লগ পাম বুলি আশা কৰিছোঁ।

সেৱাৰে—
আপোনাৰ
স্বা° মহেন্দ্ৰ চৌধুৰী

শ্ৰীঅমিয় কুমাৰ দাস
শেকিয়াজুলি।

ভৰলুমুখ
গুৱাহাটী-৯
৮-৬-৭২

পৰম শ্ৰদ্ধেয়বৰেষু,

আপোনাৰ ৩০ ৫ ৭২ তাৰিখে থেকিয়াজুলিৰ পৰা লিখা চিঠিখন পৰহি পাই বৰ ভাল লাগিল। স্বৰ্গীয় শঙ্কৰ দেউতাৰ স্মৃতি গ্ৰন্থ খনৰ কাম কিছু আগবাঢ়িছে। প্ৰবন্ধপাতি দুই এটাকৈ আহি আছে। তেখেত এজন ভাল পত্ৰ লেখক আছিল। চিঠিবোৰত ঘৰুৱা বা প্ৰয়োজনীয় কথা কেইটাৰ ওপৰিও বহুত উপদেশমূলক মূল্যবান কথা আছিল। দেশৰ সাময়িক সমস্যাবোৰৰ বিষয়েও মতামত প্ৰকাশ কৰিছিল। সেই চিঠিবোৰ বাছি কিছুমান প্ৰকাশ কৰা হয়। তেখেতৰ কেবাখনো লাগতিয়াল ভাষণ আছিল, তাৰে কেইখনমান পোৱাই নাই। M L C থাকোতে কাউন্সিলতো কেইটামান ভাল বক্তৃতা দিছিল, সেইবোৰ বিচাৰি উলিয়াবলৈ এজনক ভাৰ দিছোঁ। তেখেতৰ বিভিন্ন বিষয়ত ধাপ আছিল আৰু সেইবোৰ বিষয়ে তন্ন তন্নকৈ জানিছিল। গো পালন, মৌ-পালন, বনৌষধি, চাহ উদ্যোগ, শিক্ষাবিস্তাৰ আদি নানা বিষয়ত ব্যাপৃত আছিল। ওকালতি ব্যৱসায়তো সেইকালৰ আগশ্ৰেণীৰ উকিল আছিল। এই বিভিন্ন দিশত আলোকপাত কৰাকৈ প্ৰবন্ধ লিখিবলৈ সেই বিষয়ে জনালোকক অনুৰোধ কৰা হৈছে। ইয়াৰ ওপৰিও ব্যক্তিগত আৰু সামাজিকভাৱে তেখেতক ভালকৈ জনা-লোকৰ পৰা সোঁৱৰণ আৰু গুণাৱলী সম্পৰ্কে লিখিবলৈ কেইজন মানলোকক অনুৰোধ কৰা হৈছে। আপোনাৰ প্ৰবন্ধটোও এনে পৰ্য্যায়তে পৰিব বুলি ভাবিছোঁ, কাৰণ তেখেতক আপুনি বহুত দিনৰ পৰাই জানে। আপোনাৰ দেউতাৰৰ চিকিৎসাতে যোগে শঙ্কৰ দেউতাৰ ল'ৰাকালৰ কিবা অসুখ ভাল হৈছিল। ৺কালিৰাম

বৰুৱাৰ লগত তেখেতৰ সহৃদয়তা আছিল। এইবোৰ কথা শঙ্কৰ দেউতাই মাজে সময়ে কৈছিল।

*　　　　*　　　　*

আপোনাৰ জন্ম চন আৰু তাৰিখটো মই নাজানো। আন ঠাইত কৰবাত ওলোৱা যেনো মনত নপৰে। সময় পালে সেই চন তাৰিখ লিখি পঠিয়াবচোন।

আপুনি এখন আত্মজীৱনী লিখিবলৈ ললে সাহিত্য আৰু সমাজ দুয়োকালৰ এটা মহৎ কাম হৈ উঠে। অসমত এক পুৰুষৰ জাতীয় জীৱন আৰু সমাজ অৱস্থাৰ চিত্ৰ প্ৰতিফলিত হব। পিছে কিছুমান মহৎ আৰু কৰ্ম্মীলোকৰ আত্মজীৱনী লিখাৰ প্ৰবৃত্তি আৰু প্ৰকৃতি নাথাকে। আপোনাৰ প্ৰকৃতিও তেনেই নেকি কব নোৱাৰোঁ। তথাপি আত্মজীৱনীমূলক কিছুমান টোকা পালে আমি এজনে পূৰ্ণাঙ্গ জীৱনী এখন লিখিবলৈ সাহ কৰিব পাৰোঁ। শ্ৰদ্ধেয়া শ্ৰীমতী দাসে এই কামত আপোনাক আগবঢ়াই দিলেহে দিয়া।

বৰ্তমান ভালে আছো। আশাকৰো আপোনালোকবো ভাল। সশ্ৰদ্ধ নমস্কাৰ লব। ইতি—

আপোনাৰ মৰমৰ
শ্ৰীতীৰ্থনাথ শৰ্ম্মা

7, Dupleix Road New Delhi 11
20 3 72

দাদা,

মই নিৰ্ব্বাচনৰ সময়ত এবাৰ খেকিয়াজুলিলৈ যাওঁতে আপোনালোকক লগ ধৰিবলৈ গৈছিলোঁ। তেতিয়া আপোনাসকল তাত নথকাত লগ নাপালো। তাৰ পিছত আপোনাক লগ পাব পৰা নাই।

অসমৰ ৰাজনীতিৰ ঘাত-প্ৰতিঘাতত মই টিকিব নোৱাৰি উভতি পৰিব লগা হৈছে। এতিয়া মোক ৰাজসভালৈও পঠাব পাৰে। অৱশ্যে, একো খাটাং হোৱা নাই। আপোনাক জনাইহে থৈছোঁ।

স্বাঃ শ্ৰীবিজয় ভাগৱতী

Debeswar Sarmah,
Jorhat 20-3 72

মৰমৰ অমিয়,

আশাকৰোঁ বিশেষ আহকাল নোহোৱাকৈ ধেকিয়াজুলি পালাগৈ হঁক। তোমালোক যাবৰ সময়ত মই ঘৰত উপস্থিত থাকিব নোৱাৰি বৰ বেয়া লাগিছিল।

তোমালোক উভয়ে আহিব পৰাত আমি যিমান ভাল পাইছো তাক প্ৰকাশ কৰিবৰ ভাষা নাই। বৰ ভাল লাগিছিল তুমিয়ে মা-কণে অহাত। বাক আমাৰ কথা বাদ দিয়া, ইয়াৰ মানুহৰ মুখে মুখে কথা তোমালোক দুয়ো অহালৈহে। বহুত দিনৰ মূৰত এই ফালৰ মানুহে তোমালোক উভয়ক দেখি বৰ ৰং পালে। মই আনন্দত আপ্লুত হৈছো এই কথাত যে, তোমাক সৰ্বসাধাৰণ ৰাইজে কিমান ভাল পায় আৰু শ্ৰদ্ধা কৰে।

আশাকৰো ভালে আছাহঁক। আমাৰ সকলোৰে মৰম সম্ভাষণ লবাহঁক।

ইতি—তোমাৰ
দেবেশ্বৰ

খাৰঘুলি, গুৱাহাটী—৪ ২৩।৫।৭৪

শ্ৰদ্ধাস্পদেষু,

আপোনাৰ ৯-৫ ৭৪ তা°-ৰ চিঠি পালো। ইতিমধ্যে আৰু কেইটামান প্ৰবন্ধ পালোঁ। তাৰে কেইটামান ৺চন্দ্ৰ শৰ্মাৰ বিষয়ে।

(১) শ্ৰীযুত বিজয় ভাগৱতীয়ে পইকীয়ালৈ এটা প্ৰবন্ধ পঠাইছে বুলি লিখিছে।

(২) শ্ৰীশশী শৰ্মাই 'চন্দ্ৰ শৰ্মাৰ ব্যক্তি মানস' নামৰ এটা প্ৰবন্ধ পঠাইছে।

চন্দ্ৰ শৰ্মাৰ প্ৰবন্ধ তলত দিয়া ধৰণৰ—

(১) 'অসমীয়া ভাষাৰ আখৰ জোটনি'ৰ ওপৰত মতামত

(২) বাঁহীৰ সম্পাদকলৈ চিঠি

(৩) কোচবিহাৰৰ মহাৰজা ৺নৃপেন্দ্ৰ নাৰায়ণ

(৪) বিদ্যাসাগৰ

(৫) বঙ্গভাষা আৰু আনন্দৰাম বৰুৱা

(৬) অসমীয়া সাহিত্য আৰু দীনেশ চন্দ্ৰ সেন

(৭) বিদ্যাসাগৰ চৰিত্ৰত মাতৃশিক্ষা

দণ্ডীনাথ কলিতাৰ কিতাপখন অলপ চমুৱাবও পাৰি।

আপুনি ছপা আৰু সমীক্ষণৰ ভাৰ যাকে ভাল দেখে দিয়ক। সলাবলৈ বিশেষ কিবা আছে বুলিও মই নেভাবো। পুৰণি বানান নতুন বানানৰ সমস্যা এটা আছে।

আশা কৰোঁ আপোনাৰ আৰু বাইদেউৰ মঙ্গল।

আগৰ চিঠি মই পোৱা নাই। শ্ৰদ্ধাৰে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

অমিয় বাণী

দেশৰ তথা সমাজৰ অনীতি সমূহৰ লগত অসহযোগিতা কৰিব খোজোঁতা হলে আগতে নিজক সম্পূৰ্ণ শুদ্ধ কৰি লব লাগিব, নহলে সকলো চেষ্টা ব্যৰ্থ হব।

* * *

ভৌগলিক অসম ৰক্ষা কৰিবলৈ হ লে দেশৰ সকলোৱে যত্ন কৰিব লাগিব। কেৱল মন্ত্ৰী কেইজনৰ ওপৰত এৰি দিলে নহব। মনত ৰাখিব লাগিব যে ই‚ৰাজে ৰাজনৈতিক শক্তিৰেহে এইখন দেশ শাসন কৰিছিল, ই ৰাজৰ ৰাজনৈতিক শক্তিৰ আঁৰত পশুবল আছিল। আমি গণতন্ত্ৰ শাসন ব্যৱস্থা কৰি পশুবলৰ আশ্ৰয় লব নোৱাৰো। এই ৰাজনৈতিক শক্তিৰ ভেটি হব লাগিব নৈতিক শক্তি। এইবাবে অসমীয়া ভাষীলোক সকলৰ ওপৰতে দায়িত্ব সৰহ। গণতান্ত্ৰিক চৰকাৰে গণতন্ত্ৰৰ নীতিমতেই পৰিচালিত হব লাগিব।

* * *

বন্দুকে মানুহক শক্তিশালী, সাহসী নকৰে। বন্দুকধাৰী মানুহজনৰ আত্মিক বল সাহস নাথাকিলে হাতৰ কপনিত বন্দুক সুলকি পৰিব।

* * *

নতুন যুগৰ সাহিত্যিকে ৰূপ দি ফুটাই তুলিব লাগিব সাধাৰণ মানুহৰ চৰিত্ৰৰ সৌন্দৰ্য্য। সাধাৰণ মানুহৰ জীৱনৰ ভিতৰত তেওঁ সোমাব লাগিব। সাধাৰণ মানুহৰ জীৱনৰ বৈচিত্ৰ্যৰ আৰু লুইতৰ দৰে বিপুল প্ৰবাহৰ পৰা তেওঁ বিচাৰি আনিব লাগিব নতুন যুগৰ সৃষ্টিৰ বাবে প্ৰেৰণা।

* * *

সাহিত্য ৰচনাৰ উপাদান আমি বিচাৰি যাওঁ এখন কৃত্ৰিম জগতলৈ, জনসাধাৰণৰ চৰিত্ৰৰ মাজত যি দৃঢ়তা, আদৰ্শনিষ্ঠা, ধৰ্ম্ম-ভাব আৰু স্বাতন্ত্ৰ্য দেখিবলৈ পোৱা যায়, তাক ৰূপ দিবলৈ আমি যত্ন নকৰোঁ।

* * *

আদৰ্শবাদী বুলিলে নো আমি কি বুজো? যিজনলোকে বস্তুবাদ আৰু আধ্যাত্মিকতাৰ মূল্য নিৰূপণ কৰে তেওঁৱেই আদৰ্শবাদী।

যি মানুহে বুৰঞ্জী নজনাকৈ কামত লাগে, তেওঁ নিজলৈ আৰু নিজৰ বন্ধু সহকৰ্মী সকললৈ বিপদ চপাই আনে মাথোন। তেওঁ বাহিৰা কথা, বাহিৰা চিন্তাৰ একো ভূ-ভা নোপোৱা অৰ্কবা—অশিক্ষিতৰ দৰে। তেওঁ বিচাৰত সদায় ভুল কৰে।

* * *

উন্নতিৰ বাটত খোজ লোৱাৰ কাহিনীয়েই হৈছে বুৰঞ্জী।

* * *

বিশৃঙ্খলতাৰ কাৰণে আমি বহুতো সু কৰ্ম্মৰ পৰা বিচলিত হব লগা হয়।

* * *

শিক্ষাই সকলো উন্নতিৰ মূল। দেশত শিক্ষা বিস্তাৰ নহলে কোনো বিষয়তে উন্নতি কৰিব নোৱাৰি।

* * *

দেশৰ সকলো শ্ৰেণীৰ মাজত আত্মোন্নতিৰ চেষ্টা নজন্মিলে জাতীয় উন্নতি হব নোৱাৰে।

* * *

স্বদেশ আৰু সমাজসেৱা কৰিবলৈ হলে আমাৰ সমাজত কিনো ব্যাধি হৈছে, খুঁত বা দোষ ঠিক কোনখিনিত আছে তাক ভালকৈ

পৰ্য্যালোচনা কৰি আৰু আৰোগ্যৰ উপায় চিন্তিয়ে ৰাইজকে এত নামিব লাগিব।

* * *

শিক্ষা বিস্তাৰৰ প্ৰধান সহায় হৈছে সাহিত্য।

* * *

সমাজৰ ৰীতি-নীতি আৰু বৈদিক নিয়মে বিয়া আদি পতাত মোৰ বিশ্বাস নোহোৱা নহয়। কিন্তু সেই বুলি লোকক দেখুৱাবলৈ খৰচ আদি কৰি সৰ্ব্বস্বান্ত হোৱাটো মই ভাল নাপাওঁ।

* * *

মানৱ জাতিৰ বুৰঞ্জী এটা কথা লৈ আৰম্ভ হৈছে—নিজৰ অজ্ঞতাৰ স্বীকাৰোক্তিৰে।

* * *

শাৰীৰিক সৌন্দৰ্য্য বৃথা, যদি আধ্যাত্মিক বল মানসিক সংযমেৰে সেই সৌন্দৰ্য্য পৱিত্ৰ নহয়।

মৰম যেতিয়া শুদ্ধ হয়, তাত যেতিয়া কামনা বাসনা নাথাকে, তেতিয়া এনে মৰম নিশ্চয় জয়ী হব।

* * *

ছাত্ৰ আৰু শিক্ষকসকল সমগ্ৰ দেশৰ সন্মুখত আদৰ্শৰ দৰে হওক।

* * *

মানুহে সংগ্ৰামৰ মাজেদি বৰ্ত্তমান সভ্যতাত থিয় দিছেহি।

* * *

বৰ্ত্তমান জগতত বিজ্ঞানৰ বহুতো উন্নতি হৈছে, মানুহে বিজ্ঞানৰ

উন্নতি কৰিছে—কেনেকৈ মানুহক নিষ্ঠুৰভাৱে হত্যা কৰিব পাৰে, তাৰ বাবে।

* * *

মানৱ সমাজৰ এতিয়া বাই সমস্যা হৈছে দুটা। এটা হৈছে অৰ্থনৈতিক ভিত্তিত সমাজ সংগঠন আৰু দ্বিতীয় হৈছে জগতত শান্তি স্থাপন।

* * *

পৰিশিষ্ট

লোকনায়কৰ প্ৰবন্ধাৱলী, ব্যক্তিৰ কাকত, আলোচনী আৰু গ্ৰন্থৰ তালিকা।

(ক) গ্ৰন্থ

(১) অসমত মাহাত্মা
(২) মোৰ সত্য অন্বেষণৰ কাহিনী
(৩) বিলাতত মহাত্মা
(৪) দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ
(৫) গান্ধী কথামৃত
(৬) মেজমেলত মহাত্মা
(৭) অসহযোগৰ আন্দোলনত অসম
(৮) গান্ধীজীৰ জীৱনী
(৯) শেকভৰ গল্প
(১০) পৰ্ব্বতে বিড়িয়ায় মিকিৰ পাহাৰত ভুমুকি
(১১) অনশনত মহাত্মা
(১২) "বাঁহীৰ প্ৰতিধ্বনি" [১ম আৰু ২য় খণ্ড]

(খ) আলোচনী আৰু কাকত

(১) বাঁহী
(২) সাপ্তাহিক "অসমীয়া"
(৩) Forward

(গ) প্ৰবন্ধাৱলী

(১) জাতীয় জীৱনলৈ হেম বৰুৱাৰ বৰঙণি —
[ত্যাগবীৰ হেম বৰুৱা স্মৃতিগ্ৰন্থ, ১৯৭১ চন]

(২) স্বাধীনতা সংগ্ৰামৰ যোদ্ধা—বিষ্ণুৰাম মেধি
[শ্ৰীবিষ্ণুৰাম মেধিৰ ৭৮তম জন্মবাৰ্ষিকী স্মাৰক গ্ৰন্থ,
১৯৬৬ চন]

(৩) বাট কেনি ? অসম বাতৰি—৮ পুহ, ১৮৮৯

(৪) আধুনিক সমাজ আৰু গান্ধীবাদ—নীলাচল

(৫) মাও চে-টুঙৰ ৰণ-সজ্জাৰ সন্মুখত—অসম বাতৰি, ২৯ আহিন
১৮৮৮ শক

(৬) ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ পটভূমিত শিক্ষাৰ আদৰ্শ—
জন্মভূমি—২৬ জানুৱাৰী—১৩৬৪

(৭) এখন পুৰণি চিঠি—চাহ মজদুৰ—১৯৬৯

(৮) বিজ্ঞানৰ দৃষ্টিত সত্যাগ্ৰহ—মন্দাকিনী

(৯) স্মৃতি কথা জৱাহৰলাল নেহৰুৰ সোঁৱৰণত
—ৰামধেনু,
১৭শ বছৰ ৪ৰ্থ সংখ্যা।

(১০) জীৱন স্মৃতি—মণিদীপ—

(১) ষষ্ঠ বছৰ ॥ দশম সংখ্যা ॥ ১৯৬৬
(২) ষষ্ঠ বছৰ ॥ একাদশ সংখ্যা ॥ ১৯৬৬
(৩) ষষ্ঠ বছৰ ॥ দ্বাদশ সংখ্যা ॥ ১৯৬৬
(৪) সপ্তম বছৰ ॥ প্ৰথম সংখ্যা ॥ ১৯৬৬

(১১) হকুবি বছৰৰ আগৰ কাহিনী—অসমীয়া—দ্বিতীয় বছৰ।
৪ৰ্থ সংখ্যা ১৯৬৯ চন।

(১২) মহাত্মা গান্ধী—আমি তেওঁক কিদৰে বুজিলোঁ—গান্ধী-
দৰ্শন—

(১) প্ৰথম বছৰ জানুৱাৰী ১৯৬৪ ॥ প্ৰথম সংখ্যা
(২) দ্বিতীয় „ অক্টোবৰ ১৯৬৫ ॥ ৪ৰ্থ সংখ্যা
(৩) দ্বিতীয় „ : জুলাই ১৯৬৫ ॥ তৃতীয় সংখ্যা
(৪) তৃতীয় বছৰ জানুৱাৰী ১৯৬৬ ॥ প্ৰথম সংখ্যা
(৫) প্ৰথম বছৰ অক্টোবৰ ১৯৬৪ ॥ ৪ৰ্থ সংখ্যা

(১৩) অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণ— তেজপুৰ—১৯১৮ ভাষণমালা—১৯৬০

(১৪) কৰ্মবীৰ বৰদলৈৰ সোঁৱৰণত—কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ স্মৃতিগ্ৰন্থ ১৯৭৫ চন

(১৫) ১৯৩০ ৩২ চনৰ স্বাধীনতা আন্দোলনৰ স্মৃতি—ভাৰতৰ মুক্তি যুঁজত অসম—১৯৭২ চন

(১৬) মহাত্মাৰ অসম ভ্ৰমণৰ স্মৃতি—গান্ধী-দৰ্শন—দ্বিতীয় বছৰ, এপ্ৰিল ১৯৬৫, দ্বিতীয় সংখ্যা।

(১৭) বস্তি সুমাল—সৌমাৰ জ্যোতি—১ম বছৰ/৪ৰ্থ সংখ্যা ১৯৭২

(১৮) স্বাধীনতা সংগ্ৰামত অসমৰ ভূমিকা—অসমবাণী— ২১শ বছৰ, ২১ সংখ্যা/১৯ নৱেম্বৰ ১৯৭৬ চন।

(১৯) পাতনি – পুৰণি দিনৰ বেঙণি—১৯৭৪ (নিত্যানন্দ বৰদলৈ)

(২০) গান্ধী দৰ্শনত অহিংসৰাষ্ট্ৰ—গান্ধী শতাব্দী – (স্মৃতিগ্ৰন্থ) ১৯৬৯ চন।

[তালিকা সম্পূৰ্ণ নহয়]

॥ একে লেখকৰে ॥

সভ্যতাৰ আৰে আৰে

ভাগ্যচক্র ।

প্ৰকৃত বন্ধু ।

পৰিণাম ।

জননেতা শ্ৰীবিষ্ণুৰাম মেধি

লোকনায়ক অমিয় কুমাৰ

সাউদৰ পুতেকৰ সাধু (যন্ত্ৰস্থ)